www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সকলোবোৰ গ্ৰন্থই হয় সপোন অথবা তৰোৱাল। তুমি ইয়াৰে কাটিব পাৰা অথবা নিচাগ্ৰস্ত হ'ব পাৰা। - এমি লৱেল

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ▫ সংখ্যা- ১৯০ ▫ বুধবাৰ ▫ ১৩ মে', ২০২৬ চন ▫ Volume/Year- I ▫ Issue- 190 ▫ Wednesday ▫ 13rd May, 2026 ▫ Asom Barta, Majuli ▫ PRGI Reg. No.- ASASS/25/A2361 ▫ Price- Rs. 10 ▫ Total Page- 8

■ শপতবাক্য পাঠ কৰিলে ৪ মন্ত্ৰী ক্ৰমে ৰামেশ্বৰ তেলী, অতুল বৰা, চৰণ বড়ো আৰু অজন্তা নেওগে ■

## দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ ড° হিমন্ত বিশ্ব শৰ্মাৰ



▫ প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰী, NDA শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলৰ উপস্থিতিত শপত

▫ অনুপ্ৰৱেশ ৰোধৰ ক্ষেত্ৰত অসমে লোৱা আৰ্হি পশ্চিমবংগ চৰকাৰে ল'ব বুলি ঘোষণা শুভেন্দু অধিকাৰীৰ

### ২২ মে'ৰ পাছতহে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ!

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ মে' ঃঃ** "ভাৰত মাতা কি জয়", "বন্দে মাতৰম" — এই ধ্বনি সমূহেৰে আকাশ-বতাহ মুখৰিত হৈ উঠে গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰ। জনতাৰ উছাহ আৰু উদ্দীপনাৰ মাজেৰে অসমৰ ৰাজনৈতিক ইতিহাসত সংযোজিত হ'ল আন এক সোণোৱালী অধ্যায়। সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত ৰাইজৰ বিপুল সমৰ্থন লাভ কৰি বিজেপি নেতৃত্বাধীন এনডিএ মিত্ৰজোঁটে ক্ৰমাগতভাৱে তৃতীয়বাৰৰ বাবে অসমত চৰকাৰ গঠন কৰে। ইয়াৰ সমান্তৰালকৈ, ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে একেৰাহে দ্বিতীয়বাৰৰ বাবে শপত গ্ৰহণ কৰে ড° হিমন্ত বিশ্ব শৰ্মাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে দেশৰ কেইবাগৰাকীও শীৰ্ষ কেন্দ্ৰীয় মন্ত্ৰী তথা ▫ ৬ পৃষ্ঠাত

## উত্তৰ কাছাৰ পাৰ্বত্য পৰিষদৰ দলত্যাগ-বিৰোধী আইন প্ৰয়োগৰ ক্ষমতা বাতিল

'ষষ্ঠ অনুসূচীৰ অধীনত এই আইন প্ৰণয়নৰ অধিকাৰ নাই'



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ মে' ঃ** গুৱাহাটী উচ্চ ন্যায়ালয়ে এক গুৰুত্বপূৰ্ণ ৰায়ত উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ (NCHAC) দলত্যাগ-বিৰোধী আইন প্ৰয়োগৰ ক্ষমতা সম্পূৰ্ণৰূপে বাতিল কৰি দিছে। আদালতে কয় যে, ২০১৭ চনত পৰিষদে ৪২ সংখ্যক সংশোধনী আইনৰ অধীনত সংযোজিত নিয়ম ১৮এ প্ৰণয়নৰ কোনো আইনী অধিকাৰ নাছিল। মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ ▫ ৬ পৃষ্ঠাত

▫ ডিব্ৰুগড় মেডিচিটিত শেষ নিশ্বাস ত্যাগ ▫

## কবি, শিশু সাহিত্যিক জোনমণি দাসৰ বিয়োগ



### অকাল মৃত্যুত সাহিত্য জগতত শোকৰ ছাঁ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ মে' ঃ** অসমৰ কাব্য জগতৰ এগৰাকী প্ৰতিভাশালী কবি আৰু জনপ্ৰিয় শিশু সাহিত্যিক জোনমণি দাসৰ পৰলোকপ্ৰাপ্তি ঘটিছে। ডিব্ৰুগড়ৰ মেডিচিটি চিকিৎসালয়ত যকৃতৰ গুৰুতৰ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। ▫ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হৈয়েই যোছেফ বিজয়ৰ গুৰুত্বপূৰ্ণ পদক্ষেপ

## তামিলনাডুৰ উপাসনাস্থলী, শিক্ষানুষ্ঠান আৰু বাছ আস্থানৰ ৫০০ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত থাকিব নোৱাৰিব সুৰাৰ দোকান

### দুসপ্তাহৰ ভিতৰত বন্ধ হ'ব ৭১৭খন এনে সুৰাৰ বিপণী



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ মে' ঃ** অভিনেতাৰ পৰা ৰাজনীতিলৈ অহা চি জোচেফ বিজয়ে তামিলনাডুৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই জাৰি কৰিলে এক যুগান্তকাৰী নিৰ্দেশ। ৰাজ্যজুৰি থকা মন্দিৰ, বিদ্যালয়, চিকিৎসালয় আৰু বাছ ষ্টেণ্ডৰ পৰা ৫০০ মিটাৰৰ ভিতৰত অৱস্থিত মুঠ ৭১৭খন চৰকাৰী সুৰাৰ দোকান দুসপ্তাহৰ ভিতৰত বন্ধ কৰিবলৈ তেওঁ নিৰ্দেশ দিছে। এই দোকানসমূহ তামিলনাডু ৰাজ্যিক বিপণন নিগম (TASMAC)ৰ ▫ ৬ পৃষ্ঠাত

▫ ১৪, ১৫ আৰু ১৬ মে'ত প্ৰশিক্ষণ শিবিৰত উপস্থিত থাকিব মোহন ভাগৱত ▫

## তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ আহিব মোহন ভাগৱত



**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ মে' ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সৰ্বোচ্চ নেতা ডাঃ মোহন ভাগৱত বুধবাৰে তিনিদিনীয়া কাৰ্যসূচীৰে অসমলৈ আগমন। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ উত্তৰ অসম প্ৰান্তৰ প্ৰচাৰ প্ৰমুখ কিশোৰ শিৰমে প্ৰকাশ কৰা প্ৰেছ ▫ ৬ পৃষ্ঠাত

অংশ ল'ব ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ কাৰ্যকৰ্তা বিকাশ বৰ্গ - এক (দ্বিতীয় বৰ্ষ)ৰ প্ৰশিক্ষণ শিবিৰত

## খানাপাৰাত সজীৱ গুলী উদ্ধাৰ, এজনক আটক

খেলপথাৰৰ প্ৰৱেশ-দ্বাৰত নিৰাপত্তাৰক্ষীৰ পৰীক্ষণত পৰিল ধৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ মে' ঃ** মঙলবাৰে অসম চৰকাৰৰ নতুন মন্ত্ৰী পৰিষদৰ শপতগ্ৰহণ অনুষ্ঠান থকা খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰ প্ৰাঙ্গণত ▫ ৬ পৃষ্ঠাত

■ আৰম্ভ CBIৰ তদন্ত; পূৰ্বৰ পঞ্জীয়নতে পৰীক্ষা দিব পাৰিব শিক্ষাৰ্থীসকলে ■

## প্ৰশ্নকাকত ফাদিল; NEET UG ২০২৬ৰ পৰীক্ষা বাতিল

### পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব পৰীক্ষাৰ নতুন সময়সূচী

**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ মে' ঃ** দেশৰ সৰ্ববৃহৎ চিকিৎসা প্ৰৱেশ পৰীক্ষা NEET-UG ২০২৬ সম্পূৰ্ণৰূপে বাতিল কৰিলে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা (এনটিএ)য়ে। মঙলবাৰে সংস্থাটোৱে জনোৱা মতে, ইতিমধ্যে অনুষ্ঠিত হৈ যোৱা পৰীক্ষাটোত ব্যাপক অনিয়ম হোৱাৰ অভিযোগ ওলোৱাত এই জৰুৰী ব্যৱস্থা গ্ৰহণ কৰা হৈছে। লগতে অনিয়মৰ গভীৰ তদন্তৰ বাবে কেন্দ্ৰীয় অনুসন্ধান ব্যুৰো (চিবিআই)ক দায়িত্ব দিয়া হৈছে। ড়এনটিএই এক আনুষ্ঠানিক ▫ ৬ পৃষ্ঠাত



## অমৃতকাল বিষ কাললৈ ৰূপান্তৰঃ ৰাহুল গান্ধী

### ১৫ জনক গ্ৰেপ্তাৰ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১২ মে' ঃ** ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা (NTA)য়ে ২০২৬ বৰ্ষৰ NEET UG পৰীক্ষা সম্পূৰ্ণৰূপে বাতিল কৰাৰ ঘোষণা কৰিছে। প্ৰশ্নকাকত ফাদিল হোৱাৰ প্ৰেক্ষাপটত এই সন্ধান্ত গ্ৰহণ কৰা হয়। ইতিমধ্যে এই ঘটনাত জড়িত থকাৰ সন্দেহত ১৫জন ▫ ৬ পৃষ্ঠাত




সংঘৰ্ষত এন, এছ, চি, এনৰ দুজন সদস্য নিহত

## অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ চংকিং গাঁৱৰ আছাম ৰাইফলছ আৰু এনএছচিএনৰ মাজত মুখামুখি সংঘৰ্ষ



**অসম বাৰ্তা বিশেষ, জাগুন, ১২ মে' ঃ** অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ মেও চংকিং গাঁৱৰ দৈমুক নলাত মংগল বাৰে সন্ধিয়া প্ৰায় ৮ ৩০ মান বজাত এন, এছ, চি, এন আৰু ৮ নং আছাম ৰাইফলছ'ৰ মাজত প্ৰচণ্ড গুলীয়াগুলী হয়। বহু সময় ধৰি দুয়ো পক্ষৰ মাজত এই ▫ ৬ পৃষ্ঠাত

▫ শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ লক্ষ্য ▫

## আজি মা কামাখ্যাৰ আশীৰ্বাদ লৈ মুখ্যমন্ত্ৰীৰ আসন গ্ৰহণ কৰিব ড° হিমন্ত বিশ্ব শৰ্মাই

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১২ মে' ঃ** অসমে পুনৰ এক নতুন অধ্যায়ৰ সূচনা হ'ল। মা কামাখ্যা আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আশীৰ্বাদ লৈ ড° হিমন্ত বিশ্ব শৰ্মাই আজি দ্বিতীয়বাৰৰ বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিলে। শান্তি, প্ৰগতি ▫ ৬ পৃষ্ঠাত

তেওঁলোকৰ আদৰ্শ নাই কেৱল বুজাবুজিত থাকে, যাৰ বাবে ৰাইজে ভৰসা কৰা নাই।'

## 'লেঙটা বাবালৈকে মাতিছে, মোলৈ নিমন্ত্ৰণ নাই'; অখিল গগৈৰ ক্ষোভ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১২ মে' ঃ** গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত মঙলবাৰে ভব্য আয়োজনেৰে অনুষ্ঠিত হয় অসমৰ মুখ্যমন্ত্ৰী তথা মন্ত্ৰীসকলৰ শপতগ্ৰহণ অনুষ্ঠান। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি বহু কেন্দ্ৰীয় মন্ত্ৰী, এনডিএ শাসিত ২২খন ৰাজ্যৰ মুখ্যমন্ত্ৰী- ▫ ৬ পৃষ্ঠাত

নিষ্ঠা আৰু একাগ্ৰতাই সাফল্য প্ৰদান কৰে ঃ জয়া দাস

# ৰঙিয়াত অসম লেখিকা সমাজৰ আন্তৰ্জাতিক মাতৃ দিৱস উদ্‌যাপন




**অসম বাৰ্তা, ৰঙিয়া, ১১ মে' ঃ** একাগ্ৰতা আৰু সাধনাই সাধাৰণ মহিলা এগৰাকীকো পৃথিৱী বিখ্যাত কৰি তোলে। বিখ্যাত চলচ্চিত্ৰ পৰিচালিকা ৰীমা দাসৰ চিনেমা জগতত অৰ্জা কৃতিত্বৰ কথা ব্যাখ্যা কৰি তেখেতৰ আদৰ্শ মাতৃ তথা বিশিষ্ট সমাজ সেৱীকা জয়া দাসে এই বুলি মন্তব্য আগবঢ়াই। ৰঙিয়াৰ ঐতিহ্যমণ্ডিত হৰদত্ত-বীৰদত্ত ভৱনত আজি অসম লেখিকা সমাজৰ উদ্যোগত আৰু কামৰূপ জিলা লেখিকা সমাজৰ আতিথ্যত আন্তৰ্জাতিক মাতৃ দিৱসৰ মুকলি সভাত মুখ্য অতিথি হিচাবে বক্তব্য ৰাখি এনেদৰে কয় জয়া দাসে। পুৱা প্ৰতিনিধিৰ পঞ্জীয়নৰ পিছতে অসম লেখিকা সমাজৰ সভাপতি পদুমী গগৈৰ পৌৰহিত্বত অনুষ্ঠানৰ মুখ্য বন্তি প্ৰজ্বলন কৰে কামৰূপ জিলা লেখিকা সমাজৰ সভাপতি সবিতা বৰ্মন মজুমদাৰ আৰু বহুকেইগৰাকী বিশিষ্টা লেখিকাই। সুধাকণ্ঠ ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলনেৰে স্মৃতি তৰ্পণ কৰে মুখ্যতঃ তামোলপুৰৰ অতিৰিক্ত জিলা আয়ুক্ত হেমাশ্ৰী খনিকৰে আৰু বিভিন্ন জিলাৰ বহুকেইগৰাকী বিষয়ববীয়াই। গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে কেন্দ্ৰীয় উপ সভাপতি নীলিমা গগৈয়ে, থলুৱা শিল্প প্ৰদৰ্শনী 'অতুলনীয় বৈভৱ'ৰ দ্বাৰ উদঘাটন কৰে কেন্দ্ৰীয় উপ সভাপতি ড° দিলোৱাৰা বেগমে, প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে কামৰূপ জিলা লেখিকা সমাজৰ উপ সভাপতি ৰীণা কলিতা মহন্তই, গ্ৰন্থ প্ৰদৰ্শনী উদ্বোধন কৰে তামোলপুৰ জিলা লেখিকা সমাজৰ মাধুৰী দাসে। ভক্তিমূলক গীতৰ অনুষ্ঠান 'অমৃত নদী' উদ্বোধন কৰে কেন্দ্ৰীয় উপ সভাপতি দীপ্তি গগৈ বৰুৱাই। ৰঙিয়া জিলা লেখিকা সমাজৰ শিল্পীবৃন্দৰ সমবেত সংগীত পৰিবেশনেৰে আৰম্ভণি কৰা মুকলি সভাত পৌৰহিত্ব কৰে কেন্দ্ৰীয় সভাপতি পদুমী গগৈয়ে। নিৰ্দিষ্ট বক্তা হিচাবে অংশগ্ৰহণ কৰে কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি বেণু মহন্তই। অনুষ্ঠানত ডলী কলিতা আৰু চানু কলিতাৰ সম্পাদনাত প্ৰকাশিত কামৰূপ জিলা লেখিকা সমাজৰ মুখপত্ৰ 'জিকেৰি' উন্মোচন কৰে সাংস্কৃতিক মহাসভা, অসমৰ সভাপতি পবিত্ৰ কুমাৰ শৰ্মাই, সবিতা বৰ্মনৰ কাব্যগ্ৰন্থ 'ৰ'দৰ আশা' উন্মোচন কৰে জেষ্ঠ অধিবক্তা হিৰণ্য চৌধুৰীয়ে, মামনি লহকৰৰ কাব্যগ্ৰন্থ 'অনামী সুবাস' উন্মোচন জেষ্ঠ সমাজ কৰ্মী তথা বিশিষ্ট ব্যৱসায়ী কৈলাস জৈনে। সাংস্কৃতিক সম্পাদক ৰীতা পাচনীয়ে পৰিচালনা কৰা নৃত্য শিল্পী নিষ্ঠা কাশ্যপ, সাধনা ডেন্স একাডিমীৰ নৃত্যানুষ্ঠান মহিলা নাম দল আদিৰে মহিলা সকলৰ বিচাত্ৰানুষ্ঠান উদ্বোধন কৰে বিশিষ্ট বোলছবি পৰিচালক পংকজ পল্লব শৰ্মাই। অসম লেখিকা সমাজে এইবেলি স্নেহময়ী গান্ধাৰী গগৈ সোঁৱৰণি সফল মাতৃ বঁটা প্ৰদান কৰে কৰৈবাৰীৰ বিমলা ডেকালৈ। লগতে বঁটা প্ৰদান অনুষ্ঠানত প্ৰেৰণাময়ী মাতৃ বঁটা প্ৰাপকসকল হ'ল ক্ৰমে জয়মতী দেৱী, প্ৰভা ডেকা, তৰুলতা দেৱী, লাৱণ্য বালা দাস, নিৰুপমা শইকীয়া, অৰুণা গোস্বামী, চৈয়দা চুফিয়া বেগম, বেণুশ্ৰী লহকৰ, হীৰা লহকৰ, গুলেশ্বৰী লহকৰ, ববিতা কলিতা, লাৱণ্য শইকীয়া, মনোৰমা দাস, চন্দ্ৰপ্ৰভা হুজুৰী বৰ্মন, গোলাপ লতা গোস্বামী আৰু আইকন কলিতা। অনুষ্ঠানত সন্মানীয় আমন্ত্ৰিত অতিথি হিচাবে অংশগ্ৰহণ কৰে এ ছি এচ বিষয়া কল্পনা ডেকা, উপ সভাপতি দিপ্তী গগৈ, নলবাৰী জিলা লেখিকা সমাজৰ উপদেষ্টা গোবিন্দ কলিতা, অৱসৰপ্ৰাপ্ত অধ্যাপক পবিন কলিতা, ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দীপক কলিতা, দৰং জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষ ভূপেন দাস, কামৰূপ জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক জয়ন্ত জিত কলিতা, যুৱ সংসদৰ আহ্বায়ক হেমন্ত কলিতা, কাৰ্যবাহী অভিযন্তা বসন্ত ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক পবিত্ৰ কলিতা, বিশিষ্ট সমাজ সেৱিকা সুৰভী লহকৰ, কবি উজ্জ্বল ডেকা, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক মুকুল ভূএগ, ৰঙিয়াৰ স্থানীয় সাংবাদিকসকল প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে। অসমৰ প্ৰায় সকলো জিলাৰ লেখিকা সমাজৰ বিষয়ববীয়া আৰু প্ৰতিনিধিৰ অংশগ্ৰহণেৰে উদ্‌যাপিত দিনযোৰা কাৰ্যসূচীৰ সফল ৰূপায়ণত উপস্থিতি আৰু সহযোগিতা আগবঢ়োৱা সকলোলৈ আন্তৰিকতাৰে ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰদান কৰে আদৰণি সমিতিৰ সভাপতি ভৱেশ কলিতা, কাৰ্যকৰী সভাপতি অনুপমা দেৱী, সম্পাদক দিপালী তালুকদাৰ আৰু কামৰূপ জিলা লেখিকা সমাজৰ সভাপতি সবিতা বৰ্মন মজুমদাৰ, উপ সভাপতি ৰীণা কলিতা মহন্ত, সম্পাদক মামনি লহকৰ তথা উদ্যোক্তাসকলে। উল্লেখ্য যে অনুষ্ঠানৰ প্ৰচাৰ সহযোগী (মিডিয়া পাৰ্টনাৰ) হিচাবে আছিল প্ৰাগ নিউজ আৰু দৈনিক জনমভূমি।

লক্ষ্মীমপুৰত দুৰ্ঘটনাত নিহত প্ৰতিভাসম্পন্ন যুৱক ইলিয়াছৰ জানাজা সম্পন্ন

# বৰপেটাৰ মাজদিয়াৰ সাংস্কৃতিক কৰ্মী ইলিয়াছ ৰহমানৰ অকাল বিয়োগ

**অসম বাৰ্তা, দৌলাশাল, ১১ মে' ঃ** কালি পুৱতি নিশা এক পথ দুৰ্ঘটনাত নিহত হোৱা বৰপেটা জিলাৰ সৰ্থেবাৰী থানাৰ অন্তৰ্গত মাজদিয়া গাঁৱৰ প্ৰতিভাসম্পন্ন যুৱক তথা সাংস্কৃতিক কৰ্মী ইলিয়াছ ৰহমান(জেক ইৰফান)ৰ আজি পুৱা ৯ বজাত সহস্ৰাধিক লোকৰ উপস্থিতিত স্থানীয় কবৰস্থানত জানাজা নামাজ সম্পন্ন কৰা হয়। বৰপেটা জিলাৰ মাজদিয়া গাঁৱৰ অৱসৰপ্ৰাপ্ত গ্ৰামসেৱক হবিবৰ ৰহমান আৰু নাজমা ৰহমানৰ কনিষ্ঠ পুত্ৰ ইলিয়াছ ৰহমানে (২৪) সাংস্কৃতিক জগতখনত খোজ পেলাই খুব কম সময়তে অসমৰ কেইবাগৰাকীও জনপ্ৰিয় গায়কৰ সান্নিধ্য লাভ কৰি নিজৰ কৰ্মক্ষেত্ৰত আগুৱাই যাবলৈ সক্ষম হৈছিল। ডিজিটেল মিউজিক ডিষ্ট্ৰীবিউটৰ হিচাপে কাম কৰা ইলিয়াছে আনকি অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰো সান্নিধ্য লাভ কৰিছিল। উল্লেখ্য যে যোৱা ১০ মে'ত ধেমাজিৰ মৰিধলৰ ২ নং লক্ষ্মীপথাৰ কৈৱৰ্ত গাঁৱত অনুষ্ঠিত হ'বলগীয়া নীল বিকাশৰ সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ এদিন পূৰ্বে ইলিয়াছে গুৱাহাটীৰ পৰা নৈশ বাছেৰে গৈ ধেমাজিত উপস্থিত হৈছিল। ১০ মে'ৰ পুৱতি নিশা গায়ক নীল বিকাশে ইলিয়াছক লগত লৈ চাৰিচকীয়া বেলেনো বাহনেৰে ধেমাজিৰ পৰা লক্ষ্মীমপুৰলৈ আহিছিল তিনিগৰাকী বাদ্যযন্ত্ৰী নিবলৈ। লক্ষ্মীমপুৰত কণ্ঠশিল্পী পাপৰি গগৈৰ স'তে ৯ মে'ৰ নিশা বাদ্যসংগত কৰা তিনিগৰাকী বাদ্যযন্ত্ৰীক নিবলৈ অহাৰ সময়ত কালি পুৱা প্ৰায় ৪ মান বজাত লক্ষ্মীমপুৰ জিলাৰ বগীনদী থানাৰ অন্তৰ্গত কাকৈৰ দলঙৰ সমীপত ইলিয়াছহঁতৰ চাৰিচকীয়া বেলেনো বাহনখনৰ স'তে এখন এল্টো বাহনৰ মুখামুখি সংঘৰ্ষ হৈ দুয়োখন বাহন দ' খাৱৈত পৰি যায়। দুৰ্ঘটনাটো ইমানেই ভয়াবহ আছিল যে থিতাতেই ইলিয়াছ ৰহমানৰ মৃত্যু হয়। এল্টো বাহনখনত থকা যুৱক চাৰিজন ঘটনাস্থলীৰ পৰা পলায়ন কৰে বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত লগে লগে বগীনদী থানাৰ আৰক্ষী উপস্থিত হৈ ইলিয়াছ ৰহমানৰ মৃতদেহ উদ্ধাৰ কৰি লক্ষ্মীমপুৰ চিকিৎসা মহাবিদ্যালয় হস্পিতালয়লৈ প্ৰেৰণ কৰে। আনহাতে আহত নীল বিকাশকো আৰক্ষীয়ে চিকিৎসালয়ত ভৰ্তি কৰায়। লক্ষ্মীমপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক গুণেন্দ্ৰ ডেকা, জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (সদৰ) লৱ কুমাৰ দাস, লক্ষ্মীমপুৰৰ জ্যেষ্ঠ সাংবাদিক বুবুল হাজৰিকাৰ তৎপৰতাত আৰক্ষী আৰু লক্ষ্মীমপুৰ চিকিৎসা মহাবিদ্যালয় হস্পিতালৰ চিকিৎসক আৰু কৰ্মচাৰীয়ে ইলিয়াছ ৰহমানৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ যাৱতীয় ব্যৱস্থা সুচাৰুৰূপে সম্পন্ন কৰি মৃতদেহ পৰিয়ালক চমজাই দিয়াত তেওঁলোকক কৃতজ্ঞতা জ্ঞাপন কৰে ইলিয়াছ ৰহমানৰ পৰিয়ালৰ লোকে। উল্লেখ্য যে জনপ্ৰিয় কণ্ঠশিল্পী তৰুণ তন্ময়ৰ খুলশালীয়েক আছিল ইলিয়াছ ৰহমান। ইলিয়াছ ৰহমানৰ অকাল বিয়োগত মাজদিয়া অঞ্চলত শোকৰ ছাঁ পৰিছে। ইলিয়াছৰ মৃত্যুত পৰিয়াটোৰ মূৰত যেন সৰগ ভাঙি পৰিছে, আত্মীয়-স্বজন শোকত বিহ্বল হৈ পৰিছে। সদৌ অসম সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক নকুল তালুকদাৰ, সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ উপদেষ্টা কামৰুজ জামান, বিৰিণা গোষ্ঠী, অসমৰ সভাপতি সম্পাদক ক্ৰমে জিয়াউৰ ৰহমান আৰু বনজিৎ বৈশ্য, মাজদিয়া পুৰাণপাড়া বড় জামে মছজিদ পৰিচালনা সমিতিৰ সভাপতি অৱসৰপ্ৰাপ্ত শিক্ষক আলহাজ ইদ্ৰিছ আলী, মাজদিয়া-গৰেমাৰী নতুন পাড়া জামে মছজিদ পৰিচালনা সমিতিৰ সভাপতি অধিবক্তা আনোৱাৰ হুছেইন, সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ বৰপেটা জিলা সমিতিৰ সভাপতি মৌচম নাজিম, চেঙা ঐক্য সন্মিলনৰ সম্পাদক চিন্ময় ডেকা, চেঙা বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক আব্দুৰ ৰহিম আহমেদ, কংগ্ৰেছৰ নেতা চলন্ত খান, বৰপেটা জিলা পৰিষদৰ প্ৰাক্তন সদস্য বাবুল আলী, ১৯ নং হৰিপুৰ জিলা পৰিষদৰ সদস্য হাইদৰ আলী আহমেদ, মাজদিয়া গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা আৰবিন চুলতানাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তি বিশেষে ইলিয়াছৰ মৃত্যুত শোক প্ৰকাশ কৰি মৃতকৰ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

# নাহৰকটীয়াত 'উৰ্বিজা'ৰ উদ্যোগত "প্ৰতিভা প্ৰাঙ্গন" অনুষ্ঠিত

**অসম বাৰ্তা, নাহৰকটীয়া, ১১ মে' ঃ** নাহৰকটীয়া কুঁৱৰী গাঁৱত "উৰ্বিজা" আৰু ৰাধেশ্যাম তোদি জাতীয় বিদ্যালয়ৰ উদ্যোগত গজৰাজ গড়ঁদেৱৰ সোঁৱৰণীত শৈক্ষিক প্ৰতিযোগিতা অনুষ্ঠান "প্ৰতিভা প্ৰাংগণ" অনুষ্ঠিত কৰা হয়। উৰ্বিজা নামৰ বেচৰকাৰী সংস্থাতিয়ে বিগতৰ বহুতো শিক্ষা, ক্ৰীড়া আৰু সংস্কৃতিৰ ওপৰত প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে। সমান্তৰালকৈ আজিও এই সংস্থাতিয়ে ৰাধেশ্যাম তোদি জাতীয় বিদ্যালয়ৰ সহযোগত এটা শৈক্ষিক অনুষ্ঠান আয়োজন কৰে। অনুষ্ঠানত দহ খনকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। বিভিন্ন বিষয়ৰ ওপৰত বক্তৃতা, কুইজ, তৰ্ক আৰু চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তৃতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী মাজত অনুষ্ঠিত কৰা প্ৰতিযোগিতাৰ সমূহৰ বিচাৰক হিচাপে উপস্থিত থাকে ক্ৰমে কীৰ্তি শিক্ষতি নিজু ৰাভা, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰভাত চাংমাই, শিক্ষতি স্মিতা গগৈ আৰু সুজাতা তাঁতী। অনুষ্ঠানত উপস্থিত থাকে অৱসৰপ্ৰাপ্ত চিকিৎসক ডাঃ নৰেশ্বৰ বৰা, বিশিষ্ট সমাজকৰ্মী উৎপল নেওগ, দেবজিত গগৈ, পলাশ চেতিয়া, প্ৰবাল কেওঁট, ঝৰ্ণা চাৰিঙীয়া ফুকন আৰু আছা ডিব্ৰুগড় জিলাৰ সম্পাদক মুখেল পূৰ্তি। অনুষ্ঠানটো সঞ্চালনা কৰে অসমৰ পৰিচিত কবি সুৰম্য প্ৰীয়দৰ্শনে। সভাত উৰ্বিজাৰ সভাপতি শৰৎ চাৰিঙীয়া ফুকনে মন্তব্যত কয় যে উৰ্বিজা এটা অনুষ্ঠান য'ত ছাত্ৰ-ছাত্ৰীয়ে নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ সকলোকে সমভাৱে সুযোগ আৰু সুবিধা প্ৰদান কৰা হয়।

# বকোৰ খলিহাকোঠ পৰিষদীয় সমষ্টিত নগৰমল স্বৰ্গীয়াৰীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ জলপানিৰ খৰচৰ চেক বিতৰণ

**অসম বাৰ্তা, বকো, ১১ মে' ঃ** অসম চৰকাৰৰ দ্বাৰা গঠিত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ জৰিয়তে দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ ছাত্ৰীক বছৰে বছৰে এক কালীন ৰাজ সাহায্য প্ৰদান কৰি আহিছে। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ নগৰমল স্বৰ্গীয়াৰীৰ বিশেষ উদ্যোগ। ২৩ নং খলিহাকোঠ পৰিষদীয় সমষ্টিটোৰ এলেকাধীন যোগ্য বিবেচিত দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক বাছনি কৰি জলপানি প্ৰদান পাৰিষদ গৰাকীৰ। ২৩ নং খলিহাকোঠ পৰিষদীয় সমষ্টিৰ অন্তৰ্গত তিনিঘৰীয়া কদমতলী সাপ্তাহিক বজাৰত দৰিদ্ৰ মেধাৱী ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিষদৰ কাৰ্য্যবাহী সদস্য তথা সমাজৰ জনপ্ৰিয় নেতা নগৰমল স্বৰ্গীয়াৰীয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত চৰকাৰী চেক বিতৰণ কৰে। উল্লেখ্য যে, উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰ্যায়ত পঢ়ি থকা মুঠ ২৭ গৰাকী ছাত্ৰ-ছাত্ৰীক বিতৰণ কৰা হয় এই জলপানি। উচ্চতৰ মাধ্যমিক শাখাৰ ১৫ গৰাকীক ৩, ৫০০ টকা আৰু স্নাতক পৰ্যায়ৰ ১২ গৰাকীক ৪ হাজাৰ টকাকৈ আৰ্থিকভাৱে জুৰুলা শিক্ষাৰ্থীক জলপানি প্ৰদান কৰা হয়। ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত প্ৰতি বছৰে দৰিদ্ৰ মেধাৱী ছাত্ৰ-ছাত্ৰীৰ মাজত শৈক্ষিক দিশত উত্তৰণ হ'ব পৰাকৈ জলপানিৰ ব্যৱস্থা কৰি আহিছে বুলি জনায় কাৰ্যবাহী সদস্য গৰাকীয়ে। চেক বিতৰণ কৰি নেতা নগৰমল স্বৰ্গীয়াৰীয়ে ভাষণ প্ৰসংগত কয় যে; চৰকাৰৰ অভিলাষী আঁচনিয়ে নতুন প্ৰজন্মৰ মাজত এক প্ৰতিযোগিতাৰ সৃষ্টি কৰিছে। পৰিষদৰ তৰফৰ পৰা যোগ্য বিবেচিত শিক্ষাৰ্থীক বিনামূলীয়াকৈ নাৰ্ছিং পাঠ্যক্ৰম, থকা খোৱাৰ ব্যৱস্থাপনাৰে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ উদ্যোগ লৈ আহিছে পৰিষদে। এনেধৰণৰ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত জলপানিৰ ব্যৱস্থাপনাক ভূয়সী প্ৰশংসা কৰে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলে। ছাত্ৰ-ছাত্ৰীৰ মাজত অৰ্থৰ সমস্যা কিছু হ'লেও সকাহ দিব। আজি ২৩ নং খলিহাকোঠ পৰিষদীয় সমষ্টিৰ তিনিঘৰীয়াত সমষ্টিৰ অন্তৰ্গত গাঁৱৰ পৰা মুঠ ২৭ গৰাকী ছাত্ৰ-ছাত্ৰীক এক কালীন সাহায্যৰ চেক বিতৰণ কৰা হয়। ইয়াৰ ভিতৰত উচ্চতৰ মাধ্যমিকৰ ১৫ গৰাকী আৰু স্নাতক মহলাৰ মুঠ ১২ গৰাকীক জলপানিৰ চেক বিতৰণ কৰে। দৰিদ্ৰ পৰিয়ালৰ সন্তানৰ আৰ্থিক সকাহৰ বাবে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ জৰিয়তে এই চেক প্ৰদান কৰে বুলি জানিব দিয়ে নগৰমল স্বৰ্গীয়াৰীয়ে। চেক বিতৰণ অনুষ্ঠানত বহু কেইজন দলীয় কৰ্মী আৰু বিষয় ববীয়াই সহযোগ আগবঢ়ায়।

# কৰ্মৰত বিষয়া কৰ্মচাৰীক বদলি কৰাৰ দাবী ধেমাজি জিলা যুৱ পৰিষদৰ

**অসম বাৰ্তা, ধেমাজি, ১১ মে' ঃ** বিভিন্ন চৰকাৰী কাৰ্যালয়ত বছৰ বছৰ ধৰি একে স্থানতে কৰ্মৰত হৈ থকা বিষয়া-কৰ্মচাৰীসকলৰ শীঘ্ৰে বদলিৰ দাবী জনাইছে অসম জাতীয়তাবাদী যুৱ পৰিষদ ধেমাজি জিলা সমিতিয়ে। অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি উজ্জ্বল কুমাৰ চুতীয়াই আজি ধেমাজি জিলা আয়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰি কয় যে অসম চৰকাৰৰ বদলি কৰণ নিয়মাৱলী মতে বিষয়াই হওক বা কৰ্মচাৰীয়েই হওক তিনি বছৰৰ ওপৰত একে ঠাইতে নিযুক্তি হৈ থকা কেতবোৰ নীতি নিয়ম উপলব্ধ। কিন্তু খোদ ধেমাজি জিলা আয়ুক্ত কাৰ্যালয়ৰ লগতে ইয়াৰ অধীনস্থ কে'বাটাও বিভাগ আৰু কাৰ্যালয়বোৰত একাংশ কৰ্মচাৰী ১০ৰ পৰা ৩০ বছৰ ধৰি একেটা কাৰ্যালয়তে আৰু একেটা পদতে নিযুক্তি হৈ আছে। তদুপৰি বহু উল্লিখিত কৰ্মচাৰীসকল গৃহ অঞ্চলতে কাৰ্যনিৰ্বাহ কৰি বিভিন্ন দুৰ্নীতি আৰু কেলেংকাৰীত নিমজ্জিত হোৱা দেখা গৈছে। সংগঠনটোৱে তথ্য জনাৰ অধিকাৰ আইনৰ পৰা এনে বহু তথ্য লাভ কৰাৰ লগতে আইন মতে বদলিকৰণৰ নিয়মাৱলী আৰু মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা উলংঘা কৰা হৈছে বুলি উল্লেখ কৰে। এইসকল কৰ্মচাৰীক বদলিকৰণ আইন অমান্য কৰি কিদৰে বছৰ বছৰ ধৰি একেই স্থানতে কৰ্মৰত হৈ থাকিব পাৰিছে বুলি প্ৰশ্ন কৰি শীৰ্ঘে উক্ত বহু বিতৰ্কিত কৰ্মচাৰীক বদলি কৰি আইনখন অতিশীঘ্ৰে কাৰ্যকৰী কৰি তুলিবৰ বাবে দাবী জনায়। অন্যথা সংগঠনটোৱে ৰাষ্ট্ৰীয় ঘাই পথ অৱৰোধকে ধৰি গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে।

# মাজুলী মহাবিদ্যালয় ছাত্ৰী নিৱাসৰ বিদায় সম্বৰ্ধনা সভা

'আমাৰ সন্মুখৰ পৃথিৱীখন সুন্দৰ অথচ কণ্টকাকীৰ্ণ'

**অসম বাৰ্তা, মাজুলী, ১১ মে' ঃ** মাজুলী মহাবিদ্যালয় ছাত্ৰী নিৱাসৰ জ্যেষ্ঠা আৱাসীসকলক আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনোৱাৰ উদ্দেশ্যেৰে আজি বিয়লি মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহত এখনি বিশেষ বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে ধূপ-দীপ আৰু কপালত চন্দনৰ তিলক পিন্ধাই বিদায়ী আৱাসীসকলক ছাত্ৰী নিৱাসৰ মুখ্য অধীক্ষক ড° ৰূপজ্যোতি বৰা, অধীক্ষক দীনেশ পেগু, অধ্যাপিকা ড° সুদৰ্শনা ফুকন, প্ৰজ্ঞা পাৰমিতা কৌশিক প্ৰমুখ্য আৱাসীসকলে আনুষ্ঠানিকভাৱে আদৰণি জনায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা আৰম্ভ হয় ন-পুৰণি আৱাসীসকলৰ দ্বাৰা পৰিৱেশিত সমৱেত সংগীতেৰে। আয়োজক সমিতিৰ আহ্বায়ক জানমণি নৰহে আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সেউজী মিলিয়ে। সভাপতিৰ মন্তব্যত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "আমাৰ সন্মুখৰ পৃথিৱীখন সুন্দৰ অথচ কণ্টকাকীৰ্ণ। এতেকে, এইখনক নিজৰ উপযোগীকৈ গঢ়ি ল'ব লাগিব আমিয়েই। এই গঢ়ি-পিটি লোৱা কামটো ছাত্ৰাৱস্থাৰ পৰাই কৰিব লাগিব।" আজিৰ সভাতে ছাত্ৰী নিৱাসৰ বিদায়ী আৱাসীসকলৰ উদ্যোগত প্ৰথমবাৰৰ বাবে প্ৰকাশিত মিতালী কলিতা সম্পাদিত হাতে লিখা আলোচনী উন্মোচন 'ঊষা' উন্মোচন কৰে অধ্যক্ষ তথা সভাৰ সভাপতি ড° দেৱজিৎ শইকীয়াই। সভাত বক্তব্য আগবঢ়াই ছাত্ৰী নিৱাসৰ মুখ্য অধীক্ষক ড° ৰূপজ্যোতি বৰাই কয়— "বৰ্তমানৰ প্ৰতিযোগিতামূলক ব্যৱস্থাত নিজকে খাপ খুৱাবলৈ শিক্ষাৰ্থীসকল কঠোৰ পৰিশ্ৰম কৰিবই লাগিব। অনুসন্ধিৎসু মন এটাৰে আগবঢ়া কোনো শিক্ষাৰ্থীয়ে জীৱনত পিছলৈ ঘূৰি চাব লগা নহয়।" সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহযোগী অধ্যাপিকা প্ৰণীতা ৰাজখুৱাই হোষ্টেলীয়া জীৱনৰ পৰা শিকাখিনিয়ে কেনেকৈ ভৱিষ্যত জীৱনত সহায়ক হয় সেই সম্পৰ্কে উল্লেখ কৰে। বিশিষ্ট অতিথিৰ ভাষণ আগবঢ়ায় ছাত্ৰী নিৱাসৰ অধীক্ষক অধ্যাপক দীনেশ পেগু, অধ্যাপিকা ড° সুদৰ্শনা ফুকন, ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিভাগৰ স্নাতকোত্তৰ শিক্ষয়িত্ৰী বিনীতা ৰাজখোৱা বৰুৱা আৰু মেৰাগড় নাৰায়ণদেৱ উচ্চতৰ মাধ্যমিক বদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষয়িত্ৰী পুৰ্থিমী হাঞ্চেপীয়ে। মহাবিদ্যালয় ছাত্ৰাৱাসৰ অধীক্ষক অধ্যাপক আচাৰ্য মোহন দাস, অধ্যাপক বিজয় টিমুং, গড়মূৰ পীতাম্বৰদেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষয়িত্ৰী দুলুমণি শইকীয়া প্ৰমুখ্য বিশিষ্ট অতিথিসকল উপস্থিত থকা সভাত ৰিম্পী পাংগিঙৰ আধুনিক গীত, চিম্পী দাসৰ নৃত্য, বিদায়ী আৰু নিয়মীয়া আৱাসীসকলে পৃথকে পৃথকে পৰিৱেশন কৰা সমূহীয়া গীতে সকলোকে আপ্লুত কৰে। সভাত ছাত্ৰী নিৱাসৰ মণিটৰ ছায়াশ্ৰী মিছং, ৰেখা ভূঞা, অণিমা হাজৰিকা, মাধৱী হলদাৰ, দীপা হলদাৰ, বাতাসী হলদাৰ, লুকু শইকীয়া, আলোমতী হলদাৰ, ভৰেন শইকীয়া, প্ৰশান্ত পায়েং, মাণিক ৰেগন, অনন্ত পায়েঙকে মুখ্য কৰি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# ৰূপহীহাটত গ্ৰেপ্তাৰ ৪ জোৱাৰী; জব্দ নগদ ধন, ম'বাইল ফোন

**অসম বাৰ্তা, ৰূপহীহাট, ১১ মে' ঃ** ৰূপহীহাটত জোৱাৰীৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। য়োৱানিশা আমবাগান আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি আমবাগান বজাৰত জোৱাৰীৰ বিৰুদ্ধে অভিযান চলায়। আৰক্ষীৰ অভিযানত ৪জন জোৱাৰীক গ্ৰেপ্তাৰৰ লগতে জোৱা খেলৰ সামগ্ৰী, নগদ ৯০৩০ টকা আৰু ম'বাইল ফোন জব্দ কৰে। আমবাগান আৰক্ষীৰ জালত পৰা জোৱাৰী কেইটা হল প্ৰদীপ দাস, দুলাল দাস, আবু শ্বাহিদ আৰু আশ্ৰফ আলী। আমবাগান আৰক্ষীয়ে ধৃত ৪ জনক জেৰা কৰি জেল হাজতলৈ প্ৰেৰণ কৰে।

সন্মিলনৰ লগত জড়িত দহ গৰাকী প্ৰয়াত ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি

# দুধনৈ ঠেকাচু কৃষ্টি সংঘৰ সৌজন্যত ৪৮ সংখ্যক ঠেকাচু ব'হাগী বিদায় সন্মিলন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১১ মে' ঃ** ৰাজ্যৰ চৌপাশে এতিয়া বহাগীক বিদায় দিয়াৰ ব্যাপক প্ৰস্তুতি। ইয়াৰ মাজতে আজি দুধনৈৰ জ্ঞানদায়িনী পুঁথিভৰাল প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয় ৪৮সংখ্যক ঠেকাচু বহাগী বিদায় সন্মিলন। ঠেকাচু কৃষ্টি সংঘৰ সৌজন্যত আয়োজিত এই অনুষ্ঠানত পৰম্পৰাগত ৰীতি-নীতিৰে বিহুৰ লগতে বিভিন্ন জনগোষ্ঠীয় কৃষ্টি প্ৰদৰ্শন কৰা হয়। দুধনৈৰ জ্ঞানদায়িনী পুঁথিভৰাল প্ৰাংগণত আজি পুৱাৰে পৰা এক উখল-মাখল পৰিৱেশ। ঠেকাচু বহাগী বিদায় সন্মিলনৰ উদ্যোগত আৰু ঠেকাচু কৃষ্টি সংঘৰ সৌজন্যত আয়োজিত এই সন্মিলনৰ শুভাৰম্ভ কৰা হয় পতাকা উত্তোলনেৰে। বিহু পতাকা উত্তোলন কৰে ৪৮ সংখ্যক ঠেকাচু বহাগী বিদায় উদ্‌যাপন সমিতিৰ সভাপতি বিনয়কৃষ্ণ ৰাভাই। তাৰ সমান্তৰালকৈ ঠেকাচু ৰাভা কৃষ্টি সংঘৰ পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ উপদেষ্টা প্ৰফুল্ল ৰাভাই। পতাকা উত্তোলনৰ লগত সংগতি ৰাখি "শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে উছৱৰ মধু আলোড়ন" গীতটি আৰু কৃষ্টি সংঘৰ গীত পৰিবেশন কৰে স্থানীয় যুৱতী বোৱাৰী সকলে। ইয়াৰ পাছতে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ধৰণী পামে স্মৃতি তৰ্পণ কৰে। আনহাতে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ জৰিয়তে ঠেকাচু কৃষ্টি সংঘৰ লগত জন্মলগ্নৰে পৰা ওতপ্ৰোত ভাবে জড়িত হৈ থকা ১০ গৰাকী প্ৰয়াত ব্যক্তি ক্ৰমে হিমাৰাণী ৰাভা, ৰঘুনাথ ৰাভা, গণিল ৰাভা, প্ৰকাশ ৰায়, বভ্ৰুবাহন ৰাভা, সবিতা ৰাভা, অমুল্য তালুকদাৰ, মধু সূত্ৰধৰ, জীনু ৰাভা আৰু গুঞ্জলতা নাথলৈ ভক্তিপূৰ্ণ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। সংঘৰ লগত জড়িত প্ৰয়াত ব্যক্তি সকলৰ পৰিয়াল বৰ্গক উদ্‌যাপন সমিতিৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। গোৱালপাৰা জিলা সাহিত্য সভাৰ সহঃসম্পাদক বিশ্বজিৎ বৰ্মণে উন্মোচন কৰে সন্মিলনৰ প্ৰাচীৰ পত্ৰিকা। এইখন মঞ্চতে দুধনৈৰ তিনিগৰাকী সমাজকৰ্মী ক্ৰমে খনীন্দ্ৰ নাথ সৰকাৰ ৰাভা, জগত চন্দ্ৰ নাথ আৰু সুবৰ্ণ ৰাভাক একোটাকৈ জাপি সম্বৰ্ধনা পত্ৰ আৰু ফুলাম বিহুৱানেৰে সম্বৰ্ধনা জনোৱাৰ উপৰিও সমাজৰ জেষ্ঠ্য ব্যক্তি সকলকো সন্মান জনোৱাৰ লক্ষ্যেৰে অনুষ্ঠিত হয় আন এক বিশেষ সম্বৰ্ধনা অনুষ্ঠান। আজি দিনৰ ভাগত অনুষ্ঠিত হোৱা এই বিশেষ অনুষ্ঠানৰ মূল আকৰ্ষণ আছিল বাৰেৰহণীয়া কৃষ্টি প্ৰদৰ্শন। বিহু নাচৰ লগতে ৰাভা আৰু বড়ো জনগোষ্ঠীৰ লোকনৃত্যই প্ৰাণৱন্ত কৰি তোলে জ্ঞানদায়িনী পুঁথিভৰালৰ প্ৰাংগণ। সম্প্ৰীতিৰ এই মঞ্চত দেখা গ'ল খিলঞ্জীয়া সংস্কৃতিৰ এক অপূৰ্ব মিলন। উল্লেখ্য যে, দিনৰ এই কাৰ্যসূচীৰ সমূহৰ অন্তত নিশালৈ অসমীয়াৰ প্ৰাণৰ শিল্পী হিয়াৰ আমঠু জুবিন গাৰ্গ সোঁৱৰণি সাংস্কৃতিক মঞ্চত স্থানীয় শিল্পীৰ লগতে আমন্ত্ৰিত জনপ্ৰিয় শিল্পী ক্ৰমে নিতুল দাধৰা, মৌপ্ৰিয়া গগৈ, দিব্যজ্যোতি গগৈ আৰু ৰাহুল ৰাজৰ গীত-মাতেৰে সকলোকে আপ্লুত কৰিব।

# গোৰেশ্বৰৰ নিজঝাৰগাঁৱত নিশামণি হালৈৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

নিশামণি হালৈৰ নামেৰে পথ নিৰ্মাণৰ আধাৰশিলা স্থাপন বিটিচিৰ ইএম গণেশ কছাৰীৰ

**অসম বাৰ্তা, গোৰেশ্বৰ, ১১ মে' ঃ** ২৫ এপ্ৰিলৰ অভিশপ্ত নিশা তামোলপুৰৰ নোৱাখাটাত সংঘটিত এক ভয়াবহ পথ দুৰ্ঘটনাত একালতে প্ৰাণ হেৰুওৱা নাগাৰা নামৰ জনপ্ৰিয় পাঠিকা তথা বিহুৱতী নিশামণি হালৈৰ কালি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠিত হয়। জানিব পৰা মতে, জিলাখনৰ গোৰেশ্বৰৰ নিজঝাৰগাঁৱৰ দৌল মন্দিৰ প্ৰাংগণত ৰাইজৰ সহযোগত অনুষ্ঠিত হয় ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। পুৱা বন্তি প্ৰজ্বলন, সৰ্বধৰ্ম প্ৰাৰ্থনা, স্মৃতিচাৰণ সভা, স্মৃতিগ্ৰন্থ উন্মোচন, নিশামণি হালৈৰ নামত পথ নিৰ্মাণ কাৰ্য উদ্বোধন কৰাৰ লগতে বিহুনাম, নাগাৰা নাম প্ৰদৰ্শনেৰে দিনজোৰা কাৰ্যসূচীৰে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। নিশামণি হালৈৰ নামেৰে নিৰ্মাণ হ'বলগীয়া পথৰ আধাৰশিলা স্থাপন কৰি বিটিচিৰ জলসিঞ্চন বিভাগৰ কাৰ্যবাহী সদস্য গণেশ কছাৰীয়ে নিশামণি হালৈৰ পৰিয়ালক আৰ্থিক সাহায্যও প্ৰদান কৰে। আনহাতে নিশামণি হালৈয়ে বিহু নৃত্য পৰিৱেশন কৰা নলবাৰী হাৰিভাঙাৰ ভাস্কৰজ্যোতি বিহু দলৰ সদস্যসকলেও প্ৰয়াত বিহুৱতীগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে শিল্পী, কলা-কুশলীৰ সাহায্যাৰ্থে নিশামণি হালৈৰ নামত এটা ন্যাস খোলাৰ কথা ঘোষণা কৰে। উক্ত অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য লক্ষ্মী দাস (ভজন), সদৌ অসম নাগাৰা নাম সংঘৰ সভাপতি আৰু সাধাৰণ সম্পাদক তথা জনপ্ৰিয় পাঠক ক্ৰমে কৈলাস তালুকদাৰ, নিপন দত্তৰ লগতে আন কেইবাগৰাকীও মহিলা আৰু পুৰুষৰ নাগাৰা নামৰ পাঠকৰ লগতে বিভিন্ন দল সংগঠনৰ নেতৃ বৰ্গ আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বহুসংখ্যক লোক উপস্থিত থাকে।

বনাঞ্চল ধ্বংসৰ বিৰোধিতাৰে স্থানীয় ৰাইজৰ সংবাদমেল সম্বোধন

# লেখাপানী বনাঞ্চলিক কাৰ্যালয়ৰ অধীনস্থ লেখাপানী সংৰক্ষিত বনাঞ্চলত দুস্কৃতিকাৰীৰ বন ধ্বংস যজ্ঞ

## বন বিভাগক কেইবাটাও দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা বিশেষ, জাগুন, ১১ মে'** ঃ তিনিচুকীয়া জিলাৰ ডিগবৈ বন সংমণ্ডলৰ অধীনৰ লেখাপানী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত লেখাপানী সংৰক্ষিত বনাঞ্চলত বিগত কিছু দিনৰ পৰা অচিনাক্ত দুষ্কৃতিকাৰীয়ে অবৈধভাৱে বন ধ্বংস যজ্ঞ চলাই আহিছে। ইয়াকে লৈ বনাঞ্চল খনৰ গাতে লাগি থকা ১৯৩৬ চনতে প্ৰতিষ্ঠা লাভ কৰা লেখাপানী নেপালী গাঁৱৰ ৰাইজ শংকিত তথা ক্ষোভিত হৈ পৰিছে। কিয়নো ভাৰতবৰ্ষৰ স্বাধীনতা লাভ কৰাৰ কেইবা বছৰ পূৰ্বে প্ৰতিষ্ঠা লাভ কৰা গাঁওখনৰ ৰাইজে অতীজৰে পৰা ভৱিষ্যত প্ৰজন্মৰ কথা চিন্তা কৰি বনাঞ্চল খনক সুৰক্ষা প্ৰদান কৰি অহাৰ লগতে ৰাইজেও নিজকে সুৰক্ষিত বুলি অনুভৱ কৰি আহিছে। ইয়াৰোপৰি বৰ্তমানে পাৰিস্থিতিক ভাৰসাম্যতা অভাৱত বনাঞ্চল খনত বহু সংখ্যক জীৱ-জন্তু তথা বন্য প্ৰাণীৰ বিলুপ্তি ঘটিছে যদিও পূৰ্বতে এই বনাঞ্চল খনত হলৌ বান্দৰ, হাতী, বাঘ, ভালুক, বান্দৰ, নানা প্ৰজাতিৰ চৰাই-চিৰিকতিৰ বসতি স্থল হিচাপে এক সুকীয়া পৰিচয় আছে। বৰ্তমানেও বনাঞ্চলখন বিভিন্ন প্ৰজাতিৰ মূল্যৱান গছ-গছনি আৰু বন্য প্ৰাণীৰ বসতিস্থল হিচাপে চিহ্নিত হৈ আহিছে। উক্ত বনাঞ্চলখন সুৰক্ষিত তথা সমৃদ্ধিশালী কৰি ৰখাৰ স্বাৰ্থত গাঁৱৰ ৰাইজে বন বিভাগক কেতবোৰ দাবী সম্বলিত এখন স্মাৰক পত্ৰ প্ৰদান কৰাৰ লগতে এখন সংবাদ মেল সম্বোধন কৰে। সংবাদ মেলৰ জৰিয়তে বন বিভাগক দাবী উত্থাপন কৰি কয় যে বনাঞ্চল খনৰ ধ্বংস যজ্ঞৰ সৈতে জড়িত দুষ্কৃতিকাৰী সকলক চিনাক্ত কৰি অসম বন আইনৰ অধীনত কঠোৰ শাস্তি মূলক ব্যৱস্থা গ্ৰহণ কৰক, বনাঞ্চলখনত নিয়মীয়া তহলদাৰী ব্যৱস্থা বৃদ্ধি কৰি অধিক বন কৰ্মী নিয়োজিত কৰক, বনাঞ্চল খনত কটকটীয়া স্থায়ী নিৰাপত্তা ব্যৱস্থা সুনিশ্চিত কৰক, বনাঞ্চলখন সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত অঞ্চলটোৰ ৰাইজৰ সৈতে সচেতনতা বৃদ্ধিৰ বাবে আলোচনা কৰক, বনাঞ্চল খনৰ ধ্বংস প্ৰাপ্ত স্থান সমূহত কাঁইটীয়া তাঁৰৰ ফেঞ্চিং লগাই পুনৰ বৃক্ষ ৰোপণেৰে সেউজীকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰক ইত্যাদি দাবীৰে বন বিভাগক ব্যৱস্থা গ্ৰহণ কৰাৰ আহ্বান জনায়। সংবাদ মেলৰ জৰিয়তে ৰাইজে বন বিভাগক তৎকালে কঠোৰ ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায় জানিবলৈ দিয়ে যে যদি বন বিভাগৰ তৰফৰ পৰা এই ক্ষেত্ৰত ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে বনাঞ্চল খনৰ সুৰক্ষাৰ স্বাৰ্থত সৃষ্টি হব পৰা যিকোনো অনাকাংক্ষিত পৰিস্থিতিৰ বাবে বন বিভাগ জগৰীয়া হ'ব।

# শিৱসাগৰত সোমনাথ স্বাভিমান পৰ্ব- ১০০০ বছৰীয়া অটুট আস্থা কাৰ্যসূচী অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১১ মে'** ঃ ১০২৬ খ্ৰীষ্টাব্দত সোমনাথ মন্দিৰৰ ওপৰত হোৱা প্ৰথম আক্ৰমণৰ ১০০০ বছৰ সম্পূৰ্ণ কৰাৰ লগতে স্বাধীন ভাৰতত ১৯৫১ চনৰ মে' মাহত মন্দিৰটোৰ পুনৰ নিৰ্মাণ আৰু উদ্বোধনৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে সমগ্ৰ দেশৰ লগতে ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়, অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত ঐতিহাসিক শিৱদ'ল প্ৰাংগণত আজি "সোমনাথ স্বাভিমান পৰ্ব- ১০০০ বছৰীয়া অটুট আস্থা" কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। আজিৰ অনুষ্ঠানত শৈৱ উপাসনাৰ অন্যতম শ্ৰদ্ধাৰ কেন্দ্ৰ আৰু ভাৰতৰ আধ্যাত্মিক ঐতিহ্যৰ এক অন্যতম গুৰুত্বপূৰ্ণ স্থান সোমনাথ মন্দিৰত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত আয়োজিত মূল কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। আজিৰ মূল অনুষ্ঠানৰ মুখ্য আকৰ্ষণসমূহ আছিল যজ্ঞ, ঔমকাৰ মন্ত্ৰ জপ, মহা আৰতি, মহাভিষেক সমাৰোহ, সাংস্কৃতিক অনুষ্ঠান, স্মাৰক ডাক টিকট তথা মুদ্ৰা উন্মোচন আৰু প্ৰধানমন্ত্ৰীৰ বিশেষ ভাষণ। অনুষ্ঠানটিত জিলা আয়ুক্ত মৃদুল যাদৱ, অতিৰিক্ত জিলা আয়ুক্তদ্বয় গৌৰীপ্ৰিয়া দেউৰী আৰু ৰনন্ময় ভৰদ্বাজ, জিলা তথ্য প্ৰযুক্তি বিজ্ঞান বিষয়া জগদীশ বুঢ়াগোহাঁই, সহকাৰী আয়ুক্ত বিদিশা শইকীয়া, সাংস্কৃতিক উন্নয়ন বিষয়া নীলোৎপল ৰাজকোঁৱৰ, আমন্ত্ৰিত জ্যেষ্ঠ তথা বিশিষ্ট অতিথিসকল, জিলা প্ৰশাসন আৰু বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে ভালেসংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে। উল্লেখ্য যে, চলিত বৰ্ষৰ ৮ জানুৱাৰীৰ পৰা ১১ জানুৱাৰীলৈকে সোমনাথত উক্ত বৰ্ষজুৰি চলি থকা কাৰ্যসূচীৰ আয়োজন কৰা হৈছিল।

# কাত্যায়ন শৰ্মা- মহান গগৈ শ্ৰেষ্ঠ দৰং জিলা ভিত্তিত কুইজ প্ৰতিযোগিতা

**অসম বাৰ্তা, মঙলদৈ, ১১ মে'** ঃ আউলাচৌকা ইউনাইটেড ক্লাবৰ উদ্যোগত হোৱা কেন্দ্ৰীয় ৰঙালী বিহু উদযাপনৰ সৈতে সংগতি ৰাখি আজি দৰং জিলা ভিত্তিত এখনি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আউলাচৌকাস্থিত ইউনাইটেড ক্লাবৰ প্ৰেক্ষাগৃহত হোৱা কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰে সাংস্কৃতিক সংগঠক গৌতম শৰ্মাই। আনহাতে সহযোগী পৰিচালক হিচাপে উপস্থিত থাকে কৃতী শিক্ষক ৰাজুমণি চহৰীয়া, ধ্ৰুৱজ্যোতি নাথ, যুৱ সমাজকৰ্মী কনক নাথ আৰু মনোৰঞ্জন শৰ্মা। কুইজ প্ৰতিযোগিতাত কাত্যায়ন শৰ্মা আৰু মহান গগৈ প্ৰথম, ধনদা কলিতা, ঈশান্ত চহৰীয়া দ্বিতীয়, মানসী শৰ্মা, ৰিয়ামণি বৰুৱাই তৃতীয় স্থান লাভ কৰে। আনহাতে ধিমান শিৱম, শ্ৰুতিপ্ৰিয়ম শৰ্মা, বৰ্ণৱজ্যোতি চহৰীয়া আৰু কৌশিক ৰাজ বৰুৱাই উদ্‌গনিমূলক পুৰস্কাৰ লাভ কৰে।

দুৰ্গন্ধত অতিষ্ঠ ৰাইজ, পৌৰসভাৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ

# ঢেকীয়াজুলিৰ শ্বহীদ ময়দানৰ ৰাজহুৱা শৌচালয় জৰাজীৰ্ণ অৱস্থা

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১১ মে'** ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত শ্বহীদ নগৰী ঢেকীয়াজুলিত ঢেকীয়াজুলি পৌৰসভাই নিৰ্মাণ কৰা এটি ৰাজহুৱা শৌচালয়ৰ জৰাজীৰ্ণ অৱস্থাক কেন্দ্ৰ কৰি আজি তীব্ৰ ক্ষোভ প্ৰকাশ কৰে স্থানীয় ৰাইজে। ৰাইজৰ সুবিধাৰ্থে ঢেকীয়াজুলিৰ শ্বহীদ ময়দান প্ৰাংগণত নিৰ্মাণ কৰা শৌচালয়খন এতিয়া সম্পূৰ্ণৰূপে অব্যৱস্থাপনা আৰু অযত্নৰ বাবে ব্যৱহাৰৰ অযোগ্য হৈ পৰিছে বুলি অভিযোগ উত্থাপন কৰিছে স্থানীয় লোকে। উল্লেখ্য যে শ্বহীদ ময়দান অঞ্চলটোত প্ৰতিদিনে বহু লোকৰ সমাগম ঘটে। বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু ক্ৰীড়া অনুষ্ঠানৰ লগতে বজাৰ-সমাৰোহৰ সময়তো অঞ্চলটোত যথেষ্ট ভিৰ দেখা যায়। সেই কথা মনত ৰাখিয়েই সাধাৰণ ৰাইজৰ সুবিধাৰ্থে ঢেকীয়াজুলি পৌৰসভাই কেইবালক্ষাধীক টকা ব্যয় সাপেক্ষে শৌচালয়খন নিৰ্মাণ কৰিছিল। কিন্তু সময়ৰ লগে লগে শৌচালয়খনৰ কোনো ধৰণৰ ৰক্ষণাবেক্ষণ নোহোৱাত বৰ্তমান ই এক জৰাজীৰ্ণ ৰূপ ধাৰণ কৰিছে। স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি শৌচালয়খনত নিয়মীয়াকৈ পৰিষ্কাৰ-পৰিচ্ছন্নতা নকৰাৰ ফলত ভিতৰত আৰু আশে-পাশে ভয়ংকৰ দুৰ্গন্ধৰ সৃষ্টি হৈছে। বহু সময়ত শৌচালয়ৰ পানী ওলাই আহি আশে-পাশে পৰিৱেশ অস্বাস্থ্যকৰ কৰি তুলিছে। ফলত শ্বহীদ ময়দানলৈ অহা সাধাৰণ ৰাইজ, ব্যৱসায়ী, খেলুৱৈ আৰু পথচাৰী সকল যথেষ্ট সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। আনহাতে শৌচালয়খনৰ দুৱাৰ-জানলা ভাঙি যোৱাৰ লগতে পানীৰ ব্যৱস্থাও অচল হৈ পৰিছে বুলি জানিবলৈ দিয়ে স্থানীয় লোকসকলে। বিশেষকৈ মহিলা আৰু জ্যেষ্ঠ নাগৰিকসকলৰ বাবে এই সমস্যাই অধিক অসুবিধাৰ সৃষ্টি কৰিছে। বহু লোকে বাধ্য হৈ শৌচালয় ব্যৱহাৰ নকৰি অন্য বিকল্প বিচাৰিবলৈ বাধ্য হৈছে। এই সন্দৰ্ভত আজি ক্ষোভ প্ৰকাশ কৰি স্থানীয় ৰাইজে কয় যে ৰাজহুৱা ধনেৰে নিৰ্মাণ কৰা এনে গুৰুত্বপূৰ্ণ পৰিকাঠামো যদি এইদৰে অব্যৱস্থাপিত হৈ থাকে তেন্তে সাধাৰণ মানুহে কিদৰে সুবিধা লাভ কৰিব। ৰাইজে অতি শীঘ্ৰে শৌচালয়খন মেৰামতি কৰি নিয়মীয়া পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে পৌৰসভাক। ইপিনে বিষয়টোত ঢেকীয়াজুলি পৌৰসভাই কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া এতিয়া লক্ষণীয় বিষয় হৈ পৰিছে।

# কল্যাণী বাল্যভৱনত কৃতী শিক্ষাৰ্থীক অভিনন্দন-নৱাগতক আদৰণি

**অসম বাৰ্তা, নিমাতীঘাট, ১১ মে'** ঃ কল্যাণী বাল্যভৱন ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ উদ্যোগত ১০ মে'ত কৃষি নিৰ্দেশনা বিষয়ক এখন আলোচনা সভাৰ লগতে কৃতী শিক্ষাৰ্থীক অভিনন্দন আৰু নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। ৩৬ নং নাওবৈছা গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত বাহনা মহাবিদ্যায়ৰ প্ৰাক্তন অধ্যক্ষ তথা শিক্ষাবিদ ড° চেনিৰাম দত্তৰ সঞ্চালনাত অনুষ্ঠিত সভাত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° হেমেন শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক ড° অচ্যুত দত্তই আঁত ধৰা সভাত সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰি পাৰিজাত নাৰ্চাৰীৰ স্বত্বাধিকাৰ প্ৰশান্ত শইকীয়াই বৰ্তমান প্ৰজন্ম কিদৰে কৰ্মমুখী হ'ব পাৰিব সেই বিষয়ে বক্তব্য আগবঢ়ায়। ছাত্ৰীসকলে বিদ্যালয় সংগীত পৰিৱেশন কৰা অনুষ্ঠানত প্ৰধান শিক্ষয়িত্ৰী বিশ্বজিতা বৰপূজাৰীয়ে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনায়। নেপক'ৰ মহাপ্ৰবন্ধক জ্যোতিৰঞ্জন শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি অনুপ্ৰেৰণামূলক বক্তব্য প্ৰদান কৰাৰ লগতে পিতৃ যোগেন শইকীয়াৰ সোঁৱৰণত উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত অভিলাষা শইকীয়া আৰু নাজমিন চুলতানাক শৈক্ষিক বঁটা প্ৰদান কৰে। যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যাপক অজয় কৃষ্ণ দত্তই অভিভাৱকসকলে ল'ৰা-ছোৱালীক কেনেদৰে আগবঢ়াই নিব সেই বিষয়ে আলোকপাত কৰাৰ লগতে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত হিন্দী বিষয়ত ১০০ নম্বৰপ্ৰাপ্ত ছাত্ৰ নয়নজ্যোতি কলিতা আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত ছাত্ৰী নাজমিন চুলতানাক মালিৰাম দত্ত সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান কৰে। নয়নজ্যোতি কলিতাক বিদ্যালয় তৰফৰ পৰাও প্ৰধান শিক্ষয়িত্ৰী বিশ্বজিতা বৰপূজাৰীয়ে শৈক্ষিক বঁটা প্ৰদান কৰে। জলসম্পদ বিভাগৰ অধীক্ষক অভিযন্তা দীপক বৰাই বিশিষ্ট অতিথি ৰূপে অংশ গ্ৰহণ কৰা সভাত জিলা পৰিষদৰ সদস্য চিদানন্দ ভূএগা, ৩৬ নং গাঁও পঞ্চায়তৰ সভাপতি প্ৰসন্ন কলিতা, সমাজকৰ্মী হৰি দত্ত, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য পৰাগ জ্যোতি দত্ত, দুগ্ধ ব্যৱসায়ী ৰাতুল কুমাৰ দাস, মহাত্মা গান্ধী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ত্ৰিলোক বৰা, লেখিকা ৰেণু দত্ত, বিদ্যালয়ৰ শৈক্ষিক অধ্যক্ষ যোগানন্দ শইকীয়া প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। আলোচনা সভাত অংশ গ্ৰহণ কৰা মৰিয়নি মহাবিদ্যালয়ৰ মৎস্য বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে কল্যাণী বাল্যভৱনৰ মৎস্য পালন ক্ষেত্ৰ- অধ্যয়ন কৰে। অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

পূৱ ছমৰীয়া গাঁও পঞ্চায়ত সমবায় সমিতিৰ অনুজ্ঞাপত্ৰ বাতিল

# মধ্যাহ্ন ভোজনৰ চাউল কেলেংকাৰী

**অসম বাৰ্তা, গৰৈমাৰী, ১১ মে'** ঃ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত পূৱ ছমৰীয়া গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডত চৰকাৰী চাউল কেলেংকাৰীৰ অভিযোগত বিভাগীয় কৰ্তৃপক্ষই ২৯ এপ্ৰিলত এক নিৰ্দেশযোগে সমবায় সমিতিৰ অনুজ্ঞাপত্ৰ বাতিল কৰিছে। উল্লেখ্য যে পূৱ-ছমৰীয়া গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেড সভাপতি-সম্পাদকে ভিতৰদুৱাৰ এম ই স্কুল, ২ নং উজান দুৱামাৰী প্ৰাথমিক বিদ্যালয় আৰু ইন্দ্ৰিৰা গান্ধী ২নং বৰাখাট প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ যোৱা জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ মাহৰ মধ্যাহ্ন ভোজনৰ প্ৰায় ১২.৪৮ কুইণ্টল চাউল আবণ্টন লাভ কৰে। কিন্তু সমবায় সমিতিৰ সভাপতি আজগৰ আলী আৰু সমবায়খনৰ সম্পাদকে উক্ত বিদ্যালয় তিনিখনলৈ মধ্যাহ্ন ভোজনৰ চাউল যোগান নধৰি সমুদায় চাউল আত্মসাৎ কৰি মুকলি বজাৰত বিক্ৰী কৰে। ইপিনে বিদ্যালয়ৰ শিক্ষাৰ্থীৰ মধ্যাহ্ন ভোজনৰ চাউল আত্মসাৎ কৰা সম্পৰ্কে কামৰূপ জিলা শিক্ষা বিষয়াৰ কাৰ্যালয়ত অভিযোগ দাখিল কৰিছিল। জানিব পৰামতে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰিদৰ্শক মিণ্টু ডেকাই দাখিল কৰা এক তদন্তকাৰী প্ৰতিবেদনত সমবায়খনৰ ব্যাপক অনিয়ম ধৰা পৰে। প্ৰতিবেদনত উল্লেখ কৰামতে সমবায়খনৰ সম্পাদকে চৰকাৰী নিয়মানুসৰি কোনোধৰণৰ ষ্টক আৰু মূল্য প্ৰদৰ্শনী ব'ৰ্ড অথবা ষ্টক ৰেজিষ্টাৰ মেইনটেইন কৰা নাছিল। মধ্যাহ্ন ভোজনৰ চাউল আত্মসাৎ কৰাৰ অভিযোগত পূব-ছমৰীয়া গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডে পি ডি এছ অনুজ্ঞাপত্ৰ (নং এ পি ডি এ অ'/এছ ডব্লিউ/জি এ ইউ-পি(৭) নম্বৰ কামৰূপ জিলা আয়ুক্তই তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ ২৯ এপ্ৰিলত বাতিল কৰে। আনহাতে সাধাৰণ গ্ৰাহক তথা ৰাইজৰ সুবিধাৰ্থে জিলা প্ৰশাসনে এক বিকল্প ব্যৱস্থা গ্ৰহণ কৰি শ্বেখ সাদি, ছফিকুল ইছলাম, ৰেজিনাৰা বেগম আৰু ইছাহক আলী নামৰ চাৰিজন ডিলাৰক নতুনকৈ খাদ্য সামগ্ৰী বিতৰণৰ দায়িত্ব অৰ্পণ কৰিছে। এই ডিলাৰসকলে এফ চি আইডিপ'ৰ পৰা সামগ্ৰী সংগ্ৰহ কৰি পূব-ছমৰীয়া গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ গুদামত মজুত কৰিব আৰু গ্ৰাহকক বিতৰণ কৰিব। সমগ্ৰ প্ৰক্ৰিয়াটো জিলা খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰিদৰ্শকে কঠোৰভাৱে তদাৰক কৰিব বুলি চৰকাৰী নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

# গোলকগঞ্জত আমূলৰ কণ্টেনাৰত ১৭ টাকৈ চোৰাং গৰু জব্দ; তিনি সৰবৰাহকাৰীক আটক

**অসম বাৰ্তা, গোলকগঞ্জ, ১১ মে'** ঃ কোৰবাণী ঈদৰ প্ৰাকক্ষণত সক্ৰিয় হৈ উঠিছে আন্তঃৰাজ্যিক গো-সৰবৰাহকাৰী চক্ৰ। ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত ছাগলীয়া আৰক্ষীয়ে আজি এক গোপন সূত্ৰৰ পম খেদি চলোৱা অভিযানত এক নব্য কৌশলেৰে চলোৱা গো-সৰবৰাহৰ চেষ্টা বিফল কৰে। আজি পুৱা প্ৰায় ৭ বজাত ছাগলীয়াৰ উপ-আৰক্ষী বিষয়া জ্যোতিৰাজ বেজবৰুৱাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত তালাচী চলাই UP 83 T 7475 নম্বৰৰ এখন 'আমূল' গাখীৰ কঢ়িওৱা শীত-তাপ নিয়ন্ত্ৰিত কণ্টেনাৰ জব্দ কৰে। কণ্টেনাৰটোৰ ভিতৰত তালাচী চলোৱাত আৰক্ষীয়ে ১৭ টাকৈ ষাঁড় গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই সন্দৰ্ভত আৰক্ষীয়ে তিনিজন সৰবৰাহকাৰীক আটক কৰিছে। আটকাধীন লোককেইজন হ'ল ক্ৰমে— উত্তৰ প্ৰদেশৰ ৰামপুৰৰ মোঃ ইউনচ (৩০), মুজাফৰনগৰৰ মোঃ ফৰমান আৰু ফগানাৰ বাসিন্দা মোঃ মোসিন। প্ৰাথমিক তদন্ত অনুসৰি, এই গৰুসমূহ বিহাৰৰ পৰা গৌৰীপুৰ হৈ জলেশ্বৰলৈ নি থকা হৈছিল। তাৰ পৰাই বাংলাদেশলৈ চোৰাংভাৱে সৰবৰাহ কৰাৰ সম্পূৰ্ণ পৰিকল্পনা আছিল বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। আৰক্ষীৰ কঠোৰ নিৰাপত্তাৰ মাজতো কেতিয়াবা আলুৰ বস্তাৰ তলত আকৌ কেতিয়াবা এনেদৰে অত্যাধুনিক কণ্টেনাৰৰ সহায় লৈ সৰবৰাহকাৰীয়ে চলাই থকা ন-ন কৌশলে এতিয়া সচেতন মহলক চিন্তিত কৰি তুলিছে।

# দলগাঁৱৰ পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত অসম যুৱ পৰিষদৰ বৃহৎ সফলতা ৭টা পদত জয়লাভ

**অসম বাৰ্তা, খাৰুপেটীয়া, ১১ মে'** ঃ অসম গণ পৰিষদৰ ভাতৃ সংগঠন অসম যুৱ পৰিষদে দলগাঁও সমষ্টিত এক উল্লেখযোগ্য সফলতা লাভ কৰি নতুন ইতিহাস ৰচিবলৈ সক্ষম হৈছে। ২০২৬-২৭ বৰ্ষৰ বাবে পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত অনুষ্ঠিত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত অসম যুৱ পৰিষদৰ সমৰ্থিত প্ৰাৰ্থীসকলে দৃষ্টান্তমূলক ফলাফল দেখুৱাই সভাপতি পদত ৰাছিদ আলি আৰু সাধাৰণ সম্পাদক পদত হান্নান আলি সহ মুঠ ৭টা গুৰুত্বপূৰ্ণ পদত জয়লাভ কৰিছে। এই অভূতপূৰ্ব জয়ৰ জৰিয়তে অসম যুৱ পৰিষদে মহাবিদ্যালয়খনত নিজৰ সাংগঠনিক শক্তি আৰু জনসমৰ্থনৰ সুস্পষ্ট প্ৰমাণ দিছে। নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ লগে লগে সমগ্ৰ দলগাঁও অঞ্চলত আনন্দ-উৎসৱৰ পৰিৱেশৰ সৃষ্টি হয়। সংগঠনৰ কৰ্মী-সমৰ্থকসকলে আনন্দ উল্লাসেৰে বিজয় উদযাপন কৰে আৰু বিজয়ী প্ৰাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰে। এই ঐতিহাসিক সফলতাৰ পিছতে অসম যুৱ পৰিষদৰ দলগাঁও সমষ্টি কমিটিৰ সভাপতি আজগৰ আলি আৰু কাৰ্যকৰি সভাপতি আৰিফ ৰাইহানে নেতৃত্ব দি এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। উক্ত অনুষ্ঠানত বিজয়ী প্ৰাৰ্থীসকলক অসমীয়াৰ পৰম্পৰাগত ফুলাম গামোচা, ফুলৰ মালা আৰু শুভেচ্ছাৰে উষ্ম আদৰণি জনোৱা হয়। সংগঠনৰ নেতৃবৃন্দই কয় যে, এই জয় কেৱল নিৰ্বাচনী জয় নহয়, ই ছাত্ৰ সমাজৰ আস্থা আৰু বিশ্বাসৰ প্ৰতিফলন। আগন্তুক দিনত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সমস্যা সমাধান, শিক্ষাৰ মান উন্নয়ন আৰু ছাত্ৰ সমাজৰ সামগ্ৰিক কল্যাণৰ বাবে অসম যুৱ পৰিষদে অধিক দায়িত্বশীলভাৱে কাম কৰি যাব বুলি তেওঁলোকে আশ্বাস দিয়ে। এই সফলতাই দলগাঁও সমষ্টিত অসম যুৱ পৰিষদৰ সাংগঠনিক ভিত্তি অধিক শক্তিশালী কৰাৰ লগতে আগন্তুক দিনত সংগঠনটোক নতুন উদ্যমেৰে আগুৱাই নিয়াত সহায়ক হ'ব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

# মঙলদৈত বিশ্ব ৰেডক্ৰছ দিৱস পালন

**অসম বাৰ্তা, মঙলদৈ, ১১ মে'** ঃ আন্তৰাষ্ট্ৰীয় ৰেডক্ৰছ ছ'চাইটীৰ প্ৰতিষ্ঠাপক তথা প্ৰথম নোবেল শান্তি বঁটা প্ৰাপকজন হেনৰী ডুনাণ্টৰ জন্ম দিৱস উপলক্ষে শুকুৰবাৰে ভাৰতীয় ৰেড ক্ৰছ ছ'চাইটী, দৰং জিলা শাখাই এইবাৰ 'মানৱতাৰ একত্ৰিত বন্ধন' শীৰ্ষক বিষয়বস্তুৰে কাৰ্যসূচী পালন কৰে। বিশ্ব ৰেডক্ৰছ দিৱসৰ দিনটোত পুৱা ৯.৩০ বজাত দৰং জিলা ৰেডক্ৰছ শাখাৰ অধ্যক্ষ হৰেন কাকতিয়ে শাখাৰ নিজা কাৰ্যালয় প্ৰাঙ্গণত পতাকা উত্তোলন কৰে। দৰং জিলা আয়ুক্ত তথা ভাৰতীয় ৰেডক্ৰছ ছ'চাইটী, দৰং জিলা শাখাৰ সভাপতি আয়ুষী জৈনে ৰেডক্ৰছ ছ'চাইটীৰ লক্ষ্যত উপনীত হোৱাৰ বাবে কৰি অহা চেষ্টাক প্ৰশংসা কৰি ভৱিষ্যৎ সফলতা কামনা কৰে। দুপৰীয়া ১২ বজাৰ পৰা ১.৪০ বজালৈ মঙলদৈ জিলা কাৰাগাৰত দৰং জিলা ৰেডক্ৰছ ছ'চাইটীৰ অধ্যক্ষ হৰেন কাকতিৰ সভাপতিত্বত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে মঙলদৈ বণিক সন্থাৰ সভাপতি মুকুল চন্দ্ৰ ডেকাইজন হেনৰী ডুনাণ্টৰ প্ৰতিচ্ছবিত বন্তিপ্ৰজ্বলন আৰু মাল্যপৰ্ণৰে শ্ৰদ্ধাঞ্জলি জনায়। ভাৰতীয় ৰেডক্ৰছ ছ'চাইটীৰ কোষাধ্যক্ষ জয়ন্ত শৰ্মাই সঞ্চালনা কৰা সভাত কাৰাগাৰ অধীক্ষক কল্যাণ চৌধুৰীয়ে আদৰণি ভাষণ দিয়ে। জিলা কাৰাগাৰৰ অধীক্ষক সহ সমূহ বিষয়া-কৰ্মচাৰী আৰু কাৰাগাৰৰ আৱাসীসকল উপস্থিত থকা সজাগতা সভাত মঙলদৈ আইন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক লুটফুৰ জামানে ৰেডক্ৰছৰ নীতি আৰু মানৱতাৰ একত্ৰিত বন্ধন সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। দৰং জিলা অতিৰিক্ত চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ কমলা কান্ত শৰ্মাই স্বাস্থ্যৰ লগতে মানৱীয় মূল্যবোধৰ বিষয়ত বক্তব্য ৰাখে। প্ৰবক্তা কিশোৰ কুমাৰ শৰ্মাই স্বাৱলম্বন আৰু জীৱিকা নিৰ্বাহৰ পথ সম্পৰ্কে কিছু নিৰ্দেশনা উপস্থাপন কৰে। দৰং জিলা ৰেডক্ৰছ শাখাৰ সম্পাদক হৰিচন্দ্ৰ শৰ্মাই দিনটোৰ কাৰ্যসূচী সমূহ সফল কৰাত সহযোগ কৰা সংশি-ষ্ট সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। বক্তাসকলে কাৰাগাৰত আটক কৰি ৰখা লোক সকলৰ মুক্তি লাভৰ পিছৰ জীৱন চোৱাত একোজন ভাল মানুহ হিচাপে পৰিচিত হ'বলৈ উৎসাহিত কৰে। উক্ত কাৰ্যসূচী সমূহত ভাৰতীয় ৰেডক্ৰছ ছ'চাইটীৰ আজীৱন সদস্য প্ৰমোদ চন্দ্ৰ শৰ্মা, অমৰজিৎ শাণ্ডিল্য, ডাঃ দীপ্তিমণি বৰুৱা, দিব্যজ্যোতি ডেকা, কিৰিটি বৰা, মালবিকা ডেকা, মৃদুল শৰ্মা, ধীৰেন্দ্ৰ কুমাৰ শৰ্মা, স্বেচ্ছাসেৱক প্ৰণৱ হাজৰিকা, অনিল চৌহান উপস্থিত থাকি সহযোগ কৰে।

বাগিচ্ছা অঞ্চলত শিক্ষাৰ শতাংশ সৰ্বোচ্চ কৰাটোৱে আমাৰ লক্ষ্য ঃ আটছা

# অসম চাহ জনজাতি ছাত্ৰ সন্থা বাহাদুৰ উপ শাখাৰ বিশেষ অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, মাকুম, ১১ মে'** ঃ অসম চাহ জনজাতি ছাত্ৰ সন্থা বাহাদুৰ উপ শাখাৰ উদ্যোগত তিনিচুকীয়া জিলাৰ খেতুজান চাহ বাগিচা জগন্নাথ প্ৰেক্ষাগৃহ তথা দক্ষতা বিকাশ কেন্দ্ৰত আজি সদ্যঘোষিত ২০২৬ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীৰ বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰা হয়। পতাকা উত্তোলন, স্মৃতি তৰ্পণেৰে আৰম্ভ হোৱা অনুষ্ঠানটো আঁত ধৰে আটছা বাহাদুৰ উপ শাখাৰ সম্পাদক নয়নজ্যোতি কুৰ্মিয়ে। সভাপতিৰ আসন গ্ৰহণ কৰে আটছা বাহাদুৰ উপ শাখাৰ সভাপতি কুলদীপ পানিকায়ে। উক্ত অনুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় নয়নজ্যোতি কুৰ্মিয়ে। মাকুম মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মালবিকা ভূঞা ফুকনে ছাত্ৰ-ছাত্ৰীৰ লগত অন্তৰংগ আলাপ কৰাৰ লগতে এক মননশীল বক্তৃতা প্ৰদান কৰে। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰাজু কুৰ্মি, জিলা সমিতিৰ কাৰ্যনিৰ্বাহক দয়াৰাম ভক্তা, জিলা সমিতিৰ প্ৰাক্তন সাংগঠনিক সম্পাদক হৰেন কুৰ্মী, মাকুম শাখা সমিতিৰ সভাপতি ৰবি কুৰ্মীয়ে উপস্থিত থাকি বক্তৃতা আগবঢ়ায়। ছাত্ৰ-ছাত্ৰীসকলেও নিজৰ পৰিকল্পনাৰ বিষয়েও সুন্দৰকৈ বক্তৃতা আবঢ়ায়। উক্ত অনুষ্ঠানতে সমাজহিতৈষী তথা যুৱ ব্যৱহায়ী কমল মালী আৰু শিল্পী জিণ্টু তাঁতীক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শিল্পী জিণ্টু তাঁতীয়ে গীত পৰৱেশনেৰে সকলোকে আপ্লুত কৰে। অনাতাঁৰ শিল্পী দৈৱকী নায়ক, সমাজকৰ্মী কৃষ্ণ তাঁতী, বিকাশ গৰাইত, আটছা নেতা পৱন পানিকা, দ্বীপ পনিকা, মনোজ কুৰ্মী, মিঠু গড়, নাৰায়ন তাঁতী, চহিল মল্লিক লগতে বহু বিশিষ্ট ব্যক্তি ও দুই শতাধিক দৰ্শকৰ উপস্থিতিত সুন্দৰ অনুষ্ঠান অনুষ্ঠিত হয়। বিশেষ অভিনন্দন অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় অনুষ্ঠানটো আঁত ধৰা নয়নজ্যোতি কুৰ্মিয়ে।

# গোলাঘাট গৃহৰক্ষী ওৱেলফেয়াৰ এচ'চিয়েচনৰ নতুন জিলা সমিতি গঠন

**অসম বাৰ্তা, খুমটাই, ১১ মে'** ঃ গোলাঘাট জিলাৰ খুমটাইত জিণ্টু গগৈ স্মাৰক ভৱনত সোমবাৰে অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ সভাৰ জৰিয়তে গৃহৰক্ষী ওৱেলফেয়াৰ এচচিয়েচনৰ নতুন জিলা সমিতি গঠন কৰা হয়। সভাত কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা প্ৰকাশ বৰুৱা, যুটীয়া সম্পাদক বিতুমনি কোঁৱৰ আৰু বিত্ত সম্পাদক ৰত্নেশ্বৰ গগৈ উপস্থিত থাকি গৃহৰক্ষী জোৱানসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। সভাত বক্তাসকলে গৃহৰক্ষী জোৱানসকলৰ দীৰ্ঘদিনীয়া বিভিন্ন সমস্যা, কৰ্মক্ষেত্ৰৰ অনিশ্চয়তা আৰু পদ স্থায়ীকৰণৰ দাবীৰ বিষয়ে সবিশেষ আলোচনা কৰি চৰকাৰক শীঘ্ৰে উপযুক্ত ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। গৃহৰক্ষী জোৱানসকলৰ সামাজিক আৰু আৰ্থিক সুৰক্ষাৰ ক্ষেত্ৰতো অধিক গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰা হয়। ইয়াৰ পিছতেই পূৰ্বৰ জিলা সমিতিখনে আনুষ্ঠানিকভাৱে পদত্যাগ কৰে আৰু উপস্থিত সদস্যসকলৰ সৰ্বসন্মতিক্ৰমে নতুন জিলা সমিতি গঠন কৰা হয়। নতুন সমিতিত দিলীপ দাস, জয়ন্ত মাধৱ ৰাজখোৱা আৰু দিলীপ শইকীয়াক উপদেষ্টা হিচাপে নিৰ্বাচিত কৰা হয়। ডিকু শইকীয়াক সভাপতি, দিগন্ত সোণোৱালক কাৰ্যকৰী সভাপতি, দিব্যজ্যোতি দাস আৰু মন্তু হাজৰিকাক উপ-সভাপতি, গিৰিন গগৈক সাধাৰণ সম্পাদক, সৌৰভ দাসক সম্পাদক আৰু গোলাপ শইকীয়াক সহকাৰী সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰা হয়। ইয়াৰ উপৰিও ৫৩ জনীয়া পূৰ্ণাংগ জিলা সমিতিখন গঠন কৰা হয়। নৱগঠিত সমিতিখনে আগন্তুক দিনসমূহত গৃহৰক্ষী জোৱানসকলৰ সমস্যা সমাধান, অধিকাৰ সুৰক্ষা আৰু কল্যাণমূলক বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰতসক্ৰিয়ভাৱে কাম কৰাৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰে।

# জিনজিয়া ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আৰু ১০২ গৰাকী কৃত্তি ছাত্ৰ-ছাত্ৰীক অভিনন্দন

**অসম বাৰ্তা, জিনজিয়া, ১১ মে'** ঃ বিহালী বিধানসভা সমষ্টিৰ অন্যতম আৰক্ষী থানা হিচাপে পৰিগণিত জিনজিয়া থানাই থানা খনৰ অন্তৰ্গত ১০২ গৰাকী ছাত্ৰ-ছাত্ৰীক কালি নিশা অভিনন্দন জনোৱাৰ লগতে বিহুৰ লগত সংগতি ৰাখি স্থানীয় শিল্পীৰ সহযোগত এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰে। থানাখনৰ চৌহদত অনুষ্ঠিত এই অনুষ্ঠানত সভাপতিত্ব কৰে সমাজসেৱী অসীম দাসে। বিগত উচ্চ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মুঠ ১০২ ছাত্ৰ-ছাত্ৰীক থানাখনৰ জৰিয়তে মানপত্ৰ, একোটাকৈ গছপুলিৰে অভিনন্দন জনোৱাৰ পিচতে জিনজিয়া আৰক্ষী থানাৰ আৰক্ষী বিষয়া ত্ৰিলোচন দাসক কাম-কাজৰ দক্ষতাৰ বাবে স্থানীয় ৰাইজৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে জিনজিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ টংকেশ্বৰ বৰাই। এই অনুষ্ঠানত অঞ্চলটোৰ কেইবাটাও সংগঠনৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। অনুষ্ঠানটিৰ আঁত ধৰে বিষয় শিক্ষক পবিত্ৰ শৰ্মাই।

## সম্পাদকীয়

# সংকটৰ মাজত সংযমৰ বাৰ্তা

**যো**ৱা ৩ মে'ত অনুষ্ঠিত হোৱা দেশৰ সৰ্ববৃহৎ চিকিৎসা প্ৰৱেশ পৰীক্ষা NEET-UG ২০২৬ সম্পূৰ্ণৰূপে বাতিল কৰাৰ জৰুৰী সিদ্ধান্ত লৈছে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা (এনটিএ)য়ে। পৰীক্ষাটোত ব্যাপক অনিয়ম হোৱাৰ অভিযোগৰ পাছত সংস্থাটোৱে মঙলবাৰে এই সিদ্ধান্ত ঘোষণা কৰে, লগতে অনিয়মৰ গভীৰ তদন্তৰ দায়িত্ব কেন্দ্ৰীয় অনুসন্ধান ব্যুৰো (চিবিআই)ক অৰ্পণ কৰে। এই সিদ্ধান্তক বহুতে সমৰ্থন জনোৱাৰ লগতে বহু ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ মনত সৃষ্টি হৈছে চৰম উদ্বেগ আৰু প্ৰশ্ন।

এনটিএই আনুষ্ঠানিকভাৱে কৈছে যে পৰীক্ষা ব্যৱস্থাত স্বচ্ছতা আৰু বিশ্বাস বজাই ৰখাৰ স্বাৰ্থত এই সিদ্ধান্ত লোৱা হৈছে। পুনৰ পৰীক্ষা নতুন তাৰিখত অনুষ্ঠিত হ'ব আৰু এইবাৰ ছাত্ৰ-ছাত্ৰীৰ পৰা কোনো ধৰণৰ পঞ্জীয়ন মাচুল লোৱা নহ'ব। তথাপি এই সিদ্ধান্তই বহু গুৰুত্বপূৰ্ণ প্ৰশ্নৰ জন্ম দিছে। যিবোৰ পৰীক্ষাৰ্থীয়ে ইতিমধ্যে পৰীক্ষা দি উত্তৰণৰ আশা কৰিছিল, তেওঁলোকৰ ভৱিষ্যৎ সম্পৰ্কে অনিশ্চয়তাই গা কৰি উঠিছে। লগতে, যিসকলে পৰীক্ষাৰ বাবে যথেষ্ট পৰিশ্ৰম কৰিছিল, তেওঁলোকৰ বাবে পুনৰ পৰীক্ষা দিয়া শাৰীৰিক আৰু মানসিকভাৱে কিমান যুক্তিসংগত?

এতিয়া প্ৰশ্ন উঠিছে— পৰীক্ষা অনুষ্ঠিত কৰাৰ সময়ত এনটিএই দাবী কৰিছিল যে জিপিএছ ট্ৰেকিং, এআই সহায়ক চিচিটিভি নিৰীক্ষণ, বায়'মেট্ৰিক পৰীক্ষণ আদি উন্নত প্ৰট'কলৰ অধীনত সম্পূৰ্ণ নিৰাপত্তাৰে পৰীক্ষা অনুষ্ঠিত হৈছিল। তেন্তে অনিয়ম কেনেকৈ ঘটিল? কেনেকৈ ইমান বৃহৎ পৰিসৰত প্ৰশ্নকাকত ফাদিল আৰু অন্যান্য অনিয়ম সম্ভৱ হ'ল? ইয়াৰ বাবে দায়ী কোন? পূৰ্বৰ পৰীক্ষাসমূহতো একেই প্ৰট'কল আছিল নে? যদি আছিল, তেন্তে তাতো অনিয়ম হোৱাৰ আশংকা থাকে।

আন এক গুৰুত্বপূৰ্ণ প্ৰশ্ন হ'ল— পুনৰ পৰীক্ষাৰ তাৰিখ নিৰ্ধাৰণ আৰু সময়সূচী। ইতিমধ্যে এমাহ আগতে পৰীক্ষা অনুষ্ঠিত হৈ গৈছে। এতিয়া পুনৰ পৰীক্ষা দিব লাগিব বুলি জানিব পাৰি ছাত্ৰ-ছাত্ৰীসকলৰ মনোবল ভাগি যোৱাৰ সম্ভাৱনা আছে। বিশেষকৈ যিসকলে গাঁও-চহৰৰ দূৰৱৰ্তী অঞ্চলৰ পৰা পৰীক্ষা দিবলৈ অহা-যোৱা কৰিছিল, তেওঁলোকৰ বাবে পুনৰ ভ্ৰমণ আৰু প্ৰস্তুতিৰ খৰচ এক বৃহৎ বোজা হৈ পৰিছে। মাচুল নোলোৱাৰ সিদ্ধান্ত স্বাগতযোগ্য, কিন্তু পৰোক্ষভাৱে হোৱা বিত্তীয় আৰু মানসিক ক্ষতিৰ ক্ষতিপূৰণৰ কোনো কথা এনটিএই উল্লেখ কৰা নাই। সকলোতকৈ ডাঙৰ কথা হ'ল— চিবিআই তদন্তে অনিয়মৰ মূল দোষীসকলক চিনাক্ত কৰি কঠোৰ শাস্তি দিয়াৰ লগতে ভৱিষ্যতে এনে পুনৰাবৃত্তি ৰোধ কৰাৰ বাবে স্থায়ী ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰয়োজন। কেৱল পৰীক্ষা বাতিল কৰিলেই নহয়, যিসকল বিষয়া, ক্ৰাইম মাষ্টাৰ, আৰু ব্যৱস্থাৰ অসহযোগিতাৰ বাবে এই ঘটনা সংঘটিত হৈছে, তেওঁলোকক আইনৰ চে'ৰাঙিত তুলি দিব লাগিব।

এনটিএই দাবী কৰিছে যে ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থতেই এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। কিন্তু প্ৰকৃত স্বাৰ্থ হ'ল— পৰীক্ষাৰ স্বচ্ছতা নিশ্চিত কৰা আৰু যোগ্যসকলে যাতে ন্যায্য প্ৰতিযোগিতাৰ সুবিধা পায়। পুনৰ পৰীক্ষা যাতে কোনো ত্ৰুটি নোহোৱাকৈ অনুষ্ঠিত হয়, তাৰ বাবে এনটিএই স্পষ্ট ৰূপৰেখা প্ৰদান কৰা উচিত। লগতে, বহু ছাত্ৰ-ছাত্ৰীয়ে এতিয়া পূৰ্বৰ প্ৰস্তুতিৰ ভিত্তিত কিমান নম্বৰ পাইছিল সেই তথ্য চাব পৰা নাই— সেই ব্যৱস্থাও স্বচ্ছ কৰা উচিত। কেৱল বাতিলৰ দ্বাৰা সমস্যাৰ সমাধান নহয়, বৰঞ্চ দীৰ্ঘম্যাদী সংস্কাৰ আৰু জৱাবদিহিতা নিশ্চিত কৰাহৈছে প্ৰকৃত অগ্ৰগতি। চৰকাৰ আৰু এনটিএই জনসাধাৰণৰ মনে সন্দেহৰ বীজ নাথাকাকৈ সোনকালে পুনৰ পৰীক্ষাৰ সময়সূচী ঘোষণা কৰি ছাত্ৰ-ছাত্ৰীৰ অনিশ্চয়তাৰ অন্ত পেলোৱাৰ লগতে দোষীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাটো সময়ৰ অপেক্ষা।

# অসমৰ উন্নতিৰ মূল মন্ত্ৰ কৃষি ঃ চৰকাৰে গুৰুত্ব দিয়ক

লক্ষিপ্ৰসাদ ডেকা



*বৰ্তমান ৰাজ্যখনৰ জন-জীৱন আৰু জীৱন-জীৱিকা সম্পূৰ্ণ স্তব্ধ তেনে ক্ষেত্ৰত অসমৰ সোণ হেন মাটিত পৰ্যাপ্ত পৰিমাণে কৃষকক কৃষি কৰ্মত অধিক নিয়োজিত কৰিব পাৰিলে নিশ্চয় ৰাজ্যখনৰ অৰ্থনীতিত বাৰুকৈ সঁকাহ হ'ব। একেডৰা মাটিত বিভিন্ন সময়ত বিভিন্ন খেতি কৰিব পাৰে তাৰো সুব্যৱস্থা কৰিব লাগিব। এই ক্ষেত্ৰত চৰকাৰ দায়িত্ব অধিক বিশেষকৈ কৃষি বিভাগৰ। কৃষি বিভাগে নানান পৰিকল্পনা কৰি কৃষকক আগুৱাই নিবলৈ যথেষ্ট কষ্টস্বীকাৰ কৰিবই লাগিব। কৃষকক মূলধনো যোগান ধৰা উপৰিও উপযুক্ত পানী, সাৰ, বীজ, কীটনাশক দ্ৰব্য আদিৰো যোগান সুনিশ্চিত কৰি খেতিপথাৰসমূহত আত্মনিয়োগ কৰিব লাগিব। কিয়নো মধ্যভোগী, দালাল আদি শ্ৰেণীয়ে কৃষকক সময়ে-সময়ে মূৰত বাম টাঙোন সোধায়।*

**স**মগ্ৰ বিশ্বই ক'ভিড-১৯ কৰ'নাই এক ত্ৰাস সৃষ্টি কৰিছে। উন্নত, উন্নয়নশীল আৰু অনুন্নত আদি দেশ সমূহৰ মাজতো এক প্ৰকাৰ হাহাকাৰ সকলো যেন সমান। কৰ'না আৰু সম্পূৰ্ণ বন্ধৰ ফলত আমাৰ ৰাজ্য কৃষি, আনুষংগিক আদিৰ ক্ষেত্ৰত এক বৃহৎ প্ৰভাৱ পৰিছে। নানান ক্ষেত্ৰৰ বহু জনতা আজি ৰাজ্য লগতে ৰাজ্যৰ বাহিৰলৈ কাম বিচাৰি যোৱাসকল কৰ্মবিমুখ হ'বলগীয়াত পৰিছে। শ্ৰমিক, মজদুৰ খাটিখোৱা জনতাৰ হাতত খৰচ কৰিবলৈ অৰ্থৰ যথেষ্ট নাটনি। ৰাজ্য চৰকাৰ, প্ৰশাসন আদিয়ে অসমৰ অৰ্থনীতি স্বনিৰ্ভৰশীল লগতে পুনৰজ্জীৱিত কৰি সৰ্বাংগীণ উন্নতি প্ৰচেষ্টা চলোৱা বৰ্তমান সময়ত খুৱেই দৰকাৰ। ইয়াৰে কোনটো খণ্ডত বা দিশত সৰ্বাধিক গুৰুত্ব দিব তাকো নিশ্চিত কৰা অতিকৈ প্ৰয়োজন। বৰ্তমান সময়ত কৃষি আৰু আনুষংগিক আদি উত্তৰণেই আমাৰ ৰাজ্য চৰকাৰৰ মূল বিষয়বস্তু হোৱা উচিত। সমগ্ৰ ৰাজ্যতে কৃষি ভিত্তিত উদ্যোগ, অনুষ্ঠান-প্ৰতিষ্ঠান আদি গঢ়ি তুলাত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিব ৰাজ্যৰ বাহিৰত ক'ত ক'ত বেচিব পাৰি তাকো সঠিক কৰি আগবাঢ়িব লাগিব। তদুপৰি খেতিয়ক সকলক প্ৰচুৰ পৰিমাণে কীট-নাশক, বীজ, সাৰ-পানী আদি যোগান ধৰা উপৰিও মূলধন আদিবো সুব্যৱস্থা নকৰিলে নহ'ব। অসমৰ কোন কোন ঠাইত কি কি খেতি কৰিব পাৰি তাকো বাচি উলিয়াটো দৰকাৰ চৰকাৰ প্ৰশাসনে কি ধৰণে আৰু কেনে পৰ্যায়ত ৰূপায়ণ কৰিব তাৰ ওপৰতহে নিৰ্ভৰ কৰিব খেতিয়ক তথা সৰ্বসাধাৰণ জনতাই। ২০১১ চনৰ লোক পিয়ল মতে আমাৰ ৰাজ্য খেতিয়ক প্ৰায় ৩২ লাখ, কৃষি বনুৱা প্ৰায় ১০ লাখ, উপান্ত শ্ৰমিক প্ৰায় ৩৩ লাখ অন্যান্য শ্ৰমিক প্ৰায় ৪৫ লাখ। ঠিক এনেদৰে ২০১৯-২০২০ চনৰ ৰাজ্যৰ অৰ্থনীতি জৰীপ মতে ২০১১-২০১২ৰ তথ্য ৰাজ্যৰ প্ৰায় ৩২শতাংশ জনসাধাৰণ দৰিদ্ৰ সীমা ৰেখা তলত বসবাস কৰি আছে। তাৰে প্ৰায় ৩৪ শতাংশ গাঁৱত আৰু ২১ শতাংশ নগৰ অঞ্চলত বাস কৰে। কিন্তু ২০১১ লোকপিয়ল মতে আমাৰ ৰাজ্যৰ ৮৬ শতাংশই গাঁৱত বসবাস কৰে। দেশৰ গড় প্ৰায় ৬৯.৪ শতাংশতকৈ বহু বেছি। ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক জনতাই কৃষি কৰ্মৰ সৈতে জড়িত। হয়তো ঘৰুৱা উৎপাদনলৈ চোৱা যায় বছৰি কৃষিৰ অৱদান বৃদ্ধি পাইছে জানো? এনে পৰিবেশ পৰিস্থিতিৰ কৰ'না লগতে সম্পূৰ্ণ বন্ধই ৰাজ্যৰ অৰ্থনীতি, জীৱন জীৱিকা আদি স্থবিৰ কৰি পেলোৱা নাইনে? ইয়াৰ পৰিত্ৰাণৰ উপায় কি আৰু তাক চৰকাৰ, প্ৰশাসন আদিয়ে উচ্চ চিন্তা চৰ্চা কৰাটো প্ৰয়োজন। কৃষি, আনুষংগিক ক্ষেত্ৰ আদিত কিদৰে তদাৰক আৰু গুৰুত্ব দি সবল কৰি সৰ্বসাধাৰণ জনগণক ১০০ দিনীয়া কৰ্মসূচী প্ৰস্তুত কৰি উন্নতি বিকাশৰ চিন্তা কৰাটো যুগুত আৰু কৰ্মদিনত তেখেত সকলক কেনেদৰে নিয়োগ কৰি কাৰ্যদিন আদি বৃদ্ধি কৰিব লাগিব। কৃষি আদি কৰি বহুক্ষেত্ৰত কেইবা তৰপীয়া হৈছে জানো আমাৰ অসমত ও আমি আমাৰ ৰাজ্যখনক জৈৱিক কৃষিৰ মূল কেন্দ্ৰ ৰূপে সচা অৰ্থত গঢ়ি তুলিব পাৰিছেনে? কিয়নো জৈৱিক ভাৱে উৎপাদিত সকলোবোৰ বয়-বস্তু আন্তঃৰাষ্ট্ৰীয় চহিদা নথকাও নহয়। এই ক্ষেত্ৰত বাহিৰৰ বজাৰখনো চোৱা অতিকৈ দৰকাৰ। চাহিদা অধিক অক্ষুণ্ণ ৰাখিবলৈ ৰাজ্য চৰকাৰে নিজা ববীয়াকৈ সম্পদ আদি সঞ্চালিত কৰি অধিক সংগঠিত কৰিব লাগিব। ইয়াৰ লগতে জনগণক অৰ্থাৎ খেতিয়কক কিছু মূলধন দিয়াবো সুব্যৱস্থা কৰি আগুৱাই নিয়া প্ৰয়াস কৰাটো অতিকৈ জৰুৰী। জনগণৰ ক্ৰয় ক্ষমতা অধিক কৰিলেহে তাৰ চাহিদাও নিশ্চয় বাঢ়িব। আটাইতকৈ ডাঙৰ কথা চৰকাৰে দোকান, বজাৰ আদিৰো সঠিক ৰূপায়ণ কৰিব লাগিব। যাতে মধ্যভোগী, দালাল আদি শ্ৰেণীয়ে লাভালাভ আদায় কৰিব নোৱাৰে। কৃষি, আনুষংগিক আদি ক্ষেত্ৰৰ কথাবোৰ অন্য ক্ষেত্ৰতকৈ বহু বেছি নহয়নে? সেয়ে দোকান বজাৰ আদিসমূহ দীৰ্ঘম্যাদী হয় তাৰ ওপৰতো অধিক গুৰুত্ব কৰিব লাগিব। ইয়াৰ উপৰিও গাঁৱৰ নানান আন্তঃগাঁথনিকৈ ধৰি অন্যান্য ব্যৱহাৰ যোগেদি আৰু কাম-বন কবি জনতাৰ হাতলৈ ধনৰাশি অহাৰ ব্যৱস্থা কৰি গঢ়ি তুলিব লাগিব। তেতিয়াহে খেতিয়ক সকল উপকৃত হ'ব। কাৰণ কৃষিয়েই একমাত্ৰ কৃষকৰ মূল চালিকা শক্তি আৰু পৰম মূলধন। খেতিয়কে কৃষি কাৰ্যত জড়িত নহলে উৎপাদন ক'ৰ পৰা হ'ব। উৎপাদনেই যদি নহয় ৰাজ্য জনগণৰ অৱস্থা কোন দিশে ধাবিত হ'ব তাকো গভীৰ ভাৱে পৰ্যালোচনা কৰা সময়। তাকে নকৰিলে কৃষক তথা দৰিদ্ৰ জনতাৰ কি অৱস্থা হ'ব। বৰ্তমান বাজ্যখনৰ জন-জীৱন আৰু জীৱন-জীৱিকা সম্পূৰ্ণ স্তব্ধ তেনে ক্ষেত্ৰত অসমৰ সোণ হেন মাটিত পৰ্যাপ্ত পৰিমাণে কৃষকক কৃষি কৰ্মত অধিক নিয়োজিত কৰিব পাৰিলে নিশ্চয় ৰাজ্যখনৰ অৰ্থনীতিত বাৰুকৈ সকাহ হ'ব। একেডৰা মাটিত বিভিন্ন সময়ত বিভিন্ন খেতি কৰিব পাৰে তাৰো সুব্যৱস্থা কৰিব লাগিব। এই ক্ষেত্ৰত চৰকাৰ দায়িত্ব অধিক বিশেষকৈ কৃষি বিভাগৰ। কৃষি বিভাগে নানান পৰিকল্পনা কৰি কৃষকক আগুৱাই নিবলৈ যথেষ্ট কষ্ট স্বীকাৰ কৰিবই লাগিব। কৃষকক মূলধনো যোগান ধৰা উপৰিও উপযুক্ত পানী, সাৰ, বীজ, কীটনাশক দ্ৰব্য আদিৰো যোগান সুনিশ্চিত কৰি খেতিপথাৰসমূহত আত্মনিয়োগ কৰিব লাগিব। কিয়নো মধ্যভোগী, দালাল আদি শ্ৰেণীয়ে কৃষকক সময়ে সময়ে মূৰত বাম টাঙোন শোধায়। যাৰ ফলত কৃষক সকলে মূৰে কপালে ধৰিব লগা পৰিস্থিতিয়ে দেখা দিয়ে। কিছু কৃষকে এইবোৰৰ বোজা সহ্য কৰিব নোৱাৰি আত্মহত্যা কৰা ঘটবাও নঘটা নহয়। আজি বিজ্ঞান কাৰিকৰী প্ৰযুক্তি বিদ্যাৰ যুগতো কৃষকে খেতি-বাতি আদি প্ৰকৃতিৰ হাতলৈ মুখলৈ বাট চাব লাগে। তদুপৰি আওপুৰনি পদ্ধতিৰে খেতি-বাতি কৰা পৰিলক্ষিত হৈছে। অসম চৰকাৰৰ বিয়াগোম বিভাগ এটা থকা স্বত্বেও আজি দৰিদ্ৰ খেতিয়ক, আদৰ্শ খেতিয়ক আদিয়ো জানো বঞ্চিত হব লগীয়া হোৱা নাই। অফিচৰ যি মেৰ পেচ অন্য হাতেদি দালাল, মধ্যভোগীসকলৰ কথা নকওঁয়ে। আজি জটিল পৰিৱেশ পৰিস্থিতিত চৰকাৰ, প্ৰশাসনে কৃষি কৰ্মত অধিক মনোনিৱেশ নকৰিলে ৰাজ্যৰ অৰ্থনীতিত ভীষণ আঘাত জন্মিব। এটা কথা গভীৰভাৱে পৰ্যালোচনা কৰা সময় কৃষি কাৰ্যত কিমান লোক জড়িত তাৰ হিচাপ সঠিক চৰকাৰ তথা কৃষি বিভাগবো নাই। এই লোকসকল কৰ্মহীন হৈ পৰে কিমান বৃহৎ সমস্যাই দেখা দিব আৰু অসমৰ অৰ্থনীতিত অধিক ধৰণে বাধাৰ প্ৰাচীৰ নহবনে ৰাজ্যৰ বাহিৰ পৰা যিসকল লোক অসম মাতৃভূমিলৈ অৰ্থাৎ স্বগৃহলৈ ইতিমধ্যেই আহিছে। তেখেত সকল কৰ্মসংস্থাপনৰ পৰা বঞ্চিত হৈছে অথচ কৰ্ম কৰিব পৰা ব্যক্তি আৰু অসমৰে সন্তান। সেই সকলৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কি কি ব্যৱস্থা লৈছে বা লব আৰু সেই বঞ্চিত, কৰ্মহীনসকলক কৰ্মসংস্থাপন কেনেদৰে দিব ইত্যাদি ইত্যাদি লগতে সুব্যৱস্থা কৰাটো অতিকৈ জৰুৰী। অসমত ইতিমধ্যেই লাখ লাখ নিবনুৱা আছেই আকৌ পুনৰ এবাৰ সংযোগ হয় কিবা সমস্যাত পেলাব নেকি তাকো চোৱা প্ৰয়োজন। যিহেতু কিমান লাখ লোক আছে সঠিক হিচাপ পোৱা যাবনে? এই ক্ষেত্ৰত গাঁও পঞ্চায়তৰ যথেষ্ট কৰণীয় দিশ আছে। নিবনুৱাক কৰ্ম সংস্থাৰৰ ব্যৱস্থা লব পাৰে। গাঁও পঞ্চায়তৰ সভাপতি, আঞ্চলিক সদস্য, বাৰ্ড সদস্য আদিয়েও উচ্চ চিন্তা চৰ্চা কৰা উপৰিও নিৰপক্ষতাৰে কামবোৰ কৰিব লাগিব। কমিচন অৰ্থাৎ দুৰ্নীতি অনিয়মৰ মনোভাৱেৰে যদি কৰে হব জানো? তদুপৰি নিজৰ মাজতে ভাগ বতোৱা কৰি নাইকিয়া কৰা মানসিকতা পৰিহাৰ কৰিব লাগিব। তাৰ প্ৰমাণ চৰকাৰে ৰেচন কাৰ্ড নথকাসকলৰ বাবে এক হাজাৰ টকা দিছিল বহু ঠাইত এক হাজাৰ ঠাইত সাতশ আঠশ টকাহে পালে। সভাপতি, আঞ্চলিক সদস্য আৰু বাৰ্ড সদস্য আদি ঘৰৰ ব্যক্তিয়ে পালে প্ৰকৃততে পাবলগীয়াসকল বৈ গ'ল। মুঠতে সদিচ্ছা, আগ্ৰহ আৰু নিকা নিৰপক্ষতা লগতে দূৰদৰ্শিতাৰ অভাৱ আৰু ব্যক্তিৰ আক্ৰোশ। এনে মানসিকতা হ'লে কেনেদৰে আগবাঢ়িব। মুঠতে অসমৰ অৰ্থনীতি টনকিয়াল নকৰিলে বিপদ অনিবাৰ্য। চৰকাৰেও অসমৰ সোণ হেন মাটি যাতে ক'তো পৰি নাথাকে তাৰ সুব্যৱস্থা কৰক আৰু তাত শস্য আদি ৰোপণ কৰক। কৃষিয়েই ৰাজ্য-দেশৰ চালিকা শক্তি আৰু পৰম শক্তি। সেয়ে চৰকাৰ, কৃষক আৰু সৰ্বসাধাৰণ জনগণ আদিও কৃষিৰ উৎপাদনত অধিক মনোনিৱেশ কৰি আমাৰ ৰাজ্যৰ অৰ্থনীতিক অধিক সবল কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰিব লাগিব। চৰকাৰে কৃষকক সৰ্বাধিক সহায়ৰ হাত আগবঢ়াওক। কৃষি কৰ্মত আত্মনিয়োগ হবলৈ উৎসাহ, প্ৰেৰণা আৰু মনোবল সুদৃঢ় কৰক। তেতিয়া নিশ্চয় আমাৰ ৰাজ্য যোগ্য ভোগ্য বসুন্ধৰাৰে আগুৱাই নতুন দিগন্তৰ সূচনা হ'ব। কৃষি হ'ল লক্ষ্মী দেবীৰ ভঁৰাল। আহক আমি কৃষি কৰ্মত জড়িত হৈ আমাৰ সম্পদ আৰু পথাৰ, বজাৰ আদি চহকী কৰো। এই ক্ষেত্ৰত সকলো পক্ষই অধিক গুৰুত্ব দি আগুৱাই যাব লাগিব নহলে আমাৰ বিপদ অনিবাৰ্য বৰ্তমান ক'ভিড-১৯ কৰ'নাৰ যি সন্ত্ৰাস সেই সময়ত আমি সকলোৱে সজাগ, সচেতন আৰু সংযত কৰি অতি জৰুৰী নহ'লে কিনা কাৰণত ঘৰৰ পৰা বাহিৰ নহ'ব। নিজেই বাচি থাকিলে পৰিয়াল, সমাজ বাচিব। এইবোৰতো গুৰুত্ব দি কাম আগবাঢ়িব লাগিব।

# কোঁচ ৰজাৰ ৰাজ্যাভিষেকৰ কিছু নীতি-নিয়ম

সুমন বৰা

**কোঁ**চ ৰাজ্যৰ ৰাজ অভিষেক কেৱল এজন নতুন ৰজাক সিংহাসনত বহুওৱাৰ অনুষ্ঠান নাছিল, ই আছিল ৰাজশক্তি, ধৰ্মীয় পৰম্পৰা, সামৰিক গৌৰৱ, সামাজিক ঐক্য আৰু ৰাজবংশীয় মৰ্যাদাৰ এক মহিমান্বিত সংমিশ্ৰণ। এই ৰাজ্যাভিষেক অনুষ্ঠানৰ মাজেৰে এজন যুৱৰাজ কেৱল ৰজা নহয়, "কমতেশ্বৰ" ৰূপে সমগ্ৰ ৰাজ্যৰ অভিভাৱক হিচাপে স্বীকৃতি লাভ কৰিছিল। শতাব্দীৰ পিছত শতাব্দী ধৰি চলি অহা এই ৰাজ পৰম্পৰাই কোঁচ ৰাজবংশৰ ৰাজকীয় ঐতিহ্যক এক অনন্য উচ্চতালৈ লৈ গৈছিল।

পুৱাৰ প্ৰথম প্ৰহৰতেই ৰাজহাউলিৰ অন্তঃপুৰত আৰম্ভ হৈছিল ব্যস্ততা। দেৱান চাহাবৰ নিৰ্দেশত খাজনজি বাবুৱে তুষাখানাৰ প্ৰকাণ্ড দুৱাৰ মুকলি কৰিছিল। এই তুষাখানা আছিল কোঁচ ৰাজবংশৰ গৌৰৱময় ঐতিহ্যৰ এক জীৱন্ত ভাণ্ডাৰ। ইয়াত সংৰক্ষিত হৈ থাকিছিল ৰজাসকলৰ যুদ্ধত ব্যৱহৃত তৰোৱাল, ঢাল, বৰচী, বন্দুক, হাতীৰ দাঁত, বাঘৰ ছাল, হৰিণৰ শিং, আৰু বহু দুৰ্লভ সামগ্ৰী। প্ৰতিটো সামগ্ৰী যেন কোঁচ ৰাজ্যৰ অতীত বীৰত্বৰ ইতিহাস কঢ়িয়াই লৈ ফুৰিছিল।

এই তুষাখানাৰ পৰা সন্মানেৰে উলিয়াই অনা হৈছিল "হনুমান দণ্ড" বা "ৰাজদণ্ড"। এই ৰাজদণ্ড কেৱল শাসনৰ প্ৰতীক নাছিল; ই আছিল ৰাজবংশীয় অধিকাৰ আৰু ঐশ্বৰিক আশীৰ্বাদৰ প্ৰতীক। বিশ্বাস কৰা হৈছিল যে এই দণ্ডত পূৰ্বপুৰুষ ৰজাসকলৰ শক্তি আৰু আশীৰ্বাদ নিহিত হৈ আছে। ৰাজপুৰোহিতে প্ৰথমে এই দণ্ড কুলদেৱীৰ মন্দিৰলৈ লৈ গৈ ৰূপৰ বিশাল বঁটাত স্থাপন কৰি পূজা কৰিছিল। সেন্দূৰ, চন্দন, ধূপ-দীপ আৰু বৈদিক মন্ত্ৰোচ্চাৰণেৰে ৰাজদণ্ড পৱিত্ৰ কৰা হৈছিল।

তাৰ পিছত ৰাজদণ্ড লৈ যোৱা হৈছিল ৰাজদৰবাৰলৈ। সেই দিনা ৰাজহাউলি যেন উৎসৱৰ নগৰীত পৰিণত হৈছিল। ৰাজবংশৰ সদস্য, সামন্ত, বৰকন্দাজ, চিপাহী, সন্তৰি, ৰাজপুৰোহিত, অতিথি আৰু অসংখ্য প্ৰজা—সকলোৱে আনন্দত আত্মহাৰা হৈ পৰিছিল। কুযান গান, ঢোল, কাঁহ, শঙ্খ আৰু উলুধ্বনিয়ে সমগ্ৰ ৰাজপ্ৰাসাদ মুখৰিত কৰি তুলিছিল। অন্তঃপুৰত ৰাজকুঁৱৰী আৰু ৰাজমহিলাসকল পাট-মুগাৰ বস্ত্ৰ, সোণ-ৰূপৰ অলংকাৰ পৰিধান কৰি ৰাস উৎসৱৰ সৌন্দৰ্য বৃদ্ধি কৰিছিল।

কোঁচ ৰাজবংশৰ এটা বিশেষ বৈশিষ্ট্য আছিল—ৰাজভোজ। এই ভোজত উচ্চ-নীচৰ ভেদাভেদ নাথাকিছিল। ৰাজ পৰিয়ালৰ সদস্য, সামন্ত, সৈনিক, সাধাৰণ প্ৰজা—সকলো একেলগে বহি ভাত খাইছিল। এই পৰম্পৰাই স্পষ্টকৈ দেখুৱাইছিল যে কোঁচ ৰজাসকলে নিজৰ প্ৰজাক কেৱল শাসনৰ বিষয় হিচাপে নহয়, নিজৰ পৰিয়ালৰ অংশ হিচাপে গণ্য কৰিছিল।

ৰাজ অভিষেকৰ মূল অনুষ্ঠান আৰম্ভ হোৱাৰ সময়ত ভাৱী ৰজাক ৰাজকীয় শোভাযাত্ৰাৰে অন্তঃপুৰৰ পৰা ৰাজদৰবাৰলৈ অনা হৈছিল। আগফালে থাকিছিল অস্ত্ৰধাৰী বৰকন্দাজ দল, তাৰ পিছত চিপাহী-সন্তৰি, ৰাজপৰিষদ, ৰাজবংশৰ সদস্য আৰু বাদ্যবাজনা। নতুন ৰজাৰ গমন যেন এক বিজয়যাত্ৰাৰ ৰূপ লৈছিল। ৰাজদৰবাৰত সিংহাসনৰ সোঁফালে বহিছিল যুৱৰাজ আৰু ৰাজকুঁৱৰীসকল। বাওঁফালে কাপোৰৰ আঁৰৰ বিশেষ স্থানত বহিছিল ৰাজমহিলাসকল। মাজত স্থাপিত হৈ আছিল সোণ, ৰূপ আৰু দামী ৰত্নৰে অলংকৃত ৰাজসিংহাসন।



ৰাজপুৰোহিতে বৈদিক মন্ত্ৰোচ্চাৰণৰ মাজেৰে নতুন ৰজাৰ মূৰত ৰাজমুকুট পিন্ধাই দিছিল। সেই মুহূৰ্তত সমগ্ৰ দৰবাৰ নিস্তব্ধ হৈ পৰিছিল। লগে লগে ৰাইকুত চাহাবে ৰজাৰ মূৰৰ ওপৰত মেলি ধৰিছিল পাটৰ নিৰ্মিত, সোণৰ পৰশ দিয়া ৰাজছত্ৰ। এই ৰাজছত্ৰ আছিল ৰাজকীয় সুৰক্ষা আৰু ঐশ্বৰিক অধিকাৰৰ প্ৰতীক। নতুন ৰজাৰ মুখমণ্ডলত তেতিয়া যেন এক অতুলনীয় আভা বিচ্ছুৰিত হৈছিল।

তাৰ পিছত ৰাজপুৰোহিতে ৰজাৰ হাতত তুলি দিছিল ৰাজদণ্ড। এই ৰাজদণ্ডই বুজাইছিল—এতিয়াৰ পৰা সমগ্ৰ ৰাজ্যৰ ন্যায়, শাসন আৰু সুৰক্ষাৰ দায়িত্ব তেওঁৰ হাতত। আনখন হাতত দিয়া হৈছিল সুপ্ৰাচীন নাৰায়ণী মুদ্ৰা। এই মুদ্ৰা আছিল কোঁচ ৰাজ্যৰ স্বকীয় পৰিচয়। ৰজাই সেই সোণৰ মুদ্ৰা কপালত লগাই সেৱা কৰি "কমতেশ্বৰ" নাম গ্ৰহণ কৰিছিল। এই নাম গ্ৰহণৰ অৰ্থ আছিল— তেওঁ এতিয়া কেৱল এজন ব্যক্তি নহয়, সমগ্ৰ কমতা ৰাজ্যৰ ঐশ্বৰিক অধিকাৰী।

নাৰায়ণী মুদ্ৰাৰ এটা পিঠিত উৎকীৰ্ণ হৈ থাকিছিল—

"শ্ৰীশ্ৰীশিৱচৰণ কমতা মধুকৰস্য"

আৰু আনটো পিঠিত—

"শ্ৰীশ্ৰীমান নৰনাৰায়ণ সাকে ১৪৭৭"।

এই লেখাসমূহে কোঁচ ৰাজ্যৰ ধৰ্মীয় বিশ্বাস, ঐতিহ্য আৰু ঐতিহাসিক স্মৃতি বহন কৰিছিল।

ৰাজ অভিষেকৰ আন এটা গুৰুত্বপূৰ্ণ অংশ আছিল নতুন মুদ্ৰা প্ৰচলন। ৰাজ অভিষেক উপলক্ষে বিশেষভাৱে নতুন ৰজাৰ নাম খোদিত সোণৰ মুদ্ৰা আৰু সোণৰ মোহৰ তৈয়াৰ কৰা হৈছিল। এই মুদ্ৰা ৰজাৰ হাতত তুলি দিয়াৰ পিছত ৰজাই ৰাজচিহ্নৰ ফালে চাই নতুন মুদ্ৰাৰ প্ৰচলনৰ ঘোষণা কৰিছিল। সেই মুহূৰ্তৰ পৰাই সমগ্ৰ কোঁচ ৰাজ্যত নতুন ৰজাৰ নামত নাৰায়ণী মুদ্ৰা প্ৰচলিত হৈছিল। ই আছিল শাসনৰ আনুষ্ঠানিক স্বীকৃতি। ৰাজ অভিষেক অনুষ্ঠানৰ পিছত আৰম্ভ হৈছিল আশীৰ্বাদ গ্ৰহণ। ৰাজপুৰোহিত, দেৱান, বৰভূএগ, সামন্ত আৰু বয়োজ্যেষ্ঠসকলে নতুন ৰজাক আশীৰ্বাদ দিছিল। প্ৰজাসকলেও "জয় কমতেশ্বৰ" ধ্বনিৰে সমগ্ৰ ৰাজদৰবাৰ কঁপাই তুলিছিল।

এই সমগ্ৰ অনুষ্ঠানৰ মাজেৰে স্পষ্টকৈ দেখা যায় যে কোঁচ ৰাজবংশৰ ৰাজ অভিষেক কেৱল ৰাজনৈতিক ঘটনা নাছিল; ই আছিল ধৰ্ম, সংস্কৃতি, সামৰিক শক্তি, সামাজিক সম্প্ৰীতি আৰু ঐতিহাসিক পৰম্পৰাৰ এক মহান সংমিশ্ৰণ। এজন যুৱৰাজ এই অনুষ্ঠানৰ মাজেৰে কেৱল সিংহাসনত বহা নাছিল, তেওঁ কোঁচ ৰাজ্যৰ আত্মা, গৌৰৱ আৰু ঐতিহ্যৰ বাহক ৰূপে আত্মপ্ৰকাশ কৰিছিল।

# ধ্ৰুপদী ভাষাৰ মৰ্যাদা আৰু আমাৰ কৰণীয়

পদ্ম মৰাণ

**অ**সমীয়া জাতিৰ সুদীৰ্ঘ ইতিহাসত ২০২৪ চনৰ ৩ অক্টোবৰৰ দিনটো এক সোণালী আখৰেৰে লিপিৱদ্ধ হৈ ৰ'ল। কেন্দ্ৰীয় কেবিনেটে অসমীয়া ভাষাক 'ধ্ৰুপদী ভাষা' (Classical Language) হিচাপে আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰাৰ লগে লগে অসমীয়া ভাষাৰ প্ৰাচীনতা আৰু ইয়াৰ সাহিত্যিক সমৃদ্ধিৰ ওপৰত বিশ্বব্যাপী এক মোহৰ পৰিল। এই স্বীকৃতি কেৱল এক আৱেগিক উপলব্ধি নহয়, বৰঞ্চ ই আমাৰ ভাষাৰ হেজাৰ বছৰীয়া ইতিহাস, বিৱৰ্তন আৰু স্বকীয়তাৰ এক শক্তিশালী প্ৰমাণপত্ৰ। চৰকাৰীভাৱে কোনো এটা ভাষাক ধ্ৰুপদী মৰ্যাদা দিবলৈ হ'লে সেই ভাষাৰ সাহিত্যিক ইতিহাস ১৫০০ ৰ পৰা ২০০০ বছৰ পুৰণি হ'ব লাগে, ভাষাৰ এক মৌলিক সাহিত্যিক পৰম্পৰা থাকিব লাগে আৰু পুৰণি ভাষাৰ সৈতে আধুনিক ভাষাৰ এক স্পষ্ট যোগসূত্ৰ থাকিব লাগে। অসমীয়া ভাষাই এই সকলোবোৰ চৰ্ত পূৰণ কৰি আজি বিশ্বৰ অন্যতম প্ৰাচীন ভাষাৰ শাৰীত নিজৰ স্থান সুৰক্ষিত কৰিছে। কিন্তু এই মৰ্যাদা প্ৰাপ্তিৰ পাছত আমাৰ উল্লাস যিমান বৃদ্ধি পাইছে, সিমানেই বৃদ্ধি পাইছে আমাৰ ভাষাটোৰ প্ৰতি থকা দায়বদ্ধতা আৰু সামাজিক দায়িত্ব।

ধ্ৰুপদী ভাষাৰ মৰ্যাদাই অসমীয়া ভাষাৰ উত্তৰণৰ বাবে এক নতুন দিগন্ত মুকলি কৰিছে। ইয়াৰ দ্বাৰা ভাষাটোৰ গৱেষণাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা বিশেষ পুঁজি লাভ কৰাৰ লগতে দেশ-বিদেশৰ বিশ্ববিদ্যালয়সমূহত অসমীয়া ভাষাৰ চকী (Chair) স্থাপনৰ পথ প্ৰশস্ত হৈছে। কিন্তু প্ৰশ্ন হয়, কেৱল চৰকাৰী অনুদান বা শৈক্ষিক প্ৰকল্পৰ দ্বাৰাই এটা ভাষা জীয়াই থাকিব পাৰিবনে? ইতিহাসলৈ চালে দেখা যায় যে বহুতো ভাষাই এনে মৰ্যাদা পোৱাৰ পাছতো কেৱল পুথিভঁৰালৰ আলমাৰিত বা পুৰাতত্ত্বৰ বিভাগত আৱদ্ধ হৈ ৰৈছে। অসমীয়া ভাষাৰ ক্ষেত্ৰত যাতে তেনে নহয়, তাৰ বাবে আমাৰ কৰণীয় বহুত। সৰ্বপ্ৰথমে আমাৰ প্ৰাচীন সাহিত্য, যেনে— চৰ্যাপদৰ পৰা আৰম্ভ কৰি মাধৱ কন্দলীৰ ৰামায়ণ, শংকৰদেৱ-মাধৱদেৱৰ সৃষ্টিৰাজি আৰু বুৰঞ্জী সাহিত্যসমূহক আধুনিক প্ৰযুক্তিৰ সহায়ত বিশ্বদৰবাৰলৈ লৈ যাব লাগিব। এই অমূল্য সম্পদসমূহৰ সঠিক ডিজিটেল সংৰক্ষণ আৰু আন্তঃৰাষ্ট্ৰীয় ভাষাসমূহলৈ অনুবাদ কৰাটো বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। যদি আমি আমাৰ ধ্ৰুপদী সম্পদসমূহ পৃথিৱীৰ আগত দাঙি ধৰিব নোৱাৰোঁ, তেন্তে এই মৰ্যাদা কেৱল এটা আলংকাৰিক নাম হৈয়েই ৰৈ যাব।

বৰ্তমানৰ যান্ত্ৰিক যুগত বা 'মেকানিকেল এজ'ত ভাষাৰ অস্তিত্ব নিৰ্ভৰ কৰে তাৰ ব্যৱহাৰৰ ওপৰত। আজিৰ নতুন প্ৰজন্মৰ মাজত মাতৃভাষাৰ প্ৰতি এক উদাসীন ভাব গঢ়ি উঠা দেখা যায়। ইংৰাজী মাধ্যমৰ শিক্ষা আৰু গোলকীকৰণৰ প্ৰভাৱত বহুতে অসমীয়া ভাষাটো কেৱল কথা কোৱাৰ মাধ্যম হিচাপেই ব্যৱহাৰ কৰে, পঢ়া বা লিখাৰ অভ্যাস ক্ৰমান্বয়ে কমি আহিছে। ধ্ৰুপদী মৰ্যাদা লাভ কৰাৰ পাছত আমাৰ প্ৰাথমিক কৰ্তব্য হ'ল ঘৰৰ পৰাই ভাষাটোৰ প্ৰতি চেনেহ গঢ়ি তোলা। সন্তানক শৈশৱৰ পৰাই অসমীয়া লোককথা, সাধুকথা আৰু সাহিত্যৰ সোৱাদ দিয়াটো প্ৰতিগৰাকী অভিভাৱকৰ দায়িত্ব। ভাষা এটা তেতিয়াহে শক্তিশালী হয় যেতিয়া সেই ভাষাৰ পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি পায়। সেয়েহে, অসমীয়া কিতাপ পঢ়াৰ এক সামাজিক আন্দোলন গঢ়ি তোলাটো অত্যন্ত জৰুৰী। আধুনিক যুগত যিহেতু মানুহে ডিজিটেল মাধ্যম বেছি ব্যৱহাৰ কৰে, সেয়েহে ই-বুক, অডিঅ'বুক আৰু চচিয়েল মিডিয়াত মানদণ্ডসম্পন্ন অসমীয়া সমল বৃদ্ধি কৰাৰ দিশত আমি মনোনিৱেশ কৰিব লাগিব।

অসমীয়া ভাষাৰ এই গৌৰৱময় যাত্ৰাত আমাৰ সাহিত্যিক আৰু গৱেষকসকলৰ ভূমিকা অপৰিসীম। আমাৰ ভাষাটোৰ বিৱৰ্তনৰ যি তথ্যভিত্তিক ইতিহাস, তাক অধিক শক্তিশালী কৰিবলৈ ভাষাতাত্ত্বিক গৱেষণাৰ প্ৰয়োজন। ধ্ৰুপদী মৰ্যাদাই যিহেতু কেন্দ্ৰীয় বিশ্ববিদ্যালয়সমূহত অসমীয়া ভাষাৰ আসন নিশ্চিত কৰিছে, গতিকে অসমৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে এই দিশত উচ্চ শিক্ষা আৰু গৱেষণা কৰিবলৈ আগবাঢ়ি আহিব লাগে। ইয়াৰ উপৰিও, আমাৰ দৈনন্দিন চৰকাৰী কাম-কাজ, ব্যৱসায়-বাণিজ্য আৰু আদালতত অসমীয়া ভাষাৰ প্ৰয়োগ অধিক ব্যাপক কৰিব লাগিব। ভাষা এটাৰ আৰ্থিক মূল্য (Economic Value) থাকিলেহে মানুহ সেই ভাষাৰ প্ৰতি অধিক আকৃষ্ট হয়। গতিকে, কৰ্মসংস্থাপনৰ ক্ষেত্ৰত বা বৃত্তিমূলক শিক্ষাত অসমীয়া ভাষাক এক বিশেষ স্থান দিব পাৰিলে ইয়াৰ ভৱিষ্যত অধিক সুৰক্ষিত হ'ব।

আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল অসমৰ বিভিন্ন জনগোষ্ঠীয় ভাষাসমূহৰ সৈতে অসমীয়া ভাষাৰ সম্পৰ্ক সুদৃঢ় কৰা। অসমীয়া ভাষা বহুতো জনজাতীয় ভাষাৰ সংমিশ্ৰণত গঢ়ি উঠা এক 'লিংগুয়া ফ্ৰাংকা'। গতিকে ধ্ৰুপদী মৰ্যাদাৰ এই আনন্দত আমি আমাৰ সহযোগী ভাষাসমূহকো লগত লৈ আগুৱাই যাব লাগিব। সকলো জনগোষ্ঠীৰ মাজত এক সমন্বয়ৰ ভাব থাকিলেহে অসমীয়া জাতি আৰু ভাষা শক্তিশালী হ'ব। ধ্ৰুপদী স্বীকৃতিয়ে আমাক এটা সুযোগ দিছে নিজৰ ঐতিহ্যক নতুনকৈ আৱিষ্কাৰ কৰিবলৈ। এই সুযোগক আমি কেৱল সভা-সমিতি বা অভিনন্দনৰ মাজতে সীমাবদ্ধ নাৰাখি এক বৌদ্ধিক বিপ্লৱলৈ ৰূপান্তৰিত কৰিব লাগিব।

সামৰণিত ক'ব পাৰি যে ধ্ৰুপদী ভাষাৰ মৰ্যাদা আমাৰ বাবে এক অধিকাৰ আৰু এক দায়িত্ব। ই আমাৰ ভাষাটোৰ প্ৰতি থকা হীনমন্যতা দূৰ কৰি এক বিশ্বজনীন মৰ্যাদা প্ৰদান কৰিছে। এতিয়া আমাৰ কৰণীয় হ'ল এই গৌৰৱক বাস্তৱৰ মাটিত প্ৰতিষ্ঠা কৰা। আমি আধুনিকতাৰ লগত খোজ মিলাব লাগিব, কিন্তু নিজৰ শিপাক পাহৰি নহয়। যদি আমি আমাৰ পুৰণি সাহিত্যক আদৰি লওঁ, নতুন সৃষ্টিৰে ভাষাটোক চহকী কৰোঁ আৰু নতুন প্ৰজন্মক মাতৃভাষাৰ প্ৰতি অনুৰাগী কৰিব পাৰোঁ, তেন্তেহে এই ধ্ৰুপদী মৰ্যাদাৰ প্ৰকৃত সাৰ্থকতা থাকিব। 'দৈনিক জনমভূমি'ৰ দৰে ঐতিহ্যমণ্ডিত কাকতৰ জৰিয়তে ৰাইজৰ মাজত এই সচেতনতা বৃদ্ধি কৰাটোৱেই আজিৰ সময়ৰ প্ৰধান আহ্বান। আমাৰ ভাষাই বিশ্ব জয় কৰক, কিন্তু তাৰ আগতে প্ৰতিগৰাকী অসমীয়াৰ হৃদয় জয় কৰাটো আমাৰ একমাত্ৰ লক্ষ্য হোৱা উচিত।

# সৰুপথাৰ মহাবিদ্যালয়ত ICMRৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ সম্পন্ন

**অসম বাৰ্তা, সৰুপথাৰ, ১২ মে'** ঃ ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ (ICMR)-ৰ বিশেষ সৌজন্যত আজি সৰুপথাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক গুৰুত্বপূৰ্ণ এনিমিয়া আৰু হিমগ্ল'বিন পৰীক্ষা শিবিৰ সফলতাৰে সম্পন্ন হয়। মহাবিদ্যালয়খনত প্ৰথমবাৰৰ বাবে আয়োজিত এই বিশেষ কাৰ্যসূচীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক সাধাৰণতে অত্যন্ত ব্যয়বহুল বুলি গণ্য কৰা এই স্বাস্থ্য পৰীক্ষাসমূহ সম্পূৰ্ণ বিনামূলীয়াকৈ লাভ কৰাৰ সুযোগ প্ৰদান কৰা হয়। মঙলবাৰে অনুষ্ঠিত এই শিবিৰত ICMR-ৰ পৰা অহা এটি ৭ জনীয়া দক্ষ বিশেষজ্ঞৰ দলে ছাত্ৰ-ছাত্ৰীসকলৰ তেজৰ নমুনা সংগ্ৰহ কৰে। বৰ্তমানৰ সময়ত বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত দেখা দিয়া স্বাস্থ্যজনিত সমস্যাসমূহৰ প্ৰতি লক্ষ্য ৰাখি এই পদক্ষেপ লোৱা হৈছে, যিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত স্বাস্থ্য সজাগতা বৃদ্ধি কৰাৰ লগতে তেওঁলোকৰ শৈক্ষিক জীৱনত শাৰীৰিক সুস্থতাৰ গুৰুত্বক পুনৰ প্ৰতিষ্ঠা কৰিছে। মহাবিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিয়া মতে, এনেধৰণৰ জনহিতকৰ পদক্ষেপে আৰ্থিকভাৱে পিছপৰা শিক্ষাৰ্থীসকলক বিশেষভাবে উপকৃত কৰিব আৰু ভৱিষ্যতেও এনে ধৰণৰ স্বাস্থ্যসেৱামূলক কাৰ্যসূচী অব্যাহত ৰখাৰ চেষ্টা কৰা হ'ব।

# লেঙ্গেৰীয়াঝাৰ কৃষক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ব'হাগৰ এদিন উদ্‌যাপন

**অসম বাৰ্তা, পাথৰিঘাট, ১২ মে'** ঃ দৰঙৰ অন্যতম আগশাৰীৰ লেঙ্গেৰীয়াঝাৰ কৃষক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ধাৰাবাহিকভাৱে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত এশ শতাংশ উত্তীৰ্ণৰে উজ্জ্বলি উঠা অগ্ৰণী শিক্ষানুষ্ঠানখনত ব'হাগৰ এদিন শীৰ্ষক এটি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি কল্পনা ডেকাৰ দ্বাৰা উদ্বোধন কৰা অনুষ্ঠানটিৰ আৰম্ভণিতে প্ৰাণৰ শিল্পী, হিয়াৰ আমঠু, অমৃত কণ্ঠ জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। তাৰ পিছত হুচৰি, হৰিধ্বনি, বিহু নৃত্য, ঝুমুৰ নৃত্য, বাগৰুম্বা নৃত্য, জিকিৰ, চিয়াগীত, তিৱা নৃত্য, গোৱালিনী নৃত্য, জেং বিহু, দেওধনী নৃত্য, মহোহো, ভূপেন্দ্ৰ সংগীত আদি অসমৰ বিভিন্ন জাতি জনগোষ্ঠীৰ কৃষ্টিৰ লগতে দৰঙৰ পুৰাতন লোক কৃষ্টি সমূহ ছাত্ৰ -ছাত্ৰী সকলৰ দ্বাৰা পৰিবেশন কৰা হয়। মূলতঃ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক বিহুৰ ওপৰত জ্ঞান দিয়াৰ লগতে অন্যান্য জাতি জনগোষ্ঠীৰ লোক কৃষ্টি সমূহৰ লগত পৰিচয় কৰি দি ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক-মানসিক তথা বৌদ্ধিক উত্তৰণ ঘটোৱাই এই অনুষ্ঠানটোৰ মূল উদ্দেশ্য। উল্লেখ্য যে অনুষ্ঠানটোৰ আৰম্ভণিতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা এটি মংগলাচৰণ আৰু গুৰুজনাৰ অমৰ সৃষ্টি এটি বৰগীত পৰিৱেশনেৰে শুভাৰম্ভ কৰা হয়। কাৰ্যসূচী সফল ৰূপায়ণ হোৱাত বিদ্যালয়ৰ অধ্যক্ষা নীলিমা বৰুৱাই ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ লগতে অভিভাৱক আৰু উপস্থিত আঞ্চলিক ৰাইজক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# ডিমাকুছিৰ ভোলাটাৰত বন্যহস্তীৰ আক্ৰমণত এজনৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টৰ, টংলা, ১২ মে'** ঃ ওদালগুৰি জিলাৰ অসম-ভূটান সীমান্তত অব্যাহত আছে হাতী-মানুহৰ সংঘাত। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চললৈ নামি অহা বন্যহস্তীৰ আক্ৰমণত বিগত দিনত কেইবাজনৰ মৃত্যু হোৱাৰ পিছতে আজি পুনৰ বন্যহস্তীৰ আক্ৰমণত নিহত হয় এজন লোক। জানিব পৰা মতে ওদালগুৰি জিলাৰ ডিমাকুছি আৰক্ষী থানাৰ অন্তৰ্গত ৩ নং ভোলাটাৰত আজি পুৱা প্ৰায় ৫ বজাত বন্যহস্তীয়ে গচকি হত্যা কৰে মাতিউছ ওৰাং নামৰ লোক। বামুণজুলি চাহ বাগিচাৰ শ্ৰমিক মাতিউছ বামুণজুলিৰ পৰা ভোলাটাৰ অভিমুখে গৈ থকা অৱস্থাত ৩ নং ভোলাটাৰৰ নৈত বাহৰ পাতি থকা বন্যহস্তীৰ দলে লোকজনক খেদি গৈ গচকি হত্যা কৰে। আজি স্থানীয় লোকে লোকজনৰ মৃতদেহ দেখি গাঁওৰক্ষী বাহিনী আৰু ডিমাকুছি আৰক্ষীক খবৰ দিয়ে। উল্লেখযোগ্য যে ভূটান সীমান্তত বন্যহস্তী-মানুহৰ সংঘাত দীৰ্ঘদিনীয়া যদিও হাতী-মানুহৰ সংঘাত ৰোধ কৰিবলৈ আজিলৈ একো ব্যৱস্থা হাতত নললে ৰাজ্যৰ বিয়াগোম বন বিভাগে।

# নলবাৰীত উলহ-মালহেৰে বিশ্ব ধাত্ৰী দিৱস উদ্‌যাপন




**অসম বাৰ্তা, নলবাৰী, ১২ মে'** ঃ নলবাৰী জিলাৰ ANM আৰু LHS চাৰ্ভিচ সন্থাৰ উদ্যোগত সোমবাৰে নলবাৰী জিলা কৰ্মচাৰী ভৱনত বিশ্ব ধাত্ৰী দিৱস উলহ-মালহেৰে উদযাপন কৰা হয়। নলবাৰী জিলাৰ ANM আৰু LHS সন্থাৰ সম্পাদিকা অনিতা দেৱীয়ে আঁত ধৰা অনুষ্ঠানটোত সভাপতিত্ব কৰে ৰাষ্ট্ৰীয় ফ্লৰেন্স নাইটিংগেল বঁটা প্ৰাপক তথা নলবাৰী জিলাৰ ANM আৰু LHS সন্থাৰ সভানেত্ৰী বীণাপাণি ডেকাই। সভাৰ আৰম্ভণিতে হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ফ্লৰেন্স নাইটিংগেল বঁটা প্ৰাপক বীণাপাণি ডেকাই আৰু মাল্যাৰ্পণ কৰে কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰশান্ত নাৰায়ণ চৌধুৰীয়ে। ইয়াৰ লগতে ফ্লৰেন্স নাইটিংগেলৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে কৰ্মচাৰী পৰিষদৰ সম্পাদক সুভাষ সাউদে আৰু মাল্যাৰ্পণ কৰে সম্পাদিকা অনিতা দেৱীয়ে। বন্তি প্ৰজ্বলনৰ পিছতে ফ্লৰেন্স নাইটিংগেলক সুঁৱৰি ANM আৰু LHS কৰ্মীসকলে এটি সমৱেত গীত পৰিৱেশন কৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে কৰ্মচাৰী পৰিষদৰ সম্পাদক সুভাষ সাউদ উপস্থিত থাকে। মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰসান্ত নাৰায়ণ চৌধুৰীয়ে। ইয়াৰ উপৰিও অনুষ্ঠানত কাকলি দাস, জ্যোৎস্না দাস, আছিমা বেগম, পাপৰি বৰ্মণ, অনিমা ডেকাকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ লগতে অৱসৰপ্ৰাপ্ত ANM আৰু LHS ৰ ৰুবী হাজৰিকা, লীলা দেৱী, চাহেৰা বেগম, অনিমা ৰয়, মালতী দেৱী, কাকলি দাস, ভণিতা কলিতা, গীতু দেৱী, বনশ্ৰী কলিতা, দিপিকা তালুকদাৰ, লীলাৱতী, মালতী দেৱী আদিকে ধৰি বহু ধাত্ৰীয়ে অংশগ্ৰহণ কৰি নলবাৰী জিলা কৰ্মচাৰী ভৱনত বিশ্ব ধাত্ৰী দিৱস উলহ-মালহেৰে উদযাপন কৰে। সভাৰ শেষত সংবাদমাধ্যমৰ আগত বক্তব্য ৰাখি বীণাপাণি ডেকাই কয় যে, "আজি আমি নলবাৰী জিলা কৰ্মচাৰী ভৱনত নলবাৰীৰ ANM আৰু LHS সন্থাৰ বিষয়ববীয়া আৰু অৱসৰপ্ৰাপ্ত বাইদেউসকল লগ হৈ বিশ্ব ধাত্ৰী দিৱস উদযাপন কৰিছোঁ। মই প্ৰতিগৰাকী কৰ্মীক এটা কথা জনাব বিচাৰোঁ যে, আমি যেনেদৰে অধিক কষ্ট আৰু নিষ্ঠাৰ বলত ফ্লৰেন্স নাইটিংগেল বঁটা লাভ কৰিবলৈ সক্ষম হৈছিলোঁ, ঠিক তেনেদৰে আপোনালোকেও চেষ্টা আৰু পৰিশ্ৰমৰ জৰিয়তে এই সন্মান লাভ কৰিবলৈ আগবাঢ়ি যাব লাগে।"

সন্মিলনৰ লগত জড়িত দহ গৰাকী প্ৰয়াত ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি

# দুধনৈ ঠেকাচু কৃষ্টি সংঘৰ সৌজন্যত ৪৮ সংখ্যক ঠেকাচু বহাগী বিদায় সন্মিলনৰ সমৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১২ মে'** ঃ ৰাজ্যৰ চৌপাশে এতিয়া বহাগীক বিদায় দিয়াৰ ব্যাপক প্ৰস্তুতি। ইয়াৰ মাজতে ১১ মে'তাৰিখে এদিনীয়া কাৰ্যসূচীৰে দুধনৈৰ জ্ঞানদায়িনী পুঁথিভঁৰাল প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয় ৪৮সংখ্যক ঠেকাচু বহাগী বিদায় সন্মিলন। ঠেকাচু কৃষ্টি সংঘৰ সৌজন্যত আয়োজিত এই অনুষ্ঠানত পৰম্পৰাগত ৰীতি-নীতিৰে বিহুৰ লগতে বিভিন্ন জনগোষ্ঠীয় কৃষ্টি প্ৰদৰ্শন কৰা হয়। দুধনৈৰ জ্ঞানদায়িনী পুঁথিভঁৰাল প্ৰাংগণত পুৱাৰে পৰা এক উখল-মাখল পৰিৱেশ দেখিবলৈ পোৱা যায়। ঠেকাচু বহাগী বিদায় সন্মিলনৰ উদ্যোগত আৰু ঠেকাচু কৃষ্টি সংঘৰ সৌজন্যত আয়োজিত এই সন্মিলনৰ শুভাৰম্ভ কৰা হয় পতাকা উত্তোলনেৰে। বিহু পতাকা উত্তোলন কৰে ৪৮ সংখ্যক ঠেকাচু বহাগী বিদায় উদ্‌যাপন সমিতিৰ সভাপতি বিনয়কৃষ্ণ ৰাভাই। তাৰ সমান্তৰালকৈ ঠেকাচু ৰাভা কৃষ্টি সংঘৰ পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ উপদেষ্টা প্ৰফুল্ল ৰাভাই। পতাকা উত্তোলনৰ লগত সংগতি ৰাখি "শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে উছবৰ মধু আলোড়ন" গীতটি আৰু কৃষ্টি সংঘৰ গীত পৰিবেশন কৰে স্থানীয় যুৱতী বোৱাৰী সকলে। ইয়াৰ পাছতে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ধৰণী পামে স্মৃতি তৰ্পণ কৰে। আনহাতে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ জৰিয়তে ঠেকাচু কৃষ্টি সংঘৰ লগত জন্মলগ্নৰে পৰা ওতপ্ৰোতঃভাবে জড়িত হৈ থকা ১০ গৰাকী প্ৰয়াত ব্যক্তি ক্ৰমে হিমাৰাণী ৰাভা, ৰঘুনাথ ৰাভা, গণিল ৰাভা, প্ৰকাশ ৰায়, বভ্ৰুবাহন ৰাভা, সবিতা ৰাভা, অমুল্য তালুকদাৰ, মধু সূত্ৰধৰ, জীনু ৰাভা আৰু গুঞ্জলতা নাথলৈ ভক্তিপূৰ্ণ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। সংঘৰ লগত জড়িত প্ৰয়াত ব্যক্তি সকলৰ পৰিয়াল বৰ্গক উদ্‌যাপন সমিতিৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। গোৱালপাৰা জিলা সাহিত্য সভাৰ সহঃসম্পাদক বিশ্বজিৎ বৰ্মণে উন্মোচন কৰে সন্মিলনৰ প্ৰাচীৰ পত্ৰিকা। এইখন মঞ্চতে দুধনৈৰ তিনিগৰাকী সমাজকৰ্মী ক্ৰমে খনীন্দ্ৰ নাথ সৰকাৰ ৰাভা, জগত চন্দ্ৰ নাথ আৰু সুবৰ্ণ ৰাভাক একোটাকৈ জাপি সম্বৰ্ধনা পত্ৰ আৰু ফুলাম বিহুৱানেৰে সম্বৰ্ধনা জনোৱাৰ উপৰিও সমাজৰ জেষ্ঠ্য ব্যক্তি সকলকো সন্মান জনোৱাৰ লক্ষ্যৰে অনুষ্ঠিত হয় আন এক বিশেষ সম্বৰ্ধনা অনুষ্ঠান। দিনৰ ভাগত অনুষ্ঠিত হোৱা এই বিশেষ অনুষ্ঠানৰ মূল আকৰ্ষণ আছিল বাৰেৰহণীয়া কৃষ্টি প্ৰদৰ্শন। বিহু নাচৰ লগতে ৰাভা আৰু বড়ো জনগোষ্ঠীৰ লোকনৃত্যই প্ৰাণৱন্ত কৰি তোলে জ্ঞানদায়িনী পুঁথিভঁৰালৰ প্ৰাংগণ। সম্প্ৰীতিৰ এই মঞ্চত দেখা গ'ল খিলঞ্জীয়া সংস্কৃতিৰ এক অপূৰ্ব মিলন। উল্লেখ্য যে, দিনৰ এই কাৰ্যসূচীৰ সমূহৰ অন্তত নিশালৈ অসমীয়াৰ প্ৰাণৰ শিল্পী হিয়াৰ আমঠু জুবিন গাৰ্গ সোঁৱৰণি সাংস্কৃতিক মঞ্চত বিহু হুচৰি তথা স্থানীয় শিল্পীৰ লগতে আমন্ত্ৰিত জনপ্ৰিয় শিল্পী ক্ৰমে নিতুল দাধৰা, মৌপ্ৰিয়া গগৈ, দিব্যাজ্যোতি গগৈ আৰু ৰাহুল ৰাজৰ গীত-মাতেৰে সকলোকে আপ্লুত কৰে।

সোমবাৰে নিশা নিহত এজন যুৱক

# পলাশবাৰীত অব্যাহত আছে বনৰীয়া হাতীৰ তাণ্ডৱ

**অসম বাৰ্তা, মিৰ্জা, ১২ মে'** ঃ দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ বিভিন্ন স্থানত দীৰ্ঘদিন ধৰি অব্যাহত আছে বনৰীয়া হাতীৰ তাণ্ডৱ। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা ওলাই অহা বনৰীয়া হাতীয়ে হাহাকাৰ কৰিছে খাদ্য বিচাৰি। এই বনৰীয়া হাতীৰ বাবে প্ৰায়ে পলাশবাৰীবাসী ৰাইজ শংকিত হোৱাৰ লেখিয়াকৈ জনাঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতী সমূহো মানুহক লৈ শংকিত। ইফালে ভোগ নিবাৰণৰ বাবে হাতী সমূহে ৰাইজৰ বাৰীত প্ৰৱেশ কৰি খাদ্য বিচৰাৰ লগতে বিভিন্ন সময়ত খেতিয়ক ৰাইজৰ ভড়াল বিচাৰিও অভিযান চলাই। শেহতীয়াকৈ যোৱা সপ্তাহৰ বৃহস্পতিবাৰে মাজকুছি -দতকুছি নিবাসী প্ৰণৱ কলিতাৰ নামৰ খেতিয়ক গৰাকীৰ ঘৰত বনৰীয়া হাতীয়ে তাণ্ডৱ চলাই। খেতিয়ক গৰাকীৰ গোহালীত থকা ভড়ালটো হাতীয়ে বিচাৰি পোৱাত প্ৰায় বিশ মুন ধান খোৱাৰ লগতে গোহালীটো ভাঙি লণ্ডভণ্ড কৰে বনৰীয়া হাতীয়ে। একেদৰে যোৱা দেওবাৰে নিশা পাচ জনীয়া বনৰীয়া হাতীৰ এটা জাকে নহিৰা গাঁৱৰ নীৰেণ কলিতা নামৰ লোক জনৰ বাসগৃহত তাণ্ডৱ চলাই বাসগৃহটো ভাঙি পেলায় আৰু ভড়ালৰ ধান ভক্ষণ কৰে। ওৰেটো নিশা নীৰেণ কলিতাৰ পৰিয়ালটিয়ে ভয় শংকাত কটাবলগীয়া হয়। ইফালে পলাশবাৰী সমষ্টিৰ লোহাৰঘাটৰ গোঁসাই পাৰত সোমবাৰে নিশা সংঘটিত হয় এক কৰুণ ঘটনা। বনৰীয়া হাতীৰ আক্ৰমণত নিহত হয় খেতিয়ক বিশ্বজিৎ ৰাভা নামৰ এজন যুৱক। নিশা জাকৰ পৰা ফালৰি কাটি অহা এটা বনৰীয়া হাতী তেওঁৰ ঘৰত প্ৰৱেশ কৰিছিল। হাতীটোক খেদিবলৈ যাওঁতেই সংঘটিত হয় এই কৰুণ দুৰ্ঘটনা। বিশ্বজিৎ ৰাভা আছিল নিজৰ পৰিয়ালৰ একমাত্ৰ ভৰসাস্থল। খেতি-বাতি কৰি কোনোমতে পৰিয়াল চলাই আহিছিল তেওঁ। সেয়েহে তেওঁৰ আকস্মিক মৃত্যুত পৰিয়ালটোৰ ওপৰত নামি আহিছে গভীৰ অমানিশা। ইফালে, এই ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে স্থানীয় ৰাইজৰ মাজত আতংকৰ পৰিৱেশে বিৰাজ কৰিছে। ৰাইজে বন বিভাগক তৎকালে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি বনৰীয়া হাতীৰ উপদ্ৰৱ নিয়ন্ত্ৰণ কৰাৰ দাবী জনাইছে।

ওৰঙ্গাজুলিৰ অভিনন্দন আৰু সম্বৰ্ধনা সভাত
সভাত বিশিষ্ট কবি-ঔপন্যাসিক জয়ন্ত ৰাজবংশী

# প্ৰতিভাৰ কৃচ্ছ সাধনাৰ অবিহনে জীৱনক সাৰ্থক কৰা অসম্ভৱ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১২ মে'** ঃ "প্ৰতিভাৰ কৃচ্ছ সাধনাৰ অবিহনে জীৱনক কেতিয়াও সহজে সাৰ্থক কৰি সজাই তুলিব পৰা নাযায়। জন্মোতে প্ৰতিজনেই নেদেখাজনৰ পৰা ১০০ শতাংশই প্ৰতিভা লগত লৈ জন্ম গ্ৰহণ কৰে। কিন্তু এই প্ৰতিভাৰ স'তে ৯৯ শতাংশ কৃচ্ছ সাধনাক সংগী কৰি ল'লৈহে হ'ল। অসমত থকা প্ৰতিজন কৰ্মচাৰীয়েই জীয়াই থকাৰ তাড়নাত বিভিন্ন ঘাট প্ৰতিঘাটৰ মাজেৰে নিজৰ কৰ্মজীৱন আগবঢ়াই লৈ যায়। যেতিয়া কৰ্মচাৰী এজনে অৱসৰী জীৱন সমাপ্তি কৰাৰ পিছত অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা সম্ভাষণ জনোৱা ব্যৱস্থাপনাই নিশ্চিতভাৱে অৱসৰী জীৱন অতিবাহিত কৰাত প্ৰেৰণা আগবঢ়াই।"- এইদৰে বক্তব্য ৰাখি ১০ মে'ত ওৰঙ্গাজুলি চাহ বাগিছাৰ অসম চাহ কৰ্মচাৰী সংঘৰ শাখাগোটৰ 'কৃতি ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন আৰু অৱসৰী কৰ্মচাৰীৰ বিদায় সম্বৰ্ধনা' অনুষ্ঠানখনি উদ্বোধন কৰে বিশিষ্ট কবি-ঔপন্যাসিক জয়ন্ত ৰাজবংশীয়ে। ওৰঙ্গাজুলি চাহ বাগিচাৰ কৰ্মচাৰী তথা অসম চাহ কৰ্মচাৰী সংঘৰ কোষাধক্ষ্য ইজাজ হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বিশিষ্ট অতিথি হিচাপে ভাষণ আগবঢ়াই অসম চাহ কৰ্মচাৰী সংঘৰ কেন্দ্ৰীয় সমিতিৰ উপসভাপতি দ্বীপেন তালুকদাৰ, মঙলদৈ শাখাৰ সভাপতি ৰমেন বড়ো, বাগিচাৰ মুখ্য পৰিচালক দলজিৎ সিং মান, ওৰঙ্গাজুলি চাহ বাগিচাৰ মাণ্ডলিক সমাজ কল্যাণ বিষয়া অতণু চিলয়ে। অসম চাহ কৰ্মচাৰী সংঘৰ ওৰঙ্গাজুলি বাগিচা গোটৰ স্থায়ী সভাকক্ষত অনুষ্ঠিত সভাখনিত ওৰঙ্গাজুলি চাহ বাগিচাৰ অৱসৰী কৰ্মচাৰী সুনীল শৰ্মা, কল্যাণী তাঁতী, সুষমা তাঁতী, দিলীপ কুমাৰ শৰ্মা, কণক চন্দ্ৰ শৰ্মা, মাঙৰা ওৰাং, শ্ৰীধৰ টচা, প্ৰশান্ত চক্ৰৱৰ্তী, নিৰোদ চৌধৰী, নন্দন মাঝি, কৃষ্ণ লহকৰক অৱসৰী সম্বৰ্ধনা জনোৱাৰ লগতে উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ অঞ্চলটিৰ কৃতী ছাত্ৰ-ছাত্ৰী ক্ৰমে উদয় তাঁতী, মনিকা ওৰাং, দেবিকা ওৰাং, প্ৰেমচন মুণ্ডা, জ্যোতিষময় নায়ক, মৃণালী মুণ্ডা, অঞ্চৰিকা বাগ্‌কে ধৰি আঠজন কৃতি ছাত্ৰ-ছাত্ৰীক অভিনন্দ প্ৰদাণ কৰে।

# উত্তৰ মাৰ্ঘেৰিটা লেখিকা সংস্থাৰ পঞ্চম দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন




**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১২ মে'** ঃ মাৰ্ঘেৰিটা উন্নয়ন খণ্ডৰ প্ৰেক্ষাগৃহত এদিনীয়া কাৰ্যসূচীৰে উত্তৰ মাৰ্ঘেৰিটা লেখিকা সংস্থাৰ পঞ্চম দ্বিবাৰ্ষিক অধিবেশনখনি অনুষ্ঠিত হয়। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত অধিবেশনৰ কাৰ্যসূচী বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে উত্তৰ মাৰ্ঘেৰিটা লেখিকা সংস্থাৰ সভাপতি চিত্ৰা বৰগোহাঞিয়ে। পাৰুল শইকীয়া দুৱৰীয়ে আত ধৰা অনুষ্ঠানত বিভিন্ন গৰাকীয়ে অনুষ্ঠানটো কবিতা, গীত-নৃত্যৰে জীপাল কৰি তোলে। সম্পাদিকা ডিম্পী বৈশ্যই উদেশ্য ব্যাখ্যা কৰা মুকলি সভাত উত্তৰ মাৰ্ঘেৰিটা লেখিকা সংস্থাৰ সভাপতি চিত্ৰা বৰগোহাঞিয়ে পৌৰাহিত্য কৰে। মুকলি সভাত ডিগবৈ জাতীয় বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা মণিকা শেনচোৱাই চয়নিকা গগৈ হাজৰিকাৰ সম্পাদনাত প্ৰকাশিত সংস্থাৰ মুখপত্ৰ বৰ্ণ মালঞ্চ উন্মোচন কৰে। মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ টুনু গগৈ বিশিষ্ট ব্যক্তি উপস্থিত থকা অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা পাচ গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনায়। আনহাতে এই অনুষ্ঠানতে উত্তৰ মাৰ্ঘেৰিটা লেখিকা সংস্থাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট কবি স্বৰ্গ জ্যোতি বৰাক ফুলাম গামোচা, স্মাৰক, গ্ৰন্থৰ টোপোলা আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিয়লি অনুষ্ঠিত বিষয় বাছনি সভাই পৰবৰ্তী কাৰ্যকালৰ বাবে ড° ৰুণজুন শইকীয়াক সভাপতি, ৰুক্মিণী হালৈক উপ-সভাপতি, পাৰুল শইকীয়া দুৱৰীক সম্পাদক, বৰ্ণালী গগৈক সহ- সম্পাদক, বন্দনা দত্ত দাসক আলোচনী সম্পাদক, ড° দীপশ্ৰী দাস সৰকাৰক সাংস্কৃতিক সম্পাদক, মিতালী গগৈক সহ সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচিত কৰে।

# শিৱসাগৰত শিশু আৰু কিশোৰ শ্ৰমিক (নিষেধ আৰু নিয়ন্ত্ৰণ) আইন, ১৯৮৬ৰ অধীনত গঠিত জিলা পৰ্যায়ৰ টাস্ক ফ'ৰ্চ সমিতিৰ বৈঠক সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১২ মে'** ঃ শিশু আৰু কিশোৰ শ্ৰমিক (নিষেধ আৰু নিয়ন্ত্ৰণ) আইন, ১৯৮৬-ৰ অধীনত গঠিত জিলা পৰ্যায়ৰ টাস্ক ফ'ৰ্চ সমিতিৰ এখন বৈঠক আজি শিৱসাগৰৰ অতিৰিক্ত জিলা আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰীৰ কাৰ্যালয় কক্ষত অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰীৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত জিলাখনত শিশু আৰু কিশোৰ শ্ৰমিক (নিষেধ আৰু নিয়ন্ত্ৰণ) আইন, ১৯৮৬-ৰ আওঁতাত অহা বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত মুখ্যতঃ জিলা পৰ্যায়ৰ টাস্ক ফ'ৰ্চ সমিতিখনৰ পুনৰগঠন সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে অহা ১২ জুনত জিলাখনত আয়োজন কৰিবলগীয়া "বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস'ৰ কাৰ্যসূচী সম্পৰ্কে আলোচনা কৰা হয়। অতিৰিক্ত জিলা আয়ুক্ত গৰাকীয়ে তেওঁৰ বক্তব্যত সংশ্লিষ্ট সকলো বিভাগ আৰু সংস্থাক ঐক্যবদ্ধভাৱে পাৰস্পৰিক সু-সমন্বয় ৰক্ষা কৰি শিশু শ্ৰমিকৰ সমস্যা নিৰ্মূলকৰণত সক্ৰিয় ভূমিকা পালন কৰিবলৈ নিৰ্দেশ দিয়ে। লগতে শিশু শ্ৰমিক নিয়োজিত হৈ থকা স্পৰ্শকাতৰ স্থানসমূহ (hotspots) চিনাক্ত কৰি সেইবোৰত নিয়মীয়া আৰু কঠোৰ তালাচী অভিযান চলাবলৈও তেওঁ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি, চাহ বাগিচা কৰ্তৃপক্ষ আৰু শ্ৰম বিষয়াসকলৰ সহযোগত এই বিষয়ে বিশেষকৈ চাহ বাগিচা অঞ্চলসমূহত ব্যাপক জনসজাগতা সৃষ্টি কৰিবলৈ তেওঁ আহ্বান জনায়। তদুপৰি, শিক্ষানুষ্ঠান, পৌৰসভা এলেকা আৰু গ্ৰামাঞ্চলসমূহতো ফলপ্ৰসূ গণ-সজাগতা অভিযান চলাবলৈ তেওঁ পৰামৰ্শ আগবঢ়ায়। তেওঁ লগতে শিৱসাগৰ নগৰৰ কিছু অঞ্চলত ভিক্ষাবৃত্তিত নিয়োজিত একাংশ পথৰ কণ-কণ শিশুৰ ভৱিষ্যত সুৰক্ষাৰ স্বাৰ্থত গঠনমূলক, স্থায়ী আৰু ফলপ্ৰসূ পদক্ষেপ গ্ৰহণৰো পোষকতা কৰে। বৈঠকত সহকাৰী শ্ৰম আয়ুক্ত ব্ৰজেন বৰুৱা, শ্ৰম পৰিদৰ্শকসকল, শিক্ষা, স্বাস্থ্য, সমাজ কল্যাণ, শিশু কল্যাণ সমিতি, শিশু হেল্প লাইন গোট, স্বেচ্ছাসেৱী সংগঠন আদিৰ বিষয়া-প্ৰতিনিধিবৰ্গ, সমাজসেৱক সকলৰ লগতে অন্যান্য সংশ্লিষ্ট বিভাগীয় বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

# গোসাঁইগাঁৱত শোকাৱহ ঘটনা; নদীত মাছ মাৰিবলৈ গৈ এটি শিশুৰ মৃত্যু

**অসম বাৰ্তা, গোসাঁইগাঁও, ১২ মে'** ঃ গোসাঁইগাঁৱত সংঘটিত হৈছে এক হৃদয়বিদাৰক ঘটনা। মাছ ধৰিবলৈ গৈ নদীত ডুবি এজনী কিশোৰীৰ কৰুণ মৃত্যু হোৱাৰ বিপৰীতে আন আন এটি শিশু এতিয়াও সন্ধানহীন হৈ আছে। এই ঘটনাই সমগ্ৰ বাংলাবাৰী অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে। তথ্য অনুসৰি গোসাঁইগাঁৱৰ বাংলাবাৰী অঞ্চলৰ কেইবাজনো শিশুৰ সৈতে মদাতী নদীত মাছ মাৰিবলৈ গৈছিল দুগৰাকী কিশোৰী। মাছ ধৰি থকাৰ মাজতে গৰমৰ পৰা সঁকাহ পাবলৈ নদীত গা ধুবলৈ নমাৰ সময়তে দুয়োগৰাকী হঠাতে নদীৰ গভীৰ পানীত ডুব যায়। লগত থকা আন শিশুসকলৰ চিঞৰ-বাখৰ শুনি স্থানীয় ৰাইজ ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হয় আৰু উদ্ধাৰ অভিযান আৰম্ভ কৰে। ঘটনাৰ খবৰ পোৱাৰ পিছতে এছডিআৰএফ (SDRF) বাহিনী আৰু তুলসীবিল আৰক্ষী চকীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। দীৰ্ঘসময়ৰ অভিযানৰ অন্তত উদ্ধাৰকাৰী দলে এজনী কিশোৰীক পানীৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয় যদিও চিকিৎসালয়লৈ নিয়াৰ পিছতে চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। প্ৰশাসনে ঈশা মাৰ্ডীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰে। আনহাতে ৬ বছৰীয়া বিউটি মাৰ্ডীৰ সন্ধানত এছডিআৰএফ বাহিনীয়ে নদীত তীব্ৰ অভিযান অব্যাহত ৰাখিছে। এই মৰ্মান্তিক ঘটনাই অঞ্চলটোত এক শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে। স্থানীয় সচেতন মহলে আৰু আৰক্ষী প্ৰশাসনে বাৰিষাৰ এই সময়ছোৱাত নদী-বিলৰ কাষলৈ ল'ৰা-ছোৱালীক পঠোৱাৰ ক্ষেত্ৰত অভিভাৱকসকলক অধিক সতৰ্ক আৰু সচেতন হ'বলৈ আহ্বান জনাইছে।

বড়ো, অসমীয়া, ৰাভা আধুনিক গীত প্ৰতিযোগিতাত কৃষ্ণাপ্ৰিয়া, সঞ্জু, কংকণা শ্ৰেষ্ঠ

# ২১ সংখ্যক ভেৰগাঁও মহকুমা ৰংজালী বৈশাগু আৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১২ মে'** ঃ বিগত বৰ্ষবোৰৰ দৰে এইবেলি একবিংশতিতম ভেৰগাঁও মহকুমা ৰংজালী বৈশাগু উৎসৱটি দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে আজিৰে পৰা ভেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আৰম্ভ হৈছে। এই উপলক্ষ্যে পুৱা ৰংজালী বৈশাগুৰ পতাকা উত্তোলন কৰে বি টি চিৰ ভেৰগাঁও পৰিষদীয় সমষ্টিৰ পাৰিষদ তথা ৰংজালী বৈশাগু উদযাপন সমিতিৰ সভাপতি দাউবাইছা বড়োৱে। তেওঁ ভাষণত যোৱা দুই দশকধৰি বিভিন্ন জনগোষ্ঠীৰ বৰ্ণাঢ্য কৃষ্টি- সংস্কৃতিৰ সমাহাৰ, উপস্থাপনেৰে ভেৰগাঁও মহকুমা সদৰত উদযাপিত ৰংজালী বৈশাগু উৎসৱে বৃহত্তৰ অঞ্চলটিলৈ সমন্বয়ৰ বাৰ্তা কঢ়িয়াই অনা বুলি উল্লেখ কৰি আহি থকা দিনবোৰতো এই ধাৰা অব্যাহত থাকিব বুলি আশা ব্যক্ত কৰে। ইয়াৰ পিচত স্মৃতি তৰ্পণ কৰে পুৰণি ভেৰগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক, সাংস্কৃতিক কৰ্মী বলেন্দ্ৰ ৰাভাই। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে ৰংজালী বৈশাগু উদযাপন সমিতিৰ অন্যতম উপদেষ্টা, সমাজকৰ্মী গণেশ ডেকাই। পৰৱৰ্তী কাৰ্যসূচী বড়ো, অসমীয়া আৰু ৰাভা ভাষাৰ গীতৰ প্ৰতিযোগিতা মুকলি কৰে খৈৰাবাৰী টাউন হাইস্কুলৰ প্ৰধান শিক্ষক, সাংস্কৃতিক কৰ্মী কৰ্ণৰাম বড়োৱে। এই প্ৰতিযোগিতাৰ অসমীয়া গীতৰ শিতানত কৃষ্ণাপ্ৰিয়া ৰাভা, বড়ো শিতানত সঞ্জু বড়ো আৰু ৰাভা শিতানত কংকণা ৰাভা শ্ৰেষ্ঠ হয়। পিচত অসমীয়া, বড়ো, ৰাভা ভাষাৰ গীতৰ আধাৰত অনুষ্ঠিত একক আধুনিক নৃত্য প্ৰতিযোগিতা মুকলি কৰে খৈৰাবাৰীৰ সমাজ কৰ্মী ধ্ৰুৱজ্যোতি বড়োৱে। সন্ধিয়া পুলেন্দ্ৰ দৈমাৰীৰ সোঁৱৰণত অনুষ্ঠিত স্থানীয় শিল্পীৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে হৰিশিঙা মডেল হাস্পতালৰ অধীক্ষক ডাঃ বসন্ত কুমাৰ দৈমাৰীয়ে। ইপিনে কাইলৈ পুৱা অনুষ্ঠিত হ'বলগীয়া বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বি টি চিৰ মনোনীত পাৰিষদ হেমপ্ৰভা দেৱীয়ে। আবেলি আমন্ত্ৰিত কেইবাটাও আগশাৰীৰ সাংস্কৃতিক দলে মুকলি বিহু, বৈশাগু, ৰাভা আৰু ঝুমইৰ নৃত্য পৰিৱেশনৰ কৰিব। বিহুতলী উদ্বোধন কৰিব ভেৰগাঁৱৰ সদ্য নিৰ্বাচিত বিধায়ক মহেশ্বৰ বড়োৱে। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব বি পি এফৰ সম্পাদক কৰুণা কান্ত স্বৰ্গীয়াৰীয়ে। নিশা অনুষ্ঠিত হ'বলগীয়া বড়োলেণ্ড ছহিদ সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব ভেৰগাঁও টি চি এল চি চিৰ অধ্যক্ষ বিক্ৰম দৈমাৰীয়ে। অনুষ্ঠানত গীত পৰিৱেশন কৰিব জনপ্ৰিয় কণ্ঠশিল্পী মৰ্মিতা মিত্ৰই।

# দুই নং দক্ষিণ ৰূপহীত কনিষ্ঠ ভাতৃয়ে জ্বলাই দিলে জ্যেষ্ঠ ভাতৃৰ ১৫ লাখ টকাৰ সামগ্ৰী, প্ৰয়োজনীয় নথি-পত্ৰ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১২ মে'** ঃ লখিমপুৰ জিলাৰ বগীনদী থানাৰ অন্তৰ্গত তথা চাউলধোৱা আৰক্ষী চকীৰ অধীনস্থ দুই নং দক্ষিণ ৰূপহীত পৈতৃক সম্পত্তিৰ লোভত কনিষ্ঠ ভাতৃয়ে জ্যেষ্ঠ ভাতৃৰ প্ৰায় ১৫ লাখ টকাৰ সম্পত্তি আৰু প্ৰয়োজনীয় নথি-পত্ৰ জ্বলাই দিয়া ঘটনা সংঘটিত হৈছে। জানিব পৰামতে, দুই নং দক্ষিণ ৰূপহীৰ স্থায়ী নিবাসী তথা বৰ্তমান দিল্লীত আই টি বি পিৰ জোৱান হিচাপে কৰ্মৰত প্ৰয়াত হৰ্ক বাহাদুৰ অধিকাৰী আৰু তাৰা অধিকাৰীৰ পুত্ৰ হেম অধিকাৰীৰ কনিষ্ঠ ভাতৃ বলিন অধিকাৰীয়ে কালি ১১ মে'ত দিনৰ ভাগত সুৰা সেৱন কৰি আহি নিজ ভাতৃৰ কোঠাৰ সামগ্ৰী লণ্ডভণ্ড কৰাৰ লগতে হেম অধিকাৰী, তেওঁৰ পত্নী গংগা অধিকাৰী আৰু তেওঁলোকৰ জীয়ৰী দিব্যাংশী অধিকাৰীৰ প্ৰায় ১৫ লাখ টকাৰ মূল্যবান কাপোৰ, কাঁহ, পিতলৰ বাচন-বৰ্তন আৰু অন্যান্য সামগ্ৰী জ্বলাই ভস্মীভূত কৰে। ইমানতে ক্ষান্ত নাথাকি বলিন অধিকাৰীয়ে হেমচন্দ্ৰ অধিকাৰীৰ দশম শ্ৰেণীৰ পৰা স্নাতক শ্ৰেণী লৈকে সকলো নথি-পত্ৰ, হেম অধিকাৰী আৰু গংগা অধিকাৰীৰ জাতিগত প্ৰমাণপত্ৰ, পেঞ্চন কাৰ্ডৰ মূল পেপাৰ, চাৰিখনকৈ এল আই চিৰ মূল প্ৰমাণপত্ৰ জ্বলাই দিয়ে। ঘটনা সন্দৰ্ভত আৰক্ষীক খবৰ দিয়াত বলিন অধিকাৰীক চাউলধোৱা আৰক্ষীয়ে আটক কৰে। তেওঁ পৈতৃক সম্পত্তিৰ বাবেই এনে অপৰাধ কৰিলে বুলি স্বীকাৰ কৰিছে।

## তামিলনাডুৰ উপাসনাস্থলী, শিক্ষানুষ্ঠান আৰু বাছ আস্থানৰ

দ্বাৰা পৰিচালিত। এটা আনুষ্ঠানিক চৰকাৰী আদেশত উল্লেখ কৰা হৈছে যে ৰাজ্যৰ সকলো শিক্ষানুষ্ঠান, চিকিৎসালয়, ধৰ্মীয় স্থান আৰু বাছ ষ্টেণ্ডৰ ওচৰত অৱস্থিত সুৰাৰ দোকান দুসপ্তাহৰ ভিতৰতে বন্ধ কৰিব লাগিব। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে জাৰি কৰা আদেশত কোৱা হৈছে, “সাধাৰণ জনতাৰ কল্যাণৰ কথা মনত ৰাখি তামিলনাডুৰ মুখ্যমন্ত্ৰী চি জোচেফ বিজয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছে।” সমাজ কল্যাণ আৰু জনস্বাৰ্থক অগ্ৰাধিকাৰ দিয়াৰ প্ৰতিশ্ৰুতিৰ মাজতে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। চৰকাৰী তথ্য অনুসৰি, TASMACয়ে বৰ্তমান ৰাজ্যখনত মুঠ ৪,৭৬৫খন সুৰাৰ দোকান চলাই আছে। ইয়াৰে ২৭৬খন পূজাস্থলীৰ ওচৰত, ১৮৬খন শিক্ষানুষ্ঠানৰ ওচৰত আৰু ২৫৫খন বাছ ষ্টেণ্ডৰ ওচৰত অৱস্থিত। বিজয়ৰ ‘নিচামুক্ত তামিলনাডু’ৰ প্ৰতিশ্ৰুতিৰ দিশত এইটোৱেই প্ৰথম বৃহৎ পদক্ষেপ। উল্লেখ্য যে, TASMACৰ সুৰা বিক্ৰীয়ে ৰাজ্যৰ ৰাজহৰ এক উল্লেখযোগ্য অংশ অৰিহণা যোগায়। ২০২৫ চনত এই খণ্ডৰ পৰা মুঠ ৰাজহ আছিল ৪৮,০০০ কোটি টকাৰো ওপৰত। ইফালে, এপ্ৰিল মাহৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে TASMACৰ দোকানসমূহ প্ৰৱৰ্তন অধিদপ্তৰ (ইডি)ৰ ৰাডাৰৰ অধীনত আছিল। যোৱা বছৰ কেন্দ্ৰীয় সংস্থাটোৱে নিগম আৰু ইয়াৰ সংযুক্ত প্ৰতিষ্ঠানসমূহৰ দ্বাৰা ধন সৰবৰাহৰ অভিযোগৰ সৈতে জড়িত হৈ ৰাজ্যৰ কেইবাটাও স্থানত অভিযান চলাইছিল। সেই সময়ত দ্ৰাবিড় মুনেত্ৰ কাঝাগম (ডিএমকে) ক্ষমতাত আছিল। পৰৱৰ্তী সময়ত ৰাজ্য চৰকাৰে বিষয়টো উচ্চতম ন্যায়ালয়লৈ লৈ যায় আৰু যোৱা বছৰৰ মে’ মাহত আদালতে ইডিৰ অতিমাত্ৰা অধিকাৰক্ষেত্ৰক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছিল। অনুৰাগীৰ মাজত ‘থালাপতি’ (Commander) নামেৰে পৰিচিত চি জোচেফ বিজয়ে অসংখ্য বাধা অতিক্ৰম কৰি তামিলনাডুৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছে। দেওবাৰে শপত লোৱাৰ লগে লগে তেওঁ নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণৰ লক্ষ্যৰে তিনিটা ঘোষণা কৰে। প্ৰথম ঘোষণা আছিল প্ৰতিটো বিলত ঘৰুৱা গ্ৰাহকক ২০০ ইউনিট বিনামূলীয়া বিদ্যুৎ প্ৰদান কৰা, কিন্তু ইয়াত চৰ্ত সংযোগ কৰি দিয়া হয় যে এই ৰেহাই কেৱল সেইসকল গ্ৰাহকে লাভ কৰিব যিসকলে দুমাহৰ বিলিং চক্ৰত সৰ্বাধিক ৫০০ ইউনিট বিদ্যুৎ ব্যৱহাৰ কৰে। এই চৰ্তই ছ’চিয়েল মিডিয়াত সমালোচনাৰ সৃষ্টি কৰিছে, কাৰণ বিজয়ে আগতে সকলোকে সম্পূৰ্ণ ২০০ ইউনিট বিনামূলীয়া বিদ্যুতৰ প্ৰতিশ্ৰুতি দিছিল যদিও এতিয়া লাভৰ বাবে বাধ্যতামূলক চৰ্ত সংযোগ কৰা হৈছে। দ্বিতীয় ঘোষণা আছিল ‘থাই মামমান থাংগা মথিৰাম থিত্তম’ বা ‘মাতৃৰ সোণৰ আঙুঠি আঁচনি’ — তামিলনাডুত জন্মগ্ৰহণ কৰা প্ৰতিটো শিশুকে চৰকাৰৰ আশীৰ্বাদৰ প্ৰতীক হিচাপে সোণৰ আঙুঠি পিন্ধোৱা। তৃতীয় ঘোষণা আছিল ‘বেবী ৱেলকাম কিট’ য’ত পুষ্টি সহায়ক সামগ্ৰী আৰু কেঁচুৱাৰ কাপোৰ অন্তৰ্ভুক্ত। তদুপৰি দৰিদ্ৰ কইনাৰ বাবে উচ্চমানৰ ৰেচম শাৰী আৰু মহিলা নেতৃত্বাধীন আত্মসহায়ক গোটৰ বাবে পাঁচ লাখ টকা পৰ্যন্ত সুদমুক্ত ঋণৰ প্ৰতিশ্ৰুতিও বিজয়ে আগবঢ়াইছে। ৰাজ্যখন যথেষ্ট ঋণৰ বোজাৰ সন্মুখীন হৈ থকা বুলি তেওঁ নিজেও স্বীকাৰ কৰে, আৰু সকলোৰে দৃষ্টি এতিয়া তেওঁ এই নিৰ্বাচনী প্ৰতিশ্ৰুতিসমূহ কেনেকৈ বাস্তৱায়িত কৰে তাৰ ওপৰত।

## উত্তৰ কাছাৰ পাৰ্বত্য

অৰুণ দেৱ চৌধুৰীৰ খণ্ড বিচাৰপীঠে শুনানি গ্ৰহণ কৰি স্পষ্ট কৰে যে ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত স্বায়ত্তশাসিত পৰিষদসমূহক যি আইন প্ৰণয়নৰ ক্ষমতা দিয়া হৈছে, সেই ক্ষমতাৰ ভিতৰত দলত্যাগ-বিৰোধী আইন অন্তৰ্ভুক্ত নহয়। আদালতে উল্লেখ কৰে যে দলত্যাগ সম্পৰ্কীয় বিষয় সম্পূৰ্ণভাৱে সংবিধানৰ দশম অনুসূচীৰ অধীনতহে নিয়ন্ত্ৰিত হয়। উল্লেখযোগ্য যে, ১৯৮৫ চনত ভাৰতীয় সংবিধানত দশম অনুসূচী সংযোজন কৰি দলত্যাগ-বিৰোধী আইন কাৰ্যকৰী কৰা হৈছিল। সংসদ আৰু ৰাজ্যিক বিধানসভাত ব্যাপক দল বাগৰা আৰু অসাংবিধানিক দল-পৰিৱৰ্তন ৰোধ কৰিবলৈ এই আইন প্ৰণয়ন কৰা হৈছিল। পৰৱৰ্তী সময়ত ২০০২ চনত সংবিধান কাৰ্যকৰীকৰণৰ ৰাষ্ট্ৰীয় আয়োগে এই আইন আৰু অধিক বলৱৎ কৰে। ন্যায়ালয়ে ৰায়ত উল্লেখ কৰে যে স্বায়ত্তশাসিত পৰিষদ কোনো সম্পূৰ্ণাংগ বিধানসভা নহয়। ষষ্ঠ অনুসূচীত স্পষ্টভাৱে উল্লেখ নথকা কোনো বিষয়তে পৰিষদে স্বতন্ত্ৰভাৱে আইন প্ৰণয়ন কৰাৰ অধিকাৰ নাই। সেয়ে পৰিষদে সংযোজিত দলত্যাগ-বিৰোধী নিয়ম ১৮এ কেৱল সংবিধান বিৰোধী বুলিয়েই ঘোষণা কৰা হৈছে, লগতে ই ক্ষমতাৰ সীমা অতিক্ৰম কৰা বুলিও স্পষ্ট কৰা হৈছে। ডিমা হাছাও জিলাৰ চাৰিগৰাকী ব্যক্তিয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন আবেদন দাখিল কৰিছিল। তেওঁলোকে পৰিষদৰ সদস্যসকল দলত্যাগৰ ভিত্তিত অযোগ্য ঘোষণা কৰাৰ বাবে সংযোজিত সংশোধনীক প্ৰত্যাহ্বান জনাইছিল। শুনানি গ্ৰহণ কৰি আদালতে স্পষ্ট কৰে যে এই ধৰণৰ আইন সংশোধন কৰিবলৈ হ’লে সংসদীয় ব্যৱস্থা আৰু সংসদৰ অনুমোদন লাভ কৰা বাধ্যতামূলক। ন্যায়ালয়ৰ এই ৰায়ৰ পিছত উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদত দলত্যাগ-বিৰোধী আইন কাৰ্যকৰী কৰাৰ ক্ষমতা সম্পূৰ্ণৰূপে নিষ্ক্ৰিয় হৈ পৰিছে। ৰাজনৈতিক মহলত এই ৰায়ক এক যুগান্তকাৰী সিদ্ধান্ত হিচাপে মূল্যায়ন কৰা হৈছে।

## আজি মা কামাখ্যাৰ আশীৰ্বাদ লৈ মুখ্যমন্ত্ৰীৰ

আৰু সমৃদ্ধিৰ পণ লৈ তেওঁ অসমক উন্নয়নৰ নতুন শিখৰত উপনীত কৰোৱাৰ সপোন দেখুৱাইছে। শপতগ্ৰহণৰ পূৰ্বে মঙলবাৰে পুৱা ড° শৰ্মাই মা কামাখ্যা দেৱীৰ সেৱা-আৰাধনা কৰি আশীৰ্বাদ লয়। তাৰ পিছতে তেওঁ সামাজিক মাধ্যম এক্সত এক পোষ্ট প্ৰকাশ কৰি জাননী দিয়ে যে মা কামাখ্যা আৰু মহাপুৰুষ শংকৰদেৱৰ কৰুণাত অসমে উন্নয়নৰ ক্ষেত্ৰত অভূতপূৰ্ব অগ্ৰগতি লাভ কৰিব। তেওঁৰ পোষ্টত উল্লেখ কৰা হৈছে— “মা কামাখ্যা আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আশীৰ্বাদে প্ৰতিগৰাকী অসমবাসীৰ জীৱন আলোকিত কৰক আৰু শান্তি, প্ৰগতি, সমৃদ্ধিৰ নতুন বাট মুকলি কৰক।” গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত এই ঐতিহাসিক শপতগ্ৰহণ অনুষ্ঠান সম্পন্ন হয়। ড° হিমন্ত বিশ্ব শৰ্মাই নিজৰ দায়িত্বৰ কথা পুনৰ্ব্যক্ত কৰি কয়, “আটাইবোৰ অসমবাসীক মোৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন। আজিৰ পৰা আমি সকলো একত্ৰিত হৈ এখন শক্তিশালী, অধিক উন্নত আৰু সমৃদ্ধিশালী অসম গঢ়ি তোলাৰ বাবে সম্পূৰ্ণ নিষ্ঠাৰে কাম কৰি যাম।”

## দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী

বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ উপস্থিতিত ৰাজ্যপালগৰাকীয়ে ড° শৰ্মাক মুখ্যমন্ত্ৰী পদৰ পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। মুখ্যমন্ত্ৰীৰ শপতগ্ৰহণৰ পাছতে ৰাজ্যৰ নতুন মন্ত্ৰীসভাৰ কেইবাগৰাকীও গুৰুত্বপূৰ্ণ সদস্যই শপত গ্ৰহণ কৰে। মন্ত্ৰী হিচাপে শপত লৈ অজন্তা নেওগে স্পষ্ট কৰি দিয়ে যে তেওঁ ভয় আৰু পক্ষপাতিত্ব নকৰাকৈ সকলো শ্ৰেণীৰ লোকৰ হিতৰ বাবে নিস্বাৰ্থভাৱে কাম কৰি যাব। আনহাতে, অসমৰ থলুৱা পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰি শপতগ্ৰহণ কৰা অতুল বৰাই নিজৰ দায়িত্ব আৰু কৰ্তব্য নিষ্ঠাৰে পালন কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ বুলি জানায়। চৰণ বড়োৱেও মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। তেওঁ নিজৰ মাতৃভাষা ‘বড়ো’ ভাষাতে শপত বাক্য পাঠ কৰি উপস্থিত দৰ্শকৰ মন জয় কৰে আৰু ৰাজ্যৰ ভাষিক বৈচিত্ৰ্যৰ নিদৰ্শন দাঙি ধৰে। ইপিনে, জ্যেষ্ঠ ৰাজনৈতিক নেতা ৰামেশ্বৰ তেলীয়েও ৰাজ্যিক কেবিনেটৰ গুৰুত্বপূৰ্ণ অংগ হিচাপে শপত গ্ৰহণ কৰে। নতুন চৰকাৰৰ এই বৰ্ণাঢ্য শপতগ্ৰহণ অনুষ্ঠানে অসমৰ উন্নয়ন, শান্তি আৰু প্ৰগতিত এক নতুন জোৱাৰ আনি দিব বুলি এতিয়া ৰাজ্যবাসীয়ে গভীৰ আশা প্ৰকাশ কৰিছে।

## ‘লেঙটা বাবালৈকে মাতিছে, মোলৈ নিমন্ত্ৰণ নাই’; অখিল

উপ-মুখ্যমন্ত্ৰী আৰু গণ্যমান্য ব্যক্তি উপস্থিত থাকিলেও এই অনুষ্ঠানলৈ নিমন্ত্ৰণ নোপোৱা এগৰাকী বিধায়কে তীব্ৰ আক্ষেপ প্ৰকাশ কৰিছে। শিৱসাগৰৰ দুবাৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে মঙলবাৰে সংবাদ মাধ্যমৰ আগত কয়, “মোক নামাতিলেই। এখনিও নিমন্ত্ৰণ পত্ৰ নিদিলে। ২২খন ৰাজ্যৰ মুখ্যমন্ত্ৰী-উপমুখ্যমন্ত্ৰী, গোটেই বিজেপি নেতা, সাধু-সন্ন্যাসী, এমনকি লেঙটা বাবালৈকে সকলোকে মাতিছে বুলি শুনিছোঁ। কিন্তু অসম বিধানসভাৰ দুবাৰৰ বিধায়ক আৰু এটা দলৰ সভাপতি অখিল গগৈক মতা নাই।” বিৰোধী ঐক্যৰ প্ৰসঙ্গত অখিল গগৈয়ে কয়, “বিৰোধী ঐক্যৰ আলোচনা আমি নকৰোঁ। ২০৩১ চনত কেনেকৈ চৰকাৰ গঠন কৰিব পাৰোঁ, তাক লৈ আলোচনা চলাব। এতিয়াই পৰা কাম আৰম্ভ কৰিম। বিজেপিৰ সাংগঠনিক শক্তি তুলনামূলকভাৱে বহুত বেছি। আমি বিৰোধী দলবোৰৰ শক্তি বৃদ্ধিৰ বাবে যিমান পাৰি কাম কৰিম।” গৌৰৱ গগৈৰ প্ৰসংগত তেওঁ কয়, “এই মুহূৰ্তত বিজেপিক গালি পাৰিবলৈ নাই। বিজেপিয়ে চৰকাৰ গঠন কৰিহে। গঠনৰ পিছদিনা পৰাহে গালি পাৰিম। তাৰ আগতে নিজৰ মাজৰ গণ্ডগোলবোৰ কৈ লৈছোঁ। গৌৰৱ গগৈক অসমত এনেদৰে ক’ব পৰা মানুহ পৃথিৱীত দ্বিতীয়জন নাই, কেৱল মই আছোঁ। দলৰ মানুহে নকয়, বুদ্ধিজীৱীসকলেও নকয়। মাজতে দুদিনমান তেওঁৰ গা গৰম কৰি দিছোঁ। এতিয়া আৰু নকওঁ, এতিয়া চৰকাৰক ধৰিম।” বিৰোধী ভূমিকা সম্পৰ্কে অখিল গগৈয়ে দাবী কৰে, “বিগত পাঁচ বছৰত ৰাইজৰ দলৰ বিধায়কে বিৰোধীৰ যি ভূমিকা পালন কৰিলে, সেই ভূমিকা কংগ্ৰেছৰ ২৯জন বিধায়কেও পালন নকৰিলে। সেই বাবেই মিতিৰালি কৰি কংগ্ৰেছৰ ছয়জন বিধায়ক বিজেপিলৈ গুচি গ’ল। আমাৰ শক্তি বাঢ়িল, তেওঁলোকৰ কমিল। তেওঁলোকৰ আদৰ্শ নাই কেৱল বুজাবুজিত থাকে, যাৰ বাবে ৰাইজে ভৰসা কৰা নাই।” ইয়াৰ উপৰিও তেওঁ কয়, “ৰাজ্যসভা আৰু ৰাষ্ট্ৰপতি নিৰ্বাচনত কংগ্ৰেছে বিজেপিক ভোট দিলে, কিন্তু দলে এক্সন নল’লে। তেন্তে কোনে বিশ্বাস কৰিব যে কংগ্ৰেছ বিজেপিৰ বিৰোধী? এইবাৰ বিধানসভাত আমাৰ দুজন হৈছে। আমি দুজনে হিমন্ত বিশ্ব শৰ্মাক লৰাই দিওঁ নে তেওঁলোকৰ ১৯ জনে ল’ৰাই দিয়ে, সেইটো চালে গম পাব। সেয়ে কোন বিজেপিবিৰোধী সেইটো বিধানসভাৰ অধিৱেশনতে ওলাই পৰিব।” গগৈয়ে লগতে কয়, “কেৱল মুখেৰে নহয়, হাতে-কামে দেখুৱাব লাগিব। কংগ্ৰেছ আৰু চিপিআইএমেও বিধানসভাত বিজেপিৰ লগত বুজাবুজি কৰিছে। মাত মতাৰ বাবে আমি এজনৰ পৰা দুজন হৈছোঁ, আৰু মাত নমতাৰ বাবে তেওঁলোক ২৯ৰ পৰা ১৯জন হৈছে। আমি আদৰ্শগতভাৱে বিজেপিৰ বিৰোধী, সাম্প্ৰদায়িক ৰাজনীতি নকৰোঁ।” উল্লেখযোগ্য যে, মঙলবাৰে গুৱাহাটীৰ মঠঘৰীয়াস্থিত ৰাইজৰ দলৰ মুখ্য কাৰ্যালয়ত আগন্তুক ৰাজনীতি সন্দৰ্ভে দলৰ জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়।

## প্ৰশ্নকাকত ফাদিল; NEET UG ২০২৬ৰ পৰীক্ষা বাতিল

বিবৃতিত কয় যে পৰীক্ষা ব্যৱস্থাত স্বচ্ছতা আৰু বিশ্বাস বজাই ৰখাৰ স্বাৰ্থত এই সিদ্ধান্ত লোৱা হৈছে। সংস্থাটোৱে লগতে নিশ্চিত কৰে যে নতুনকৈ নিৰ্ধাৰিত তাৰিখত পুনৰ পৰীক্ষা অনুষ্ঠিত হ’ব আৰু এইবাৰ ছাত্ৰ-ছাত্ৰীৰ পৰা কোনো ধৰণৰ পঞ্জীয়ন মাচুল লোৱা নহ’ব। এনটিএই বিবৃতিত উল্লেখ কৰে যে কেন্দ্ৰীয় সংস্থাসমূহৰ সৈতে সমন্বয়ত পৰীক্ষা সম্পৰ্কীয় তথ্য আৰু আইন প্ৰয়োগকাৰী সংস্থাসমূহৰ তদন্তৰ ভিত্তিত ভাৰত চৰকাৰৰ অনুমোদন সাপেক্ষে ৩ মে’ ২০২৬ তাৰিখে অনুষ্ঠিত হ’বলগীয়া NEET-UG পৰীক্ষা বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। পুনৰ পৰীক্ষাৰ তাৰিখ সম্পৰ্কে পৃথক অধিসূচনা জাৰি কৰা হ’ব বুলি সংস্থাই জানিবলৈ দিয়ে। ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে এনটিএই পুনৰ পৰীক্ষাৰ তাৰিখ আৰু এডমিট কাৰ্ড পুনৰ প্ৰদানৰ সময়সূচী সংস্থাটোৰ অফিচিয়েল চেনেলৰ জৰিয়তে সোনকালে জনাই দিব বুলি স্পষ্ট কৰে। পৰীক্ষাত অনিয়মৰ অভিযোগ সম্পৰ্কে বিস্তাৰিত তদন্ত চলাবলৈ চিবিআইক দায়িত্ব অৰ্পণ কৰা হৈছে। এনটিএই জানিবলৈ দিয়ে যে তদন্তৰ বাবে প্ৰয়োজনীয় সকলো সামগ্ৰী, ৰেকৰ্ড আৰু সহায় তেওঁলোকে চিবিআইক আগবঢ়াব। উল্লেখযোগ্য যে, যোৱা ৩ মে’ত এনটিএৰ উদ্যোগত NEET-UG ২০২৬ পৰীক্ষা অনুষ্ঠিত হৈছিল। পৰীক্ষাৰ কিছুদিন পাছতে দেওবাৰে এনটিএই এ’ত পোষ্ট কৰি কৈছিল যে পৰীক্ষা সম্পূৰ্ণ নিৰাপত্তা প্ৰট’কলৰ অধীনত অনুষ্ঠিত কৰা হৈছিল— জিপিএছ ট্ৰেকিংযুক্ত বাহনত প্ৰশ্নকাকত কঢ়িওৱা, কেন্দ্ৰীয় নিয়ন্ত্ৰণ কক্ষৰ পৰা এআই সহায়ক চিচিটিভি নিৰীক্ষণ, প্ৰাৰ্থীৰ বায়’মেট্ৰিক পৰীক্ষণ আদি ব্যৱস্থা লোৱা হৈছিল। তাৰ পাছত ৭ মে’ত পৰীক্ষাগৃহৰ আশে-পাশে অনিয়মৰ কাৰ্যকলাপ সন্দৰ্ভত অভিযোগ পায় এনটিএই। ৮ মে’ৰ পুৱাই সেই অভিযোগ কেন্দ্ৰীয় সংস্থাসমূহৰ পৰীক্ষণৰ বাবে প্ৰেৰণ কৰা হয়। অৱশেষত আজি পৰীক্ষা সম্পূৰ্ণৰূপে বাতিল আৰু চিবিআই তদন্তৰ সিদ্ধান্ত প্ৰকাশ পায়। এনটিএই ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক আৰু জনসাধাৰণক আশ্বস্ত কৰি কৈছে যে নতুন পৰীক্ষাৰ বাবে সময়সূচী সোনকালে প্ৰকাশ কৰা হ’ব। ছাত্ৰ-ছাত্ৰীসকলে যাতে অতিৰিক্ত বিত্তীয় বোজাত নপৰে তাৰ বাবেই পুনৰ মাচুল নোলোৱাৰ সিদ্ধান্ত লোৱা হৈছে।

## তিনিদিনীয়া ভ্ৰমণসূচীৰে

বিজ্ঞপ্তি অনুসৰি, ১৩ মে’ৰ আবেলি গুৱাহাটীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণ কৰাৰ পিছতে ডাঃ ভাগৱতে পোনে পোনে হোজাইলৈ ৰাওনা হ’ব। হোজাইৰ সংস্কাৰ মন্দিৰ প্ৰকল্প চৌহদত ইতিমধ্যে ১১ মে’ৰ পৰা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ কাৰ্যকৰ্তা বিকাশ বৰ্গ-এক (দ্বিতীয় বৰ্ষ)ৰ প্ৰশিক্ষণ শিবিৰ আৰম্ভ হৈছে, যি ১ জুনলৈ চলিব। এই শিবিৰতে ডাঃ মোহন ভাগৱতে ১৪, ১৫ আৰু ১৬ মে’ তাৰিখে তিনিদিন উপস্থিত থাকি স্বয়ংসেৱকসকলক প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে সংঘৰ কাম-কাজ পৰ্যবেক্ষণ কৰিব। প্ৰশিক্ষণ শিবিৰৰ কাৰ্যসূচী সামৰি তেওঁ ১৭ মে’ৰ পুৱা পুনৰ গুৱাহাটীলৈ উভতি আহিব। গুৱাহাটীলৈ উভতি অহাৰ পিছত ডাঃ মোহন ভাগৱতে বৰবাৰীস্থিত সুদৰ্শনালয়ত কিছু সময় জিৰণি লৈ তাৰ পৰা নাগপুৰ অভিমুখে ৰাওনা হ’ব বুলি কিশোৰ শিৰমে নিশ্চিত কৰে। উল্লেখ্য যে, হোজাইৰ সংস্কাৰ মন্দিৰ প্ৰাংগনত চলি থকা ২০ দিনীয়া কাৰ্যকৰ্তা বিকাশ বৰ্গ-এক প্ৰশিক্ষণ শিবিৰৰ সামৰণি পৰিব ১ জুনত। এই শিবিৰত কেৱল সংঘ শিক্ষা বৰ্গৰ প্ৰশিক্ষণ সম্পূৰ্ণ কৰা স্বয়ংসেৱকসকলেহে অংশগ্ৰহণৰ যোগ্যতা লাভ কৰে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰৰ দ্বাৰা পৰিচালিত এই প্ৰশিক্ষণত উত্তৰ অসম, দক্ষিণ অসম, ত্ৰিপুৰা, মণিপুৰ আৰু অৰুণাচল — মুঠ পাঁচটা প্ৰান্তৰ পৰা ১০৩গৰাকী স্বয়ংসেৱক অংশগ্ৰহণ কৰিছে। তাৰে ভিতৰত উত্তৰ অসম প্ৰান্তৰ ৫৬গৰাকী, ত্ৰিপুৰা প্ৰান্তৰ ২০ গৰাকী, মণিপুৰ প্ৰান্তৰ ১৩ গৰাকী, দক্ষিণ অসম প্ৰান্তৰ ৮ গৰাকী আৰু অৰুণাচল প্ৰান্তৰ ৬গৰাকী স্বয়ংসেৱক আছে। এই ২০ দিনীয়া কঠোৰ প্ৰশিক্ষণ শিবিৰত ডাঃ মোহন ভাগৱতৰ উপস্থিতিয়ে সংঘৰ কাম-কাজত এক নতুন উদ্যম সঞ্চাৰ কৰিব বুলি আশা কৰা হৈছে।

## অৰুণাচল প্ৰদেশৰ চাংলাং

গুলীয়াগুলী চলে। প্ৰাপ্ত তথ্য অনুসৰি এই সমগ্ৰ গুলীয়াগুলীৰ ঘটনাৰ অন্তত এন, এছ, চি, এনৰ দুজন সদস্যৰ মৃত্যু হয়। মৃত্যু বৰণ কৰা সদস্য দুজনৰ এজন লেফটেনেণ্ট কৰ্ণেল উমকং বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, মৃত দুই এন, এছ, চি, এনৰ সদস্যই কোনো ধৰণৰ সামৰিক তথা সাংগঠনিক কাৰ্যসূচীত অহা নাছিল। বৰঞ্চ তেওঁলোকে শান্তিপূৰ্ণ ভাৱে স্থান পৰিৱৰ্তনৰ লক্ষ্যৰে গতি কৰিছিল বুলি এন, এছ, চি, এনৰ এক বিজ্ঞপ্তিৰ জৰিয়তে জানিব পৰা গৈছে। এই দুই সদস্যৰ মৃত্যুত সংগঠনটোৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰাৰ লগতে মৃতক পৰিয়ালৰ সকলো সদস্যক সমবেদনা জ্ঞাপন কৰা লিখিত তথ্য প্ৰচাৰ কৰা হৈছে।

## কবি, শিশু সাহিত্যিক

এই অকাল মৃত্যুৱে সমগ্ৰ ৰাজ্যতে গভীৰ শোকৰ ছাঁ পেলাইছে। ১৯৮৫ চনৰ ৩১ মে’ তাৰিখে শিৱসাগৰত জন্মগ্ৰহণ কৰা জোনমণি দাস আছিল সাম্প্ৰতিক সময়ৰ অত্যন্ত জনপ্ৰিয় এজন কবি। তেওঁ শিৱসাগৰৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয় আৰু বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰে। কৰ্মজীৱনৰ পাতনি মেলিছিল শিৱসাগৰৰ পৰা প্ৰকাশিত শিশু আলোচনী ‘আমাৰ জোনবাই’ৰ জৰিয়তে। পৰৱৰ্তী সময়ত গুৱাহাটীৰ বিখ্যাত পষেকীয়া আলোচনী ‘প্ৰান্তিক’ৰ সম্পাদনা বিভাগত যোগদান কৰি জীৱনৰ বাকী সময়খিনি অসমীয়া সাহিত্যৰ সেৱাত ব্ৰতী হৈ থাকে। জোনমণি দাসে কবিতাৰ জৰিয়তে অসমীয়া সাহিত্য জগতত এক সুকীয়া পৰিচয় গঢ়ি তুলিছিল। তেওঁৰ কেইবাখনো উল্লেখযোগ্য কবিতাপুথি প্ৰকাশ পাইছে— স্বপ্নবাক বৰষুণ (২০০৭), জলস্তম্ভ (২০১৪), উৰণীয়া ছাঁ (২০১৬), নিনাদিত নিৰ্জনতা (২০১৬), মৈথুনৰত মাছ (২০১৭), সমকামী সূৰ্য (২০২০) আৰু শেহতীয়াকৈ ২০২৩ চনত প্ৰকাশিত টেঙেচী ফুলৰ টোপনি। উপৰি তেওঁ শিশুৰ বাবেও বহুতো শুৱলা পদ্য ৰচনা কৰি সৰু-বৰ সকলোৰে মন জয় কৰিছিল। তেওঁৰ কাব্যিক প্ৰতিভাই অসমৰ বিদ্বৎ মহলত বিশেষ সমাদৰ লাভ কৰিছিল। মৃত্যুৰ সময়ত জোনমণি দাসে নিজৰ পত্নী, এটি পুত্ৰ সন্তান আৰু এগৰাকী কন্যা সন্তানক ইহসংসাৰত এৰি গৈছে। তেওঁৰ মৃত্যুত অসমৰ সাহিত্য অনুষ্ঠান, বিদ্যায়তনিক প্ৰতিষ্ঠান আৰু ৰাইজৰ মাজত গভীৰ শোকৰ ছাঁ পৰিছে। সামাজিক মাধ্যমত বহু লোকে কবিগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁৰ অকাল বিয়োগত শোক প্ৰকাশ কৰিছে। জোনমণি দাসৰ প্ৰয়াণে অসমীয়া সাহিত্য জগতত এক অপূৰণীয় ক্ষতি কৰি থৈ গ’ল বুলি একমত প্ৰকাশ পাইছে ৰাজ্যৰ বুদ্ধিজীৱী মহলত।

## খানাপাৰাত সজীৱ গুলী উদ্ধাৰ, এজনক আটক

চাঞ্চল্যকৰ ঘটনা সংঘটিত হয়। নিৰাপত্তাৰক্ষীয়ে প্ৰৱেশদ্বাৰত নিয়মীয়া পৰীক্ষণৰ সময়তে কেইবাটাও সজীৱ গুলী উদ্ধাৰ কৰে। গুলীবাৰুদ ধৰা পৰাৰ পিছতে উপস্থিত এজন লোকক আৰক্ষীয়ে আটক কৰি ৰখাৰ ব্যৱস্থা কৰে। আৰক্ষী সূত্ৰে জানিবলৈ দিয়া মতে, প্ৰৱেশ পইণ্টত চলা তল্লাশী অভিযানৰ সময়ত ব্যক্তিজনৰ পৰা গুলীবাৰুদ জব্দ কৰা হয়। তাৎক্ষণিকভাৱে তেওঁক জিম্মাত লৈ সোধা-পোছাৰ বাবে বশিষ্ঠ থানালৈ স্থানান্তৰ কৰা হয়। এজন আৰক্ষী বিষয়াৰ মতে, আটক কৰা ব্যক্তিজনৰ পৰা কোনো আগ্নেয়াস্ত্ৰ উদ্ধাৰ হোৱা নাই। নিৰাপত্তা অঞ্চলত সজীৱ গুলীসমূহ কি কাৰণত কঢ়িয়াই নিয়া হৈছিল আৰু এই ঘটনাই কোনো নিৰাপত্তাজনিত ভাবুকিৰ সৃষ্টি কৰিছে নেকি — সেই বিষয়ে তদন্ত গতি পাই আছে। উল্লেখযোগ্য যে, ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই নতুন মন্ত্ৰী পৰিষদৰ সৈতে মুখ্যমন্ত্ৰী হিচাপে হিমন্ত বিশ্ব শৰ্মাক কাৰ্যভাৰ আৰু গোপনীয়তাৰ শপত গ্ৰহণ কৰোৱাৰ কেইমিনিটমান আগেয়েহে এই উদ্ধাৰ অভিযান সম্পন্ন হয়। শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, বন্দৰ পৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীকে ধৰি কেন্দ্ৰীয় জ্যেষ্ঠ নেতাসকলে অংশগ্ৰহণ কৰে। লগতে এন ডি এ শাসিত ৰাজ্যৰ কেইবাগৰাকীও মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰী, কূটনীতিবিদ আৰু উদ্যোগ মহলৰ প্ৰতিনিধিসকল উপস্থিত আছিল। ঘটনাৰ পাছত প্ৰশাসনে সমগ্ৰ সভাস্থলীতে নিৰাপত্তাৰ ব্যৱস্থা কটকটীয়া কৰি পৰিস্থিতি নিবিড়ভাৱে নিৰীক্ষণ কৰি আছে। অৱশ্যে এই ঘটনা সম্পৰ্কে অধিক সবিশেষ বাহিৰলৈ অহা নাই।

### “ধাত্ৰীসকল চিকিৎসা সেৱা জগতৰ মেৰুদণ্ড”

## লখিমপুৰত আন্তৰ্জাতিক ধাত্ৰী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, লীলাবাৰী, ১২ মে’ঃ** সমগ্ৰ বিশ্বৰ লগতে আজি লখিমপুৰতো আন্তৰ্জাতিক ধাত্ৰী দিৱস অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। আধুনিক নাৰ্চিং সেৱাৰ জন্মদাত্ৰী ফ্লৰেন্স নাইটিংগেলৰ ২০৬ সংখ্যক জন্ম দিনটোৰ লগত সংগতি ৰাখি লখিমপুৰ কেন্সাৰ কেন্দ্ৰ আৰু এ.চি.চি.এফ. লখিমপুৰ নাৰ্চিং কলেজৰ যুটীয়া উদ্যোগত এক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। কেন্দ্ৰীয়ভাৱে আয়োজিত অনুষ্ঠানটিত লখিমপুৰ কেন্সাৰ কেন্দ্ৰৰ বিষয়ববীয়া আৰু চিকিৎসাকৰ্মীসকল উপস্থিত থাকে। ২০২৬ বৰ্ষৰ ধাত্ৰী দিৱসৰ মূল বিষয়বস্তু আছিল- ‘আমাৰ নাৰ্চ, আমাৰ ভৱিষ্যত, শক্তিশালী নাৰ্চিং সেৱাই ৰক্ষা কৰে প্ৰাণ’। দিৱসটোৰ এক অন্যতম আকৰ্ষণীয় অংশ আছিল বি.ছে.চি. নাৰ্চিং কলেজৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা পৰিৱেশিত মনোজ্ঞ সাংস্কৃতিক অনুষ্ঠান। পৰম্পৰাগত সাজ পিন্ধি নাৰ্চিং শিক্ষাৰ্থীসকলে প্ৰদৰ্শন কৰা বিহু তথা লোক-নৃত্যই অনুষ্ঠানটোক অধিক প্ৰাণৱন্ত কৰি তোলে। তেওঁলোকৰ গীত আৰু নৃত্যৰ সুৰীয়া ছন্দে উপস্থিত দৰ্শক আৰু ৰোগীসকলকো মোহাচ্ছন্ন কৰি পেলায়। অনু। অনুষ্ঠানৰ আৰম্ভণিতে ফ্লৰেন্স নাইটিংগেল আৰু দেশৰ বৰেণ্য শিল্পপতি ৰতন টাটাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বক্তাসকলে নাৰ্চিং পেচাটোৰ গুৰুত্ব আৰু স্বাস্থ্যখণ্ডত এগৰাকী নাৰ্চৰ অপৰিহাৰ্য অৱদানৰ বিষয়ে আলোকপাত কৰে। মানৱ সেৱাৰ মহান ব্ৰত লৈ কাম কৰি থকা নাৰ্চসকলক উৎসাহিত কৰাৰ উদ্দেশ্যেই এই অনুষ্ঠানৰ আয়োজন কৰা বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। অনুষ্ঠানটি উদযাপনৰ জৰিয়তে কেৱল মনোৰঞ্জন নহয়, বৰঞ্চ সমাজত নাৰ্চসকলৰ যি ত্যাগ আৰু নিষ্ঠা, তাক পুনৰ এবাৰ সোঁৱৰাই দিয়া হয়। অনুষ্ঠানটোত নাৰ্চিং কলেজৰ অধ্যক্ষা পাপৰি পাঠকে আদৰণি ভাষণ প্ৰদান কৰাৰ লগতে লখিমপুৰৰ ড° দাস গ্ৰুপ অফ হস্পিটেলৰ কাৰ্যকৰি সঞ্চালক ডাঃ সৰিতা ৰায় ৰাজকাকতি বিশেষ নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰি কয় যে ধাত্ৰীসকল চিকিৎসা সেৱা জগতৰ মেৰুদণ্ড। দিনযোৰা কাৰ্যসূচীৰে সম্পন্ন হোৱা এই অনুষ্ঠানে লখিমপুৰৰ চিকিৎসা জগতত এক আনন্দদায়ক পৰিৱেশৰ সৃষ্টি কৰে।

### ▫ স্বাস্থ্যসেৱাৰ বুজ ল’লৈ বিধায়ক মৌলানা বদৰুদ্দিন আজমলে ▫

## ডবকা সামূহিক চিকিৎসালয়ত নৱ নিৰ্বাচিত বিধায়কৰ চাডেন ভিজিট

**অসম বাৰ্তা, ডবকা, ১২ মে’ ঃ** হোজাই জিলাৰ বিন্নাকান্দি সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক মৌলানা বদৰ উদ্দিন আজমলে মঙ্গলবাৰে আবেলি হঠাৎ ডবকা সামূহিক চিকিৎসালয়ত উপস্থিত হৈ এক চাডেন ভিজিট সম্পন্ন কৰে। বিধায়কজনৰ এই আকস্মিক পৰিদৰ্শনে চিকিৎসালয় চৌহদত এক বিশেষ সজাগতা আৰু তৎপৰতাৰ সৃষ্টি কৰে। জানিব পৰা মতে, বিধায়কজন নিজৰ কেইবাজনো দলীয় কৰ্মীক লগত লৈ চিকিৎসালয়খনত উপস্থিত হয় আৰু চিকিৎসালয় খনৰ বিভিন্ন বিভাগ, ৰোগী ভৰ্তি কক্ষ, বহিৰ্বিভাগ, ঔষধ বিতৰণ ব্যৱস্থা, পৰিষ্কাৰ-পৰিচ্ছন্নতা আদি সকলো দিশ তন্ন তন্নকৈ পৰিদৰ্শন কৰে। এই সময়ছোৱাত চিকিৎসাধীন ৰোগী আৰু তেওঁলোকৰ অভিভাৱকৰ লগতো কথা পাতে আৰু চিকিৎসা সেৱাৰ বাস্তৱ অৱস্থাৰ বুজ লয়। পৰিদৰ্শনৰ সময়ত চিকিৎসালয়খনৰ ভাৰপ্ৰাপ্ত চিকিৎসক ডাঃ জিকৰুল আলমোল্লাহৰ সৈতে বিধায়কজনে এক আলোচনাত মিলিত হয়। আলোচনাত চিকিৎসালয় খনত বৰ্তমান বিদ্যমান সমস্যা, চিকিৎসা সামগ্ৰীৰ অভাৱ, পৰ্যাপ্ত চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ প্ৰয়োজনীয়তা, উন্নত চিকিৎসা সা-সুবিধা বৃদ্ধি আদিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। চিকিৎসালয় কৰ্তৃপক্ষই বিধায়কজনক চিকিৎসালয়খনত উন্নয়নৰ বাবে কিছুমান প্ৰয়োজনীয় সামগ্ৰীৰ দাবীও জনায়। বিধায়ক বদৰুদ্দিন আজমলে চিকিৎসালয় খনৰ সামগ্ৰিক পৰিস্থিতি পৰ্যালোচনা কৰি সাধাৰণ ৰাইজে যাতে উন্নত স্বাস্থ্যসেৱা লাভ কৰিব পাৰে তাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ আশ্বাস প্ৰদান কৰে। তেওঁ কয় যে স্বাস্থ্যখণ্ডক অধিক শক্তিশালী কৰাটো চৰকাৰৰ অন্যতম গুৰুত্বপূৰ্ণ লক্ষ্য আৰু গ্ৰাম্য অঞ্চলৰ চিকিৎসালয় সমূহত উন্নত সেৱা নিশ্চিত কৰিবলৈ তেওঁৰ সদায় সচেষ্ট থাকিব। ইফালে, কোনো পূৰ্বঘোষণা নোহোৱাকৈ বিধায়কজনৰ এনে আকস্মিক পৰিদৰ্শনক স্থানীয় ৰাইজে ইতিবাচক পদক্ষেপ হিচাপে গ্ৰহণ কৰিছে। বহুতে কয় যে নিৰ্বাচনৰ পিছত সাধাৰণ জনতাৰ সমস্যা স্বচক্ষে পৰ্যবেক্ষণ কৰিবলৈ বিধায়কজনৰ চিকিৎসালয় পৰিদৰ্শন প্ৰশংসনীয়। ৰাইজে আশা প্ৰকাশ কৰে যে এই পৰিদৰ্শনৰ পিছত ডবকা সামূহিক চিকিৎসালয়ত বহুদিনীয়া সমস্যা সমাধানৰ ক্ষেত্ৰত কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰা হ’ব।

## মাজুলীত ৰাষ্ট্ৰীয় প্ৰাকৃতিক দূৰ্যোগ সুৰক্ষা বাহিনীৰ প্ৰশিক্ষণ ও সজাগতা কাৰ্যসূচী সম্পন্ন

**অসম বাৰ্তা, মাজুলী, ১২ মে’ ঃ** প্ৰাকৃতিক দূৰ্যোগৰ পৰা ৰক্ষা আকস্মিক দুৰ্ঘটনাত পতিতক প্ৰাথমিক চিকিৎসা প্ৰদাণ কৰা, অগ্নি সংযোগৰ সময়ত ল’ব লগা জৰুৰী কালীন ব্যৱস্থা, বানপানীত ডুবা সকলক তৎক্ষাণিক উদ্ধাৰৰ ব্যৱস্থা, ভূমি কম্পনৰ সময়ত ল’ব লগা সাৱধানতা, বতাহ-ধুমুহা কালত কেনেকৈ মানুহৰ জীৱন আৰু সা-সম্পত্তিক সুৰক্ষা দিব পৰা যায় ইত্যাদি আপদ কালীন কালৰ প্ৰতি সদা সজাগ আৰুজন সচেতনাৰ লক্ষ্যৰে আজিৰে পৰা মাজুলী জিলাত ৰাষ্ট্ৰীয় প্ৰাকৃতিক দুৰ্যোগ সুৰক্ষা বাহিনী অৰুণাচল প্ৰদেশৰ ৭ জনীয়া এটি গোটে সপ্তাহ ধৰি চলিব লগা সজাগতা অভিযান মাজুলী জিলাৰ দক্ষিণপাট উচ্চ মাধ্যমিক বিদ্যালয়ত শুভাৰম্ভ কৰে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ পুৰ্ন সহযোগত আৰম্ভ হোৱা প্ৰথম দিনাৰ প্ৰশিক্ষণত NDRF অৰ নিয়োজিত উপ পৰিদৰ্শন ৰাজীৱ বৰুৱাই সুন্দৰভাৱে প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণত বাহিনীৰ কনিষ্টবল প্ৰদীপ সৰকাৰ, কনিষ্টবল জিতু বুঢ়াগোহাঁই, কনিষ্টবল চন্দন নেৱাৰ মহিলা কনিষ্টবল ৰাজুমা ঠাকুৰীয়া, মহিলা কনিষ্টবল ইন্দ্ৰানী দেৱী, মটৰ পৰিবহণ হেড কনিষ্টবল ৰঞ্জন সিংয়ে অংশ লয়। মাজুলী জিলাত আজিৰে পৰা আৰম্ভ হোৱা আপদ কালীণ সজাগতা অভিযান মাজুলী শিক্ষাখণ্ডৰ ৰতন পুৰ উচ্চ মাধ্যমিক বিদ্যালয়, পতিয়া শ্ৰীমন্ত শংকৰ দেৱ উচ্চ মাধ্যমিক বিদ্যালয়, খাৰজান পাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ উপৰিও বনৰীয়া চাপৰিগাঁও, চিলাকলা চাপৰিগাঁও, আউনী আটী আলিমুৰ গাঁও আদিটো নিৰ্ধাৰিত সুচীত সজাগতামোলক প্ৰশিক্ষণ আৰম্ভ হ’ব। ৰাষ্ট্ৰীয় প্ৰাকৃতিক দুৰ্যোগ সুৰক্ষা বাহিনীয়ে শিক্ষানুষ্ঠান সমূহৰ ছাত্ৰ ছাত্ৰীয়ে আপদ কালীন সময়ত নিজে নিজৰ সুৰক্ষা কেনেকৈ ল’ব লাগিব ইয়াৰ উপৰিও গাঁও অঞ্চলত ৰাইজক সহায় কৰাত আগবাঢ়ি যাব পাৰিব বুলি সচেতন নাগৰিকে মতপোষণ কৰে।

## পুৰণিগুদামত মেজাঙ্কৰি- ২০২৬ৰ আয়োজন

**অসম বাৰ্তা, পুৰণিগুদাম, ১২ মে’ ঃ** নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামস্থিত উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ত বিগত বৰ্ষৰ দৰে এইবাৰো মেজাঙ্কৰি-২০২৬ উদ্‌যাপন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। ব’হাগী উৎসৱৰ লগত সংগতি ৰাখি ১৩ মে’ৰ দিনৰ ১০ বজাত মহাবিদ্যালয়খনৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা থলুৱাভাৱে উৎপাদিত সামগ্ৰী (খাদ্য, বস্ত্ৰ, চাৰ্ক-কাৰু শিল্প)ৰ প্ৰদৰ্শনী আৰু বিক্ৰীৰো ব্যৱস্থা কৰিছে। পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যায়ৰ অধ্যক্ষ ড° নৃপেন দাসে জানিবলৈ দিয়া মতে, মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভা আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষে তিনিগৰাকী সমন্বয়ক ক্ৰমে, সীমা শোভিতা দাস, ড° ৰঞ্জিতা কাকতি আৰু ড° ভাৰ্গৱ দাসৰ তত্ত্বাৱধানত আয়োজিত “মেজাঙ্কৰি-২০২৬”ৰ সমূহ কাৰ্যসূচী সফল ৰূপায়ণৰ প্ৰয়াস কৰিছে। লগতে অসমীয়া নতুন বছৰত নতুন প্ৰজন্মৰ মাজত সাংস্কৃতিক প্ৰমূল্যৰ প্ৰতি সজাগতা বৃদ্ধি আৰু শ্ৰম-নিৰ্ভৰ উদ্যমিতাক অনুপ্ৰাণিত কৰিবলৈ প্ৰয়াস কৰা বুলি জানিব পৰা গৈছে। উক্ত অনুষ্ঠান সাফল্যমণ্ডিত হোৱাত সহায় কৰিবলৈ সমূহ ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা মহাবিদ্যালয়ৰ প্ৰবক্তাসকলৰ প্ৰেৰণাদায়ক উপস্থিতি কামনা কৰিছে।

## অমৃতকাল বিষ কাললৈ ৰূপান্তৰঃ ৰাহুল গান্ধী

ব্যক্তিক আটক কৰা হৈছে। লগতে সমগ্ৰ ঘটনাৰ তদন্তৰ ভাৰ চি বি আই (CBI)ক দিয়া হৈছে। NTAৰ সিদ্ধান্তৰ পাছতে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে সামাজিক মাধ্যম এ’ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি চৰকাৰৰ ওপৰত তীব্ৰ আক্ৰমণ চলায়। তেওঁ লিখে, “২২ লাখ শিক্ষাৰ্থীৰ কষ্ট, পৰিশ্ৰম, ত্যাগ আৰু সপোনত চেঁচাপানী ঢালিলে বিজেপিয়ে।” ৰাহুল গান্ধীয়ে তেওঁৰ এক্স পোষ্টত লগতে উল্লেখ কৰে, “কোনোবা শিক্ষাৰ্থীৰ অভিভাৱকে ঋণ লৈছিল, কোনো শিক্ষাৰ্থীৰ মাতৃয়ে নিজৰ অলংকাৰ বিক্ৰী কৰিছিল। লাখ লাখ ছাত্ৰ-ছাত্ৰীয়ে দিনে-নিশাই পঢ়া-শুনা কৰিছিল। কিন্তু তাৰ বিনিময়ত তেওঁলোকে কি পালে? প্ৰশ্নকাকত ফাদিল হ’ল। চৰকাৰৰ গাফিলতিৰ বাবেই এনে ঘটিছে। এয়া কেৱল ব্যৰ্থতা নহয়, যুৱ প্ৰজন্মৰ ভৱিষ্যতৰ সৈতে অপৰাধ। প্ৰতিবাৰেই প্ৰশ্নকাকত ফাদিল কৰা মাফিয়াৰ বাবে পৰিশ্ৰমী আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীসকলেই ভুগিবলগীয়া হয়। প্ৰধানমন্ত্ৰীয়ে প্ৰায়ে কোৱা ‘অমৃতকাল’ দেশৰ বাবে ‘বিষকাল’লৈ ৰূপান্তৰ হৈছে।”

# টিংৰাইত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা আৰু আলোচনা চক্ৰ অনুষ্ঠিত

**অসম বাৰ্তা, ডিগবৈ, ১১ মে' ঃ** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ এখন ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা দেওবাৰে ইয়াৰ সমীপৱৰ্তী টিংৰাইৰ ৰাজহুৱা প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। সদৌ অসম কলিতা জনগোষ্ঠী সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আৰু টিংৰাই আঞ্চলিক মহিলা সমিতিৰ আতিথ্যত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাৰ লগত সংগতি ৰাখি 'কলিতা জনগোষ্ঠীৰ শিপাৰ সন্ধানত' শীৰ্ষক এখন আলোচনা চক্ৰও অনুষ্ঠিত হয়। সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলৰ সভাপতি ধৰণী শইকীয়াই সঞ্চালনা কৰা এই আলোচনা চক্ৰত আলোচক হিচাপে উপস্থিত থাকে সংগঠনটোৰ মুখ্য উপদেষ্টা ডা: ৰমেন কাকতি, বীৰ লাচিত সেনা, অসমৰ কেন্দ্ৰীয় সভাপতি হেমন্ত বৰা, বিশিষ্ট লেখক ড° হৰমোহন কলিতা, বিশিষ্ট বুৰঞ্জীবিদ তথা সাহিত্যিক পেঞ্চনাৰ শ্ৰীকুমাৰ দহোটীয়া, ড° মুকুট কলিতা, পুতুল কলিতা আৰু মনোজ লহকৰ। কাৰ্যসূচী অনুসৰি, পুৱা সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ পতাকা উত্তোলন কৰে সভাপতি ধৰণী শইকীয়াই, জিলা সমিতিৰ পতাকা উত্তোলন কৰে কাৰ্যকৰী সভাপতি পৰাগ শইকীয়াই। স্মৃতি তৰ্পণ অনুষ্ঠানত কুমাৰ ভাস্কৰ বৰ্মা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ইয়াৰ পাছতে অনুষ্ঠিত হোৱা আলোচনা চক্ৰত বিশিষ্ট বুৰঞ্জীবিদ তথা সাহিত্যিক পেঞ্চনাৰ শ্ৰীকুমাৰ দহোটীয়াই কয় - "কলিতা জনগোষ্ঠী অসমৰ আদিম জনগোষ্ঠী। মৰাণ-মটকতকৈও আগৰ জনগোষ্ঠী কলিতাসকল। বৰ্তমান ৭৫ লাখ জনসংখ্যা থকা কলিতাসকলৰ তাহানিৰ মহাভাৰতৰ যুগৰ পৰাই খ্যাতি আছিল। কলিতাসকলৰ কুমাৰ ভাস্কৰ বৰ্মাৰ দৰে বীৰত্ব থকা নৃপতি আছিল।" বুৰঞ্জীবিদগৰাকীয়ে কয় যে অসমৰ এগৰাকী ৰাজ্যপালৰ নামৰ পৰা "শ্ৰী"টো আৰু কুমাৰ ভাস্কৰ বৰ্মাৰ পৰা "কুমাৰ" শব্দটো আঁজুৰি আনি তেখেতৰ নামটো শ্ৰীকুমাৰ দহোটীয়া দিয়া হৈছিল। বিয়লিলৈ সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ সভাপতি ধৰণী শইকীয়াৰ সভাপতিত্বত কেন্দ্ৰীয় সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। এই সভাত আগন্তুক বাৰ্ষিক অধিৱেশন আৰু সাংগঠনিক দিশ সম্পৰ্কত আলোচনা কৰা হয়। সভাত গুৱাহাটী, নলবাৰী আদি বিভিন্ন স্থানৰ পৰা অহা প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা সংস্কৃতিৰে বৰ্ণিল শোভাযাত্ৰা

# টঙনাগাঁৱত পাঞ্চজন্য যুৱ সংঘৰ বিহু সন্মিলন




**অসম বাৰ্তা, গহপুৰ, ১১ মে' ঃ** গহপুৰ পৌৰসভাৰ অন্তৰ্গত টঙনাগাঁৱত পাঞ্চজন্য যুৱ সংঘৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হৈছে ২৮সংখ্যক টঙনাগাঁও ৰঙালী বিহু সন্মিলন। টঙনাগাঁওস্থিত পাঞ্চজন্য যুৱ সংঘৰ বাহাদুৰ ভৱন প্ৰাংগনত অনুষ্ঠিত বিহু সন্মিলনৰ প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি উদ্‌যাপন সমিতিৰ সভাপতি অভিনৱ শইকীয়াই পুৱা পতাকা উত্তোলন, উদযাপন সমিতিৰ সম্পাদকদ্বয় সুৰজিৎ শইকীয়া আৰু বেদান্ত মহন্তই শ্বহীদ তপৰ্ণ কৰে। অসমীয়াৰ হিয়াৰ আমঠু, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তী প্ৰজ্বলন কৰে অসম জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা পুলক বৰাই। ইয়াৰ পাছতে পাঞ্চজন্য যুৱ সংঘৰ বাহাদুৰ ভৱন চৌহদত বৃক্ষৰোপণ কৰে প্ৰকৃতিপ্ৰেমী, সমাজৰত্ন গোপাল শইকীয়াই। পৰৱৰ্তী কাৰ্যসূচী অনুসৰি ৰঙালী বিহু সন্মিলনৰ প্ৰেক্ষাগৃহত অঞ্চলটোৰ বয়োজ্যেষ্ঠ বিশিষ্ট ব্যক্তি সকলক উদ্‌যাপন সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱাৰ বাবে এক বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। গোপাল শইকীয়াই সামগ্ৰিকভাৱে আঁত ধৰা অনুষ্ঠানটোত টঙনাগাঁৱৰ লগতে টঙনাগাঁৱৰ বিভিন্ন ক্ষেত্ৰত বিশেষ ভাৱে অৱদান আগবঢ়োৱা অৰ্ধশতাধিক বয়োজ্যেষ্ঠ ব্যক্তি আৰু জ্যেষ্ঠ ব্যক্তিক চেলেং চাদৰেৰে সম্বৰ্ধন জনোৱা হয়। উক্ত বিহু সন্মিলনৰ প্ৰথম দিনটোৰ আকৰ্ষণীয় কাৰ্যসূচী হিচাপে বাৰে ৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। গহপুৰ বিধানসভা সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক উৎপল বৰাই অংশগ্ৰহণ কৰা বৰ্ণিল শোভাযাত্ৰাটোত বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতিৰ লগতে অসমৰ গ্ৰাম্য জীৱন প্ৰতিনিধিত্ব কৰা বিভিন্ন পৰম্পৰা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। দিনৰ ভাগত মৌ-কুঁৱৰী, সৰু বিহুৱতী আৰু ঢোল বাদন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সন্ধ্যালৈ স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে উক্ত বিহু সন্মিলনৰ দ্বিতীয় দিনৰ সন্ধ্যা অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠান মুখ্য আকৰ্ষণ হৈছে জনপ্ৰিয় কণ্ঠশিল্পী পৱনজিৎ সিং।

জিলা আয়ুক্তক ব্যৱস্থা লোৱাৰ দাবী

# ৰূপহীহাটৰ ভাটিয়াখালী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসকৰ মইমতালি

**অসম বাৰ্তা, ৰূপহীহাট, ১১ মে' ঃ** ৰাজ্য চৰকাৰে জনসাধাৰণৰ সুবিধাৰ্থে সকলো চৰকাৰী কৰ্মচাৰীক নিজ নিজ কাৰ্যালয়ত সময়তে উপস্থিত থাকিবলৈ নিৰ্দেশ দি আহিছে যদিও চামগুৰিৰ ভাটিয়াখালী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত নিয়োজিত এজন চিকিৎসকে চৰকাৰী নিয়মক বৃদ্ধাংগুষ্ঠ দেখুৱাই নিজৰ খেয়াল খুচি মতে কৰ্তব্য পালন কৰাৰ অভিযোগ উঠিছে। চিকিৎসক জনে নিজৰ মইমতালিৰে প্ৰত্যেক দিনাই পলমকৈ স্বাস্থ্য কেন্দ্ৰত উপস্থিত হোৱাৰ অভিযোগ স্থানীয় ৰাইজৰ। ভাটিয়াখালী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক মাধবেন্দ্ৰ ভূঞাই নিজৰ খেয়াল খুচি মতে স্বাস্থ্য কেন্দ্ৰত উপস্থিত হোৱাৰ অভিযোগ। উক্ত স্বাস্থ্য কেন্দ্ৰত চিকিৎসক গৰাকীয়ে চৰকাৰী নিয়ম উলংঘা কৰি সদায় দিনৰ ১১-১২টা বজাৰ পিছতহে উপস্থিত হয়। ৰোগীয়ে পুৱাৰ পৰাই চিকিৎসা সেৱাৰ বাবে ঘণ্টাৰ পিছত ঘণ্টা শাৰীপাতি ভিৰ কৰা পৰিলক্ষিত হয়। চৰকাৰী দৰমহা লৈ কৰ্তব্যত ফাকি দিয়া চিকিৎসকজনৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নগাঁও জিলা আয়ুক্তৰ ওচৰত স্থানীয় ৰাইজে দাবী জনাইছে।

# মিড-ডে মিল খাই অসুস্থ ৫০ৰো অধিক ছাত্ৰ-ছাত্ৰী; তদন্তৰ দাবীত জিলা আয়ুক্তলৈ আমছুৰ স্মাৰক পত্ৰ

**অসম বাৰ্তা, খাৰুপেটীয়া, ১১ মে' ঃ** দৰং জিলাৰ মোৱামাৰী ক্লাষ্টাৰৰ অন্তৰ্গত বাঘপাৰী গান্ধী স্মৃতি এল.পি. স্কুলত সংঘটিত হোৱা এক উদ্বেগজনক ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, বিদ্যালয়খনত প্ৰদান কৰা মিড-ডে মিল গ্ৰহণ কৰাৰ পিছতে ৫০ৰো অধিক ছাত্ৰ-ছাত্ৰী হঠাতে অসুস্থ হৈ পৰে। অসুস্থ ছাত্ৰ-ছাত্ৰীসকলক ততাতৈয়াকৈ মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ঘটনাটোক লৈ অভিভাৱক আৰু স্থানীয় ৰাইজৰ মাজত তীব্ৰ উদ্বেগৰ সৃষ্টি হোৱাৰ মাজতে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু), দৰং জিলা সমিতিয়ে জিলা আয়ুক্তৰ ওচৰত এক স্মাৰক পত্ৰ দাখিল কৰে। স্মাৰক পত্ৰযোগে সংগঠনটোৱে বিদ্যালয় কৰ্তৃপক্ষৰ খাদ্যৰ মানদণ্ড আৰু পৰিচ্ছন্নতা বজাই ৰখাত গাফিলতিৰ অভিযোগ উত্থাপন কৰি ঘটনাটোৰ তাৎক্ষণিক তদন্তৰ দাবী জনায়। ইয়াৰ উপৰিও, আমছুৱে অসুস্থ ছাত্ৰ-ছাত্ৰীসকলৰ উপযুক্ত চিকিৎসা নিশ্চিত কৰাৰ লগতে এই ঘটনাৰ সৈতে জড়িত দোষী ব্যক্তিসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনক আহ্বান জনাইছে। এই ঘটনাই পুনৰবাৰ বিদ্যালয়সমূহত মিড-ডে মিলৰ গুণগত মান আৰু সুৰক্ষা ব্যৱস্থা নিশ্চিত কৰাৰ প্ৰয়োজনীয়তাক উজাগৰ কৰিছে।

প্ৰাক্তন ছাত্ৰ-শিক্ষকৰ মিলনেৰে স্মৰণীয় মুহূৰ্ত

# আমগুৰিৰ পেঙেৰা প্ৰাথমিক বিদ্যালয়ৰ শতবৰ্ষ উদযাপনৰ দুদিনীয়া কাৰ্যসূচীৰে শুভাৰম্ভণি

**অসম বাৰ্তা, চেলেংহাট, ১১ মে' ঃ** আমগুৰি ২৪৩ নং পেঙেৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা শতবৰ্ষৰ শুভাৰম্ভণি অনুষ্ঠানটো দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। বিগত ১৯২৭ চনতে বৃহত্তৰ আমগুৰি অঞ্চল সামৰি প্ৰতিষ্ঠা লাভ কৰা শিক্ষানুষ্ঠানখনৰ বৰ্ষজোৰা প্ৰতিষ্ঠা শতবৰ্ষৰ শুভাৰম্ভণী অনুষ্ঠান হিচাপে যোৱা ৯ মে'ৰ পৰা অনুষ্ঠিত হোৱা অনুষ্ঠানৰ কালি সামৰণি পৰে। ৯ মে'ৰ পুৱা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হেমকান্ত গগৈয়ে বিদ্যালয়ৰ মূল পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ পাতনি মেলাৰ পিছত শতবৰ্ষৰ পতাকা উত্তোলন কৰে শতবৰ্ষ উদযাপন সমিতিৰ সভাপতি তোযেশ্বৰ বড়াই। ইয়াৰ পাছতে স্মৃতি তৰ্পণ কৰে শ্ৰীশ্ৰী বেঙেনাআটী সত্ৰৰ ডেকা সত্ৰীয়া জীৱন দেৱ মহন্তই। আমগুৰি নগৰ মণ্ডল-১ ৰ মণ্ডল সমন্বয়ক যদুমণি বড়াই গছ পুলি ৰোপণ কৰাৰ পাছত আন্তঃগাঁঠনি উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ পৰৱৰ্তী সময়ত সাংস্কৃতিক শোভাযাত্ৰাৰ শুভ উদ্বোধন কৰে শতবৰ্ষ উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি পদ্মেশ্বৰ দাসে। সেইদৰে ১০ মে'ৰ পুৱা চিত্ৰাংকণ প্ৰতিযোগিতাৰ পাছত অনুষ্ঠিত হোৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰীতি সন্মিলনৰ শুভ উদ্বোধন কৰে সহযোগী অধ্যাপক ত্ৰিলোচন বড়াই। বিয়লি অনুষ্ঠিত হোৱা মুকলি সভাৰ পৌৰোহিত্য কৰি উদ্‌যাপন সমিতিৰ সভাপতি তোযেশ্বৰ বড়াই। উদ্‌যাপন সমিতিৰ প্ৰধান সম্পাদক তথা প্ৰাক্তন ছাত্ৰ অৰুন বড়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি আউনীআটীয় হেম চন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ইন্দ্ৰ কমল ফুকন, কিষ্টুৰচান্দ আগৰৱালা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মৰমী চলিহা, আমগুৰি পৌৰসভাৰ ৱাৰ্ড সদস্যা মঞ্জু চুতীয়া, প্ৰাক্তন ছাত্ৰ তথা সাংবাদিক ৰমেশ কলিতা উপস্থিত থাকি ব্যক্তব্য প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰী সকলে গীত-নৃত্য আৰু স্থানীয় জাগৃতি মহিলা সমাজে দিহানাম পৰিৱেশন কৰা অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ প্ৰধান তথা উদ্‌যাপন সমিতিৰ প্ৰধান সম্পাদক ৰঞ্জু কুমাৰ দাৰিগে। উক্ত সভাতে চিত্ৰাংকণ প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগী সকলক বঁটা প্ৰদান কৰা হয়।

নগাঁও-নলতলি ৰাজ্যিক ঘাইপথ অৱৰোধ কৰি ৰাইজৰ প্ৰতিবাদ

# লাওখোৱাত পথ দুৰ্ঘটনা; নিহত ২

**অসম বাৰ্তা, ৰূপহীহাট, ১১ মে' ঃ** ৰূপহীহাটৰ লাওখোৱাত আজি সন্ধিয়া এক পথ দুৰ্ঘটনা সংঘটিত হয়। এখন অচিনাকি চাৰিচকীয়া বাহনে নিয়ন্ত্ৰণ হেৰুৱাই বাইক এখনত খুন্দা মৰাৰ ফলত সংঘটিত হয় পথ দুৰ্ঘটনাটি। উক্ত পথ দুৰ্ঘটনাত নিহত হয় দুই বাইক আৰোহী। নিহত হোৱা বাইক আৰোহী দুজন হ'ল ৰূপজোতি দাস আৰু বিটু মণ্ডল। আমবাগানৰ পৰা দুয়ো বাইকেৰে ঘৰত আহি থকাৰ সময়তে নিজ লাওখোৱাত সংঘটিত হয় পথ দুৰ্ঘটনাটি। দুৰ্ঘটনা সংঘটিত কৰিয়েই ঘটনাস্থলীৰ পৰা তীব্ৰ বেগে পলায়ন কৰে চাৰিচকীয়া বাহনখনে। ঘটনাক কেন্দ্ৰ কৰি লাওখোৱাত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। স্থানীয় ৰাইজে নগাঁও-নলতলি ৰাজ্যিক ঘাইপথ অৱৰোধ কৰি অচিনাকি বাহনখন বিচাৰি উলিওৱাৰ বাবে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উত্তেজিত ৰাইজে পথ অৱৰোধ কৰি দুৰ্ঘটনা সংঘটিত হোৱা এলেকাত গতি ৰোধক দিয়াৰ দাবী জনায়। ৰাইজে পথ অৱৰোধ কৰাত তীব্ৰ জানযটৰ

# খিলঞ্জীয়া জংগোষ্ঠী মহাজোঁট, অসমৰ ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন নতুন চৰকাৰক অভিনন্দন জ্ঞাপন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১১ মে' ঃ** খিলঞ্জীয় জনগোষ্ঠী মহাজোঁট, অসমে ৰাজ্যখনৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে এনডিএৰ সকলো বিজয়ী প্ৰাৰ্থীলৈ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। খিলঞ্জীয়া সম্প্ৰদায়ৰ স্বাৰ্থৰ প্ৰতি সমৰ্পিত মুখ্যমন্ত্ৰী ড° শৰ্মাক খিলঞ্জীয়া জনগোষ্ঠী মহাজোঁটে তেওঁৰ অধ্যৱসায়, বাগ্মী আৰু অসমক সৰ্বাংগীণ উন্নয়নৰ পথলৈ লৈ যোৱাৰ বাবে বিশেষভাৱে অভিনন্দন জনায়। দ্বিতীয়বাৰৰ বাবে ক্ষমতালৈ অহা নতুন চৰকাৰে আগতকৈ দ্ৰুতগতিত অসমৰ খিলঞ্জীয়া জনগোষ্ঠীৰ সকলো শ্ৰেণীৰ নিৰাপত্তা আৰু উন্নয়নৰ বাবে কাম কৰিব বুলি আশা প্ৰকাশ কৰে। অসমৰ প্ৰাচীন খিলঞ্জীয়া জনগোষ্ঠী - কলিতা, নাথযোগী, সূত, কুমাৰ, কেওঁত আদিৰ প্ৰায় ডেৰ কোটি লোকে এই চৰকাৰৰ প্ৰতিটো জনকল্যাণমূলক কামত সম্পূৰ্ণ সহযোগিতাৰ আশ্বাস দিছে। এক যুটীয়া বিবৃতিত, খিলঞ্জীয়া জনগোষ্ঠী মহাজোটৰ সভাপতি সোণেশ্বৰ কলিতা, প্ৰধান সম্পাদক গোপাল হাজৰিকা, মুখ্য উপদেষ্টা ধীৰেন নাথে কয়, "আমি আশা কৰোঁ যে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত গঠিত নতুন চৰকাৰে আমাৰ জনগোষ্ঠীৰ বিভিন্ন সমস্যা সমাধানৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব।" এই অভিনন্দন বাৰ্তাই অসমৰ ৰাজনৈতিক সুস্থিৰতা আৰু খিলঞ্জীয়া সম্প্ৰদায়ৰ উন্নতি শক্তিশালী কৰাৰ প্ৰতীক। মহাজোঁটে সম্প্ৰদায়ৰ সুৰক্ষা, উন্নয়নমূলক পৰিকল্পনাত অগ্ৰাধিকাৰ আৰু পৰম্পৰাগত অধিকাৰ সুৰক্ষিত কৰাৰ বাবে চৰকাৰৰ পৰা আশা প্ৰকাশ কৰিছে।

# বান্দৰদেৱাত ড্ৰাগছসহ এজন যুৱকক আটক বান্দৰদেৱা আৰক্ষীৰ

**অসম বাৰ্তা, বান্দৰদেৱা, ১২ মে' ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱাৰ মাজ মজিয়াৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত আজি মঙ্গলবাৰে দিনৰ প্ৰায় ১০-৩০ বজাত বান্দৰদেৱা আৰক্ষীৰ এক গোপন সূত্ৰৰ ভিত্তিত ড্ৰাগছ সৰবৰাহ কৰি অনা নাৰায়ণপুৰ সমীপৰ শিৱসাগৰীয়া গোঁসাইবাৰী গাঁৱৰ ৰূপেশ্বৰ কাকতিৰ পুত্ৰ ২৬ বছৰীয়া মণিৰাম কাকতি নামৰ যুৱক জনক ১৬টা ড্ৰাগছভৰ্তি কনট্ৰেইনাৰসহ হাতে লোতে আটক কৰিবলৈ সক্ষম হয়। বান্দৰদেৱা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া বিমান গগৈৰ নেতৃত্বত হিৰণ্য শইকীয়া আৰু ৰিতু বৰাই সন্দেহযুক্ত উক্ত ড্ৰাগছখিনিৰ লগতে এটা মোবাইলসহ যুৱক জনক কৰায়ত্ত কৰে। জব্দকৃত ড্ৰাগছখিনিৰ ওজন ১৮.৪১ গ্ৰাম বুলি আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা গৈছে। পৰৱৰ্তী সময়ত আইনী ব্যৱস্থাৰ বাবে ধৃত যুৱকজনক স্থানীয় বিহপুৰীয়া আৰক্ষী থানালৈ প্ৰেৰণ কৰে।

সমস্যাৰ বুজ লৈ জিলা আয়ুক্তই দিলে উৎকৃষ্ট শিক্ষাদানৰ পৰামৰ্শ

# নগাঁৱত বিদ্যালয়ৰ নতুন শিক্ষা বৰ্ষৰ প্ৰস্তুতিমূলক পৰ্যালোচনা

**অসম বাৰ্তা, পুৰণিগুদাম, ১১ মে' ঃ** নগাঁও জিলা অধিবিদ্যা পৰিষদৰ উদ্যোগত আজি নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত মাধ্যমিক স্তৰৰ বিদ্যালয়সমূহৰ প্ৰধানসকলক লৈ এক গুৰুত্বপূৰ্ণ শৈক্ষিক পৰ্য্যালোচনা সভা সফলতাৰে অনুষ্ঠিত হয়। নতুন শিক্ষাবৰ্ষৰ আৰম্ভণিতে জিলাখনৰ শিক্ষা ব্যৱস্থাটোক অধিক গতিশীল আৰু সময়োপযোগী কৰি তোলাৰ লক্ষ্যৰে আয়োজিত এই বিশেষ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি জিলা আয়ুক্ত দেৱাশিস শৰ্মাই আগন্তুক সময়ছোৱাত জিলাখনৰ শৈক্ষিক মানদণ্ড উন্নত কৰাৰ বাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ সফল ৰূপায়ণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। বিশেষকৈ নতুন শিক্ষানীতিৰ আধাৰত প্ৰশ্নকাকতৰ যি নতুন আৰ্হি প্ৰস্তুত কৰা হৈছে, সেই সন্দৰ্ভত শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক কেনেধৰণে প্ৰস্তুত কৰি তুলিব লাগিব আৰু শ্ৰেণীকোঠাত পাঠদান প্ৰক্ৰিয়া কেনেকৈ অধিক ফলপ্ৰসূ কৰিব পৰা যাব সেই সম্পৰ্কে তেওঁ বিস্তৃত ব্যাখ্যা আগবঢ়ায়। এই পৰ্য্যালোচনা সভাখনত উপস্থিত থকা বিভিন্ন বিদ্যালয়ৰ প্ৰধানসকলে নিজ নিজ শিক্ষানুষ্ঠান পৰিচালনাৰ ক্ষেত্ৰত সন্মুখীন হোৱা ব্যৱহাৰিক সমস্যা আৰু শৈক্ষিক প্ৰত্যাহ্বানসমূহ জিলা প্ৰশাসন তথা শিক্ষা বিভাগৰ কৰ্তৃপক্ষৰ আগত স্পষ্টকৈ ডাঙি ধৰে। সভাখনত নগাঁও জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথ, জিলা প্ৰাথমিক শিক্ষা বিষয়া বিভুতিভূষণ বৰুৱা, জিলা প্ৰকল্প বিষয়া প্ৰশান্ত কোঁৱৰ, জিলা অধিবিদ্যা পৰিষদৰ সচিব পাৰুল গায়ন আৰু সাধাৰণ সম্পাদক যজ্ঞেশ্বৰ ৰাজখোৱাকে প্ৰমুখ্য কৰি বিভাগীয় বিষয়াসকল উপস্থিত থাকে। সভাই জিলাখনৰ শিক্ষক আৰু শিক্ষা প্ৰশাসনৰ মাজত এক যোগাত্মক সমন্বয় স্থাপন কৰাৰ লগতে আধুনিক শিক্ষা পদ্ধতিৰ সৈতে খোজ মিলাই আগবাঢ়ি যোৱাত গুৰুত্ব আৰোপ কৰে।

বিহু আৰু লোক-সংস্কৃতিৰ সাধনাৰ স্বীকৃতি, সাংস্কৃতিক জগতত আনন্দৰ জোৱাৰ

# ঢেকীয়াজুলিৰ সুযোগ্য সন্তান গণেশ ডেকালৈ "অসম গ্ৰাম্য শিৰোৰত্ন বঁটা" প্ৰদান

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১২ মে' ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত শ্বহীদ নগৰী ঢেকীয়াজুলিৰ সুযোগ্য সন্তান তথা জনপ্ৰিয় জ্যেষ্ঠ বিহুৱা গণেশ ডেকাক "অসম গ্ৰাম্য শিৰোৰত্ন বঁটা" প্ৰদান কৰাত সমগ্ৰ অঞ্চলজুৰি আনন্দৰ পৰিৱেশ বিৰাজ কৰিছে। বিহু আৰু লোক-সংস্কৃতিৰ ক্ষেত্ৰত তেওঁৰ দীৰ্ঘদিনীয়া অৱদানৰ স্বীকৃতি স্বৰূপে এই সন্মান প্ৰদান কৰা হয়। উল্লেখ্য যে অসম গৰীয়সী পুথি সংৰক্ষণ আৰু সাহিত্য-সংস্কৃতি বিকাশ মঞ্চৰ উদ্যোগত নগাঁও জিলাৰ কামপুৰ উন্নতি সাধিনী সমিতিৰ সভাগৃহত যোৱা ২৬ এপ্ৰিল ২০২৬ তাৰিখে বিশ্বৰ প্ৰয়াত মাতৃসকলৰ সোঁৱৰণত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰ মাজত "অসম গ্ৰাম্য শিৰোৰত্ন বঁটা প্ৰদান অনুষ্ঠান" অনুষ্ঠিত হয়। অনুষ্ঠানটোত অসমৰ বিভিন্ন প্ৰান্তৰ সাহিত্যিক, সাংবাদিক, সাংস্কৃতিক কৰ্মী আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। সভাৰাম বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত ঢেকীয়াজুলিৰ জনপ্ৰিয় জ্যেষ্ঠ বিহুৱা তথা সাংস্কৃতিক কৰ্মী গণেশ ডেকাক বিহু সংস্কৃতি আৰু লোক-সংস্কৃতিৰ সাধক হিচাপে "অসম গ্ৰাম্য শিৰোৰত্ন বঁটা" প্ৰদান কৰা হয়। বঁটা লাভ কৰাৰ পিছত গণেশ ডেকাই এই সন্মান অসমৰ সমগ্ৰ শিল্পী সমাজ আৰু বিহুপ্ৰেমী ৰাইজলৈ উৎসৰ্গা কৰা বুলি উল্লেখ কৰে। অনুষ্ঠানত উপস্থিত থাকে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক তথা বিশিষ্ট সাহিত্যিক মোঃ আজাদ আলী আহমেদ, কামপুৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা জ্যেষ্ঠ সাংবাদিক সভাৰাম মজুমদাৰ, প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সাংবাদিকনীলকমল শইকীয়া, বিশিষ্ট কবি গুণ কাকতিৰ লগতে অসমৰ কেইবাগৰাকীও স্বনামধন্য ব্যক্তি। উপস্থিত অতিথিসকলে গণেশ ডেকাৰ সাংস্কৃতিক জীৱন, বিহুৰ প্ৰতি তেওঁৰ দায়বদ্ধতা আৰু লোক-সংস্কৃতি সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ শলাগ লয়। দীৰ্ঘদিন ধৰি বিহু আৰু লোক-সংস্কৃতিৰ জগতখনত নিজকে উৎসৰ্গা কৰি অহা গণেশ ডেকাই ঢেকীয়াজুলিৰ লগতে সমগ্ৰ অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ বিশেষ বৰঙনি আগবঢ়াই আহিছে। তেওঁৰ এই সন্মানে ঢেকীয়াজুলিবাসীক গৌৰৱান্বিত কৰাৰ লগতে নৱপ্ৰজন্মকো সংস্কৃতিৰ ক্ষেত্ৰত আগবাঢ়ি আহিবলৈ অনুপ্ৰেৰণা যোগাব বুলি সচেতন মহলে মন্তব্য প্ৰকাশ কৰিছে।

# নগাঁও-নলতলি ৰাজ্যিক ঘাইপথত বাঁহ বান্ধি প্ৰতিবাদ লাওখোৱাত পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, ৰূপহীহাট, ১২ মে' ঃ** ৰূপহীহাটৰ লাওখোৱাত আজি পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। লাওখোৱাত নগাঁও-নলতলী ৰাজ্যিক ঘাইপথ অৱৰোধ কৰিলে উত্তেজিত ৰাইজে। যোৱা নিশা এক পথ দুৰ্ঘটনাত মৃত্যু হৈছিল দুজনকৈ যুৱকৰ। অচিনাকি বাহনৰ খুন্দাত থিতাথে মৃত্যুক আঁকোৱালি লৈছিল ৰূপজ্যোতি দাস আৰু দেৱজিৎ বেনাৰ্জী ওৰফে বিট্টো মণ্ডলে। নিজ লাওখোৱাত গতি ৰোধকৰ দাবীত স্থানীয় ৰাইজে লাওখোৱাত বাঁহ বান্ধি পথ অৱৰোধ কৰে। পথ অৱৰোধ কৰাৰ ফলত যাতায়ত ব্যাহত হৈ পৰে নগাঁও- নলতলী ৰাজ্যিক ঘাইপথত। পথছোৱাত সৃষ্টি হয় তীব্ৰ যানজটৰ। উল্লেখ্য যে যোৱানিশা নিজ লাওখোৱাত ৰাইজে গতি ৰোধক বিচাৰি পথ অৱৰোধ কৰিছিল। পিছত ৰূপহীহাট আৰু আমবাগান আৰক্ষীয়ে গতি ৰোধকৰ ব্যৱস্থা কৰি দিব বুলি প্ৰতিশ্ৰুতি দিছিল কিন্তু আজি গতি ৰোধকৰ ব্যৱস্থা নকৰাত ৰাইজে নগাঁও-নলতলি ৰাজ্যিক ঘাইপথত বাঁহ বান্ধি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা অব্যাহত ৰাখিছে।

# বোনমাঝা আঞ্চলিক শ্ৰীশ্ৰীগোপাল থান গৰখীয়া সভাৰ সোণালী জয়ন্তী সফল সামৰণি

**অসম বাৰ্তা, পাথৰিঘাট, ১২ মে' ঃ** দৰং জিলাৰ আন্ধেৰীঘাটৰ বোনমাঝাত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠিত হয়। বোনমাঝা আঞ্চলিক শ্ৰীশ্ৰীগোপাল থান গৰখীয়া সভাৰ সোণালী জয়ন্তী। ১০, ১১ আৰু ১২ মে' ৰবিবাৰ, সোমবাৰ আৰু মঙ্গলবাৰে অনুষ্ঠিত জয়ন্তী সফলতাৰে সম্পন্ন হয়। সোণালী জয়ন্তী উদযাপনৰ ১০ মে' তাৰিখে পুৱা গোপাল থানত বন্তি প্ৰজ্বলন, শৰাই নিবেদন, পৰিৱেশ নিকাকৰণৰ পাছত সোণালী জয়ন্তীৰ ধৰ্মধ্বজা উত্তোলন, তোৰণ উন্মোচন কৰা হয়। ইয়াৰ পাচত ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হয়। আবেলি আয়তী নাম প্ৰদৰ্শন কৰা হয়। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পাচত স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানৰ দ্বিতীয় দিনা ১১ মে'ত উষা কীৰ্ত্তন, পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণৰ অন্তত অৱসৰী শিক্ষক হেমন্ত কুমাৰ নাথৰ সঞ্চালনাত অন্তৰংগ আলাপ আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত অঞ্চলটোৰ কৃৰ্তি ছাত্ৰ-ছাত্ৰীৰ লগতে বিশেষ ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। অন্তৰংগ আলাপ আৰু সম্বৰ্ধনা অনুষ্ঠান সমাপ্তিত উৎপাদন সমিতিৰ সভাপতি দেৱ কান্ত বৰুৱাৰ সভাপতিত্বত মুকলি ধৰ্মালোচনী সভা উদ্বোধন কৰে শিক্ষক হেৰম্ব নাথে। সভাত সোণালী ইতিহাস সম্বলিত স্মৃতিগ্ৰন্থ উন্মোচন কৰে ছিপাঝাৰ মহাবিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যাপক ড° প্ৰসন্ন কুমাৰ নাথে। নিদিষ্ট বক্তা হিচাপে উপস্থিত থাকে গোবিন্দ মিশ্ৰ সাহিত্য সভা কলাইগাওঁ সভাপতি তৰুণ আজাদ ডেকাই। গাম্ভীৰ্য্য পূৰ্ণ সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা, ভাৰতীয় জনতা পাৰ্টি, দৰং জিলাৰ সভাপতি মকুন্দ ডেকা, দৰং জিলা পৰিষদৰ উপ-সভানেত্ৰী পৰিস্মীতা নাথ, ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সদস্য ভাগ্যদেৱী চহৰীয়া, বুঢ়া পঞ্চায়তৰ সভানেত্ৰী সৰজু চমুৱাৰ লগতে বোনমাঝা অঞ্চলৰ বিশিষ্ট ব্যক্তি সকল। সন্ধিয়া হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে জুবিন গাৰ্গ সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। তৃতীয় তথা অন্তিম দিন ১২ মে'ত পুৱা গোপাল থানত বন্তি প্ৰজ্বলন কৰা হয়। আবেলি ধৰ্মধ্বজা অৱতৰণেৰে সোণালী জয়ন্তীৰ সফল সমাপ্তি হয়। উল্লেখ্য যে সম্পূৰ্ণ অনুষ্ঠান খনত দিহা-পৰামৰ্শ, সহায় সহযোগ কৰা সমূহ ৰাইজলৈ গোপাল থান পৰিচালনা সমিতিৰ সভাপতি হৰিচন্দ্ৰ নাথ, সম্পাদক কুখেশ্বৰ নাথৰ লগতে সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি দেৱকান্ত বৰুৱা, সাধাৰণ সম্পাদক হিতেশ নাথে ধন্যবাদ জ্ঞাপন কৰে।

# ডিব্ৰুগড়ত 'সেৱা' উদ্যোগত আন্তৰ্জাতিক নাৰ্ছ দিৱস পালন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১২ মে'** ঃ সমগ্ৰ বিশ্বৰ লগতে ডিব্ৰুগড়তো আজি আন্তঃৰাষ্ট্ৰীয় নাৰ্ছ দিৱস পালন কৰা হয়। এই উদ্দেশ্যে ডিব্ৰুগড়ৰ স্বেচ্ছাসেৱী অনুষ্ঠান 'সেৱা' উদ্যোগত ডিব্ৰুগড়ৰ পুস্কাৰ সৰবৰ প্ৰেটিকোত বিস্তৃত কাৰ্য্যসূচীৰে আন্তৰ্জাতিক নাৰ্ছ বা পৰিচৰ্য্যা দিৱস পালন কৰা হয়। আন্তৰ্জাতিক নাৰ্ছ দিৱসৰ এইবছৰৰ বিষয় হৈছে — "আমাৰ নাৰ্ছসকল, আমাৰ ভৱিষ্যং-ক্ষমতাসম্পন্ন নাৰ্ছসকলে জীৱন ৰক্ষা কৰে"। 'সেৱা'ৰ এই অনুষ্ঠানত অনুষ্ঠানত উপস্থিত থাকি ডিব্ৰুগড় হনুমানব' সূৰুযমল কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা ড° ৰাজী কোঁৱৰে সেৱাৰ বয়োজ্যেষ্ঠ পৰিচৰ্যা সেৱা প্ৰদানকাৰীসকলে আগবঢ়োৱা উৎকৃষ্ট সেৱাক প্ৰশংসা কৰে আৰু ধৈৰ্য সহকাৰে নিজৰ কৰ্ম আগবঢ়াই নিবলৈ উপস্থিত পৰিচৰ্য্যা সকলক আহ্বান জনায় আৰু লগতে তেওঁ বিশ্বৰ মানৱ সেৱিকা ফ্ল'ৰেঞ্চ নাইটিংগেলৰ দেখুওৱা আদৰ্শক স্মৰণ কৰে। অসম চিকিৎসা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° পাৰ্থ প্ৰতিম দাসে মানৱ জাতিলৈ আগবঢ়োৱা নাৰ্ছ সকলৰ অৱদানক প্ৰশংসা কৰে আৰু তেওঁলোকৰ নিজ স্বাস্থ্যৰ যত্নৰ বাবে পৰামৰ্শ আগবঢ়ায়। কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° খনিন্দ্ৰ মিশ্ৰ ভাগৱতীয়ে সেৱাই গ্ৰহণ কৰা পদক্ষেপক সমাজৰ সকলো পক্ষৰে সহায় সহযোগিতাৰ কথা উল্লেখ কৰে আৰু সেৱাই আগবঢ়াই অহা সেৱাকৰ্মী কাৰ্যসূচীৰ সফলতাৰ শলাগ লয়। সভাত উপস্থিত বিশিষ্ট চিকিৎসক ড° প্ৰবীণ ঠাকুৰে সেৱাকৰ্মীৰ মাজত থাকিবলগীয়া গুণসমূহ যেনে ধৈৰ্য, একাগ্ৰতা আদিৰ বিষয়ে উল্লেখ কৰে। সভাত উপস্থিত জ্যেষ্ঠ সাংবাদিক এম হাছিম আলিয়েও সেৱাকৰ্মীৰ কৰ্মৰাজিৰ শলাগ লয় লগতে তেওঁ কয় যে সাম্প্ৰতিক সময়ত সমাজৰ এই শুশ্ৰূষাকাৰী সকলে ব্যক্তিগত চিকিৎসালয় হক বা চৰকাৰী চিকিৎসালয় হওক যি ধৰণৰ সা-সুবিধা পাব লাগে, তেনেধৰণৰ সুবিধাৰ পৰা সদায় বঞ্চিত হৈ থাকে। বিশেষ কৈ ব্যক্তিগত চিকিৎসালয়ত কৰ্মৰত নাৰ্ছসকলে আজিও সামান্য দৰমহাতে দিন ৰাতি একাকাৰ কৰি তেওঁলোকে পৰিয়ালক পোহপাল দিবলগীয়া হয়। সভাত উপস্থিত স্থানীয় সমাজকৰ্মী সুশীল দাসে সেৱাকৰ্মী সকলক আন্তঃৰাষ্ট্ৰীয় নাৰ্ছ দিৱসৰ শুভেচ্ছা জনায়। সেৱাৰ সম্পাদক আলতাফ হুছেইনে অনুষ্ঠানৰ আদৰণি ভাষণ আগবঢ়ায়। উপ-সভাপতি আৰফান হুছেইনে সেৱাকৰ্মী সকলৰ মানসিক স্বাস্থ্য বিকাশ আৰু কৰ্মক্ষেত্ৰত ইয়াৰ প্ৰয়োজনীয়তাৰ ওপৰত ব্যাখ্যা আগবঢ়ায় লগতে বৰ্তমান সেৱা কৰ্মীৰ প্ৰয়োজনীয়তাৰ বিষয়ে কয় যে বৰ্তমান সময়ত ভাৰতবৰ্ষত বয়োজ্যেষ্ঠলোকৰ সংখ্যা ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে আৰু এনে লোকৰ পৰিচৰ্যাৰ লগত প্ৰশিক্ষণপ্ৰাপ্ত সংগ দিওতাৰ আৱশ্যকীয় সমান্তৰাল প্ৰয়োজনীয়তা বহু পৰিমাণে বৃদ্ধি পাব সেয়েহে সেৱাই এই সেৱাখণ্ড দায়িত্ব সহকাৰে উৎকৃষ্ট সেৱাৰ বাবে ২০১১ চনৰ পৰা সমাজত সেৱাকৰ্মীৰ নিয়োগত কাম কৰি আহিছে আৰু প্ৰশিক্ষণ প্ৰাপ্ত সেৱাকৰ্মীসকলে বয়োজ্যেষ্ঠৰ ঘৰত থাকি উপযুক্ত শুশ্ৰূষা আৰু যত্ন প্ৰদান কৰি আহিছে। আন্তৰ্জাতিক নাৰ্ছ বা ধাত্ৰী দিৱস উপলক্ষে এনে বয়োজ্যেষ্ঠ পৰিচৰ্যা প্ৰদানকাৰীসকলক তেওঁলোকৰ উৎকৃষ্ট সেৱাৰ বাবে সন্মান জনোৱা হয় আৰু এই সম্ভাৱনাময় বৃত্তিৰ প্ৰসাৰতাৰ বাবে শিক্ষিত যুৱক- যুৱতী সকলক আগবাঢ়ি আহিবলৈ আহ্বান জনায়। অনুষ্ঠানত ডিব্ৰুগড়ৰ বিশিষ্ট চিকিৎসক ডাঃ ৰমা প্ৰসাদ মেধি উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত সকলোৱে সেৱাৰ প্ৰতিষ্ঠাপক প্ৰয়াত শান্তি গগৈৰ অৱদানক একমুখে স্বীকাৰ কৰি আৰু তেওঁৰ কৰ্মৰাজিক স্মৰণ কৰে। এই অনুষ্ঠানতে সেৱাৰ ৭৫ গৰাকী বয়োজ্যেষ্ঠ পৰিচাৰ্যাকাৰী অংশ গ্ৰহণ কৰে আৰু সেৱাৰ তৰফৰ পৰা তেওঁলোকক উপহাৰ প্ৰদান কৰা হয়। সেৱাৰ কাৰ্যসূচী সমন্বয়ক বিষয়া দেৱজানী ডেকা অনুষ্ঠানটিৰ আঁত ধৰে।

# ভোমোৰাগুৰিত প্ৰথম বাৰ্ষিক ৰঙালী বিহু সন্মিলন

**অসম বাৰ্তা, তেজপুৰ সদৰ, ১২ মে'** ঃ অসমীয়াৰ আয়ুস ৰেখা বাপতিসাহোন ৰঙালী বিহু ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাইজে বিহু উদ্‌যাপন কৰি আছে। যোৱা ১০ মে' ৰবিবাৰে তেজপুৰ চহৰৰ নিকটৱৰ্তী তেজপুৰ পূৰ্বাঞ্চলৰ সংখ্যালঘু অধ্যুষিত অঞ্চল ভোমোৰাগুৰিত বৃহত্তৰ কলিয়াভোমোৰা বিহু সমিতিৰ উদ্যোগত ভোমোৰাগুৰি, ভোজখোৱা, ভোজখোৱা চাপৰি, ৰাজভঁৰাল আদি গাঁৱৰ উদীয়মান শিক্ষিত যুৱকসকলৰ প্ৰচেষ্টাত ভোমোৰাগুৰিত প্ৰথম বাৰ্ষিক ৰঙালী বিহু সন্মিলন ৰাইজৰ বিপুল সঁহাৰিৰে শান্তিপূৰ্ণ ভাৱে উদ্‌যাপন কৰে। ৰাতিপুৱা ৰঙালী বিহুৰ পতাকা উত্তোলন কৰে ভোমোৰাগুৰি জিলা পৰিষদৰ সদস্য নুৰুল হকে আৰু বৃক্ষ ৰোপণ কৰে ভোমোৰাগুৰি অঞ্চলৰ উদীয়মান ব্যৱসায়ী তথা প্ৰাক্তন সংখ্যালঘু ছাত্ৰ নেতা আইনুল ইছলামে। সন্ধিয়া ৭.৩০ মান বজাত বৃহত্তৰ কলিয়াভোমোৰা বিহু সমিতিৰ সভাপতি আছাদুল্লাহ খানৰ সভাপতিত্বত ৰঙালী বিহু সন্মিলনৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। অভিযন্তা ৰফিক আহমেদ আৰু শিক্ষক ইফতিকাৰ আহমেদে আঁত ধৰা অনুষ্ঠানত তেজপুৰৰ বিশিষ্ট সমাজসেৱক দীপক শইকীয়া, ৰাজগড় গাঁও পঞ্চায়তৰ সচিব অজিৎ শৰ্মা, ৰাজগড় গাঁও পঞ্চায়তৰ সভাপতি আব্দুল মুতালিব, আঞ্চলিক পঞ্চায়তৰ সদস্য ছাবিৰ আলম, অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল মতিন, বিশিষ্ট ব্যৱসায়ী আইনুল ইছলাম, যুৱ সাংবাদিক তথা তেজপুৰ সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ছাইদুল ইছলাম, অধিবক্তা নেকিব আলম, সমাজকৰ্মী ৰফিক আহমেদ, যুৱ সাংবাদিক ছাকিব আলী, সমাজসেৱক ৰাজীৱ কলিতা, যুৱ সমাজসেৱক ছাদিকুল ৰহমান, সাংস্কৃতিক কৰ্মী আবুল কালাম আজাদ, মুছাৰফ হুছেইন, নুৰ কালামৰ লগতে বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকে আৰু বিশিষ্ট ব্যক্তি সকলক এখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনাই বিহুৰ ওলগ জনায় বৃহত্তৰ কলিয়াভোমোৰা বিহু সমিতিৰ বিষয়ববীয়াসকলে। ৰঙালী বিহু সন্মিলনৰ মঞ্চ উদ্বোধন কৰি সমাজকৰ্মী দীপক শইকীয়াই কয় যে বিহুৱে সদায় সমাজত ইতিবাচক বাৰ্তা কঢ়িয়াই আনে। বিহুৰ দ্বাৰা সমাজত শান্তি সম্প্ৰীতিৰ বাৰ্তা কঢ়িয়াই আনক যাতে আমি সকলোৱে মানুহ হিচাপে শান্তিপূৰ্ণ সমাজ গঢ়ি তুলিব পাৰোঁ। অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আত্মাৰ চিৰশান্তি কামনা কৰি এক মিনিট মৌন প্ৰাৰ্থনা কৰি মায়াবিনী গীত গাই তেখেতলৈ শ্ৰদ্ধাঞ্জলি অৰ্পন কৰি আৰম্ভ কৰা বিহু সন্মিলনত প্ৰথমে ভোমোৰাগুৰি অঞ্চলৰ শিল্পী সকলে নৃত্য গীত প্ৰদৰ্শন কৰাৰ পিছত আমন্ত্ৰিত শিল্পী জোনাক অম্ৰাং, পৰীস্মিতা ডেকা, খাইৰুল ইছলাম কবিৰে গীতৰ শৰাই আগবঢ়ায়। উল্লেখযোগ্য যে তেজপুৰ চহৰৰ নিকটৱৰ্তী দোলাবাৰী ফুলতলা আৰু দোলাবাৰী বহু বছৰ পূৰ্বে বিহু উদযাপন কৰা হৈছিল যদিও বহু বছৰ ধৰি বিহু উদযাপন কৰা হোৱা নাই। পোন প্ৰথমবাৰৰ বাবে ভোমোৰাগুৰিত ৰঙালী বিহু উদ্‌যাপন কৰাৰ ক্ষেত্ৰত প্ৰথমে উদ্যোগত লোৱা শিক্ষক ইফতিকাৰ আহমেদ, আছাদুল্লাহ খান, অভিযন্তা ৰফিক আহমেদ, ছাদিকুল ৰহমান, সাংস্কৃতিক কৰ্মী আবুল কালাম আজাদ, ৰাজগড় গাঁও পঞ্চায়তৰ সভাপতি আব্দুল মুতালিবৰ লগতে উদীয়মান শিক্ষিত যুৱকসকলক প্ৰশংসা কৰি এই পদক্ষেপ গ্ৰহণ কৰাৰ বাবে ৰাইজে একেমুখে শলাগিছে। যুৱ সাংবাদিক ছাইদুল ইছলাম প্ৰথম বাৰ ভোমোৰাগুৰিত বিহু অনুষ্ঠিত কৰাৰ বাবে উদ্যোক্তা সকলক ধন্যবাদ জনাই ভোমোৰাগুৰিৰ বিহু বিনন্দীয়া হৈছে বুলি মত প্ৰকাশ কৰে। ভোমোৰাগুৰিৰ বিহুৰ দ্বাৰা শান্তি সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ এনাজৰীডাল সুদৃঢ় হ'ব বুলি আশা প্ৰকাশ কৰে।

### ঠিকাদাৰ আৰু বিধায়কৰ মাজত অৰিয়াঅৰি; দুই মহৰ যুঁজত বিৰিণাৰ মৰণ; নিমাত দল-সংগঠন

# প্ৰসঙ্গঃ ডিগবৈ-পেঙেৰী অসম মালা পথ নিৰ্মাণ বিতৰ্ক

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১২ মে'** ঃ প্ৰায় ১৩০ কোটি টকাৰে অসম মালা আঁচনিৰ অধীনত নিৰ্মাণকাৰ্য চলি থকা পেঙেৰী হৈ ডিগবৈ-বৰডুমচা-মহং পথৰ একাংশক লৈ দীৰ্ঘদিন ধৰি অব্যাহত থকা বিতৰ্কই চৰম সীমা অতিক্ৰম কৰিছে। ঠিকাদাৰ ভাস্কৰ গোস্বামীৰ ফাৰ্মৰ হৈ বিতৰ্কিত ঠিকাদাৰ মতলেবুদ্দিন আহমেদে পথটোৰ ডিগবৈৰ পৰা ব্ৰহ্মাজানলৈকে প্ৰায় ২১ কিলোমিটাৰ নিৰ্মাণৰ দায়িত্ব লৈ কামকাজ চলাই আছিল। নিম্নমানৰ সামগ্ৰী ব্যৱহাৰৰ লগতে প্ৰেন এণ্ড এষ্টিমেট মতে কাম কৰাত গাফিলতি কৰা ঠিকাদাৰ মতলেবুদ্দিনৰ কৰ্মচাৰীৰ গাফিলতিৰ বাবেই বহুকেইটা পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ উপৰি এজন ছাত্ৰকে ধৰি দুজনকৈ লোকে প্ৰাণ হেৰুৱাব লগা হ'ল। এই সমূহ ঘটনাক লৈ কেইবাটাও ছাত্ৰ আৰু জাতীয় সংগঠনে আন্দোলনৰ কাৰ্যসূচীও গ্ৰহণ কৰিব লগা হৈছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে এজনো মৃতকৰ নিকট আত্মীয়ই উপযুক্ত ক্ষতিপূৰণ নাপালে। এটা সময়ত সততে সৰৱ হৈ থকা কেইবাটাও ছাত্ৰ সংগঠনৰ নেতা বিশেষক মতলবী ঠিকাদাৰ মতলেবুদ্দিনে কাম চোৰাচিতা কৰাৰ বিনিময়ত মাহিলি পাৰিতোষিক দিয়াৰ চুক্তিৰে নিজৰ ফলিয়া কৰি লয়। লগেলগে ঠিকাদাৰৰ নিম্নমানৰ কামৰ বিৰুদ্ধে মাত মতা সংগঠন আৰু নেতাৰ দুৰ্ভাগ্যজনকভাৱে অভাৱ ঘটিল। একেদৰে ঠিকাদাৰ আৰু ডিগবৈৰ বিধায়কৰ মাজতো ডিগবৈস্থিত এম পি অ'ফিচত অনুষ্ঠিত বৈঠক অনুসৰি ডিগবৈ সমষ্টিৰ বিজেপিৰ তিনিটা মণ্ডলৰ সৰ্বমুঠ ষাঠিজন যুৱমৰ্চাৰ কাৰ্যকৰ্তাক ঠিকাদাৰৰ পক্ষত থাকি সহযোগিতা আগবঢ়োৱাৰ বিনিময়ত প্ৰত্যেককে মাহিলি বিশ হাজাৰ টকাৰ পাৰিশ্ৰমিক দিয়াৰ দাবী জনোৱা হৈছিল। কিন্তু ঠিকাদাৰে ইমান সংখ্যক যুৱকক মাহেকীয়া বিশ হাজাৰকৈ পাৰিশ্ৰমিক দিবলৈ অক্ষমতা প্ৰকাশ কৰি ত্ৰিশজন যুৱকৰ দায়িত্ব গ্ৰহণ কৰিছিল যদিও সেয়া কাৰ্যকৰী নহ'ল। তাৰ মাজতে ঠিকাদাৰৰ পৰা ডিগবৈৰ বিধায়ক সুৰেন ফুকনে চাৰি শতাংশ কমিচন দাবী কৰাকলৈ বহু বিতৰ্কৰ সূচনা হৈছিল। আনকি ঠিকাদাৰ আৰু বিধায়ক ফুকনৰ কমিচন দিয়া নিদিয়া সন্দৰ্ভত হোৱা বাৰ্তালপৰ অডিঅ' ক্লিপো ভাইৰেল হৈছিল। আনকি 'এক কথাবাৰ্তা' অনুষ্ঠানত বিধায়ক সুৰেন ফুকনে স্পষ্টকৈয়ে কৈছিল যে অসমৰ যি দলৰেই নহওক ১২৬জন বিধায়কেই কমিচন লোৱাটো অ'পেন ছিক্ৰেট। 'কামৰ বিনিময়ত ঠিকাদাৰে পইচা দিবই লাগিব।' - বিধায়কৰ মন্তব্য। এই সন্দৰ্ভত ইতিপূৰ্বে ঠিকাদাৰ ভাস্কৰ গোস্বামীয়ে এক সংবাদমেল পাতি বিধায়ক ফুকনক কমিচনৰ নামত ইতিপূৰ্বে ১ কোটি ২৫ লাখ টকা পৰিশোধ কৰাৰ কথাও অৱগত কৰিছিল। সংবাদমেলত ঠিকাদাৰে ডিগবৈৰ যুৱমৰ্চাৰ এদল যুৱকে ঠিকাদাৰৰ কাৰ্যালয়ে কাৰ্যালয়ে গৈ ধন বিচাৰি ভাবুকি প্ৰদান কৰি অহাৰ কথাও দোহাৰিছিল। এই সংবাদ মেলৰ পাছতে ডিগবৈৰ বিজেপিৰ যুৱমৰ্চাইও সংবাদমেল সম্বোধন কৰি ঠিকাদাৰৰ কামৰ বিসঙ্গতি সন্দৰ্ভত বক্তব্য ৰাখে। বিধায়ক ফুকন আৰু যুৱমৰ্চাই এনেবোৰ কাৰণতে, কিন্তু আচল উদ্দেশ্য নেপথ্যত ৰাখি ঠিকাদাৰৰ কামৰ বিসঙ্গতি আৰু নিম্নমানৰ সামগ্ৰী ব্যৱহাৰৰ কাৰণ দৰ্শাই নিৰ্বাচনৰ পূৰ্বেই পথ নিৰ্মাণৰ কাম অনিৰ্দিষ্ট কাললৈ বন্ধ কৰি দিয়ে। যাৰ ফলত পথটোৰ অৰ্ধনিৰ্মিত কালভাৰ্ট সমূহে কদৰ্য ৰূপ ধাৰণ কৰি যানবাহন চলাচলত ব্যাঘাট জন্মোৱাই নহয় বহুকেইখন বাহন বিধ্বস্ত কৰি পেলোৱাৰ উদাহৰণ পৰ্যন্ত সৃষ্টি হয়। এনেবোৰ বিতৰ্কৰ মাজতে বিধায়ক ফুকন আৰু যুৱমৰ্চাই মুখ্যমন্ত্ৰী, জিলা আয়ুক্তকে প্ৰমুখ্য কৰি বিভিন্ন পক্ষলৈ ঠিকাদাৰৰ বিৰুদ্ধে অভিযোগ পত্ৰ প্ৰদান কৰিছিল। উক্ত অভিযোগৰ ভিত্তিত কালি (১১ মে') ডিগবৈৰ সমজিলা আয়ুক্তৰ উপস্থিতিত লোকনিৰ্মাণ বিভাগৰ বিষয়াই পথটোৰ 'স্পট ভেৰিফিকেচন আৰু কুৱালিটি অ'ডিট'ৰ বাবে পথটোত উপস্থিত হয়হি। এই তদন্তকালত বিজেপিৰ যুৱমৰ্চাৰ দল, ঠিকাদাৰ ভাস্কৰ গোস্বামী, নিৰ্মাণকাৰ্যৰ চোৰাচিতাৰ দায়িত্বত থকা পেঙেৰীৰ কেইবাজনো যুৱকৰে ধৰি সংশ্লিষ্ট কেউটাপক্ষ উপস্থিত আছিল। হয়তো 'বিধায়কৰ নামত কুকুৰ পুহিম' বুলি প্ৰতিজ্ঞা কৰাৰ খঙত যুৱমৰ্চাৰ দলটোৱে ঠিকাদাৰ ভাস্কৰ গোস্বামী, কামৰ দায়িত্বত থকা পেঙেৰীৰ সুভাষ তামাং, নৱনীল বড়া আৰু উত্তম মহনক শাৰীৰিকভাৱে অপদস্থ কৰা আৰু বিভাগীয় বিষয়া বিশেষক মানসিকভাৱে অপদস্থ কৰাৰ কথা স্বয়ং বিধায়কেই এই প্ৰতিবেদকক ফোনযোগে জানিবলৈ দিয়ে। তেওঁৰ মতে ঠিকাদাৰে নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰাই নহয় নিৰ্মাণ কাৰ্যতো চৰম বিসঙ্গতি সংঘটিত কৰিছে। আনকি ঠিকাদাৰে বিভাগীয় লোকক অন্ধকাৰত ৰাখি পথটোৰ প্ৰায় আঠ কিলোমিটাৰ অংশৰ ব্যৱহৃত পেভাৰ্ছ ব্লক বিভাগত জমা কৰাৰ পৰিৱৰ্তে বিভিন্ন পক্ষক বিক্ৰী কৰি দিলে। উক্ত ব্লকখিনিৰ বজাৰ মূল্য হ'ব ১ কোটি ৯০ লাখ টকা। তেওঁ আৰু কয় যে ঠিকাদাৰে কমিচনৰ নামত টকা দিবই লাগিব। যুৱ মৰ্চা বুলিয়েই নহয়, স্থানীয় নিবনুৱা যুৱকক চুক্তিমতে ধন দিবই লাগিব ঠিকাদাৰে। তেওঁৰ নামত কুকুৰ পুহিব বুলি মন্তব্য কৰা ঠিকাদাৰক এৰি দিয়া নহ'ব বুলিও তেওঁ দৃঢ়তাৰে কয়। ঠিকাদাৰক জে'লত ভৰাইহে এৰিব বুলিও এই প্ৰতিবেদকৰ আগত মন্তব্য প্ৰকাশ কৰে বিধায়ক ফুকনে। তেওঁ কয়, 'আগৰ কথা বেলেগ আছিল, এতিয়া নিৰ্বাচন জিকাৰ পাছত এৰি দিবলৈ নাই।' এতিয়া কথা হ'ল বিজেপিৰ যুৱ মৰ্চাই উত্থাপন কৰা অভিযোগসমূহ এশ শতাংশই সত্য। কিন্তু যথা সময়ত মাত মতাৰ পৰিৱৰ্তে কামৰ অন্তিম ক্ষণত মাত মতাৰ বাবেহে সচেতন মহলৰ দ্বাৰা সমালোনা কৰি কোৱা হৈছে যে প্ৰকৃততে প্ৰাপ্যৰ পৰা বঞ্চিত হোৱাৰ পাছতহে সিবিলাকক সৰৱ হোৱা দেখা গৈছে। কাৰণ তেওঁলোকে জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক আদিক অভিযোগ পত্ৰ প্ৰদান কৰাৰ তাৰিখ মাত্ৰ ২৪ এপ্ৰিল, ২০২৬ (সংবাদ মেলৰ পাছদিনা)। স্থানীয় ৰাইজেও উন্নতমানৰ এটা পথৰ উপহাৰ বিচাৰিছে। কিন্তু এতিয়া এনেহে হৈছে যে 'দুই ম'হৰ যুঁজত বিৰিণাৰ মৰণ'ৰ দৰে হৈছে। এতিয়া 'ক'লা চচমা পিন্ধা' বিভাগীয় তদন্তই কি ৰূপ ধাৰণ কৰে সেয়া সময়েহে প্ৰমাণ কৰিব।

# শ্ৰীৰামপুৰত আৰক্ষীৰ অভিযানত ১১ টাকৈ চোৰাং গৰুসহ বলেৰো পিকআপ জব্দ

*অসম বাৰ্তা, গোসাঁইগাঁও, ১১ মে'* ঃ *কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ শ্ৰীৰামপুৰত আৰক্ষীয়ে চলোৱা এক বিশেষ অভিযানত ১১ টাকৈ চোৰাং গৰুসহ এখন বলেৰো পিকআপ বাহন জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জীৱ সন্দিকৈৰ নেতৃত্বত এই অভিযান চলোৱা হয়। অভিযান চলাকালীন AS-17C-4209 নম্বৰৰ বলেৰো পিকআপ বাহনত তালাচী চলোৱাত উদ্ধাৰ হয় ১১ টাকৈ গৰু। আৰক্ষীৰ প্ৰাথমিক তদন্ত অনুসৰি গৰুসমূহ পশ্চিমবংগৰ আলিপুৰৰ পৰা অবৈধভাৱে অসমৰ বঙাইগাঁও জিলাৰ লেংটিছিংহা লৈ যোৱাৰ চেষ্টা কৰিছিল। গৰুসমূহৰ কোনো বৈধ নথিপত্ৰ নথকাত আৰক্ষীয়ে বাহনখন জব্দ কৰাৰ লগতে চালকজনক আটক কৰে। আটকাধীন চালকজনৰ নাম মিনহাজ আলী বুলি জানিব পৰা গৈছে। তেওঁ বঙাইগাঁও জিলাৰ লেংটিছিংহা অঞ্চলৰ বাসিন্দা। এই ঘটনাক কেন্দ্ৰ কৰি আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে আৰু এই চোৰাং ব্যৱসায়ৰ সৈতে জড়িত আন লোকৰ সন্ধানত অভিযান চলাই আছে।*

# গৰুৱাঝাৰত ওদালগুৰি জিলা সাহিত্য সভাৰ ২০২৫-২৭ কাৰ্যবৰ্ষৰ পঞ্চম কাৰ্যনিৰ্বাহক সভা সম্পন্ন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১২ মে'** ঃ গৰুৱাঝৰ কালিখোলা সাহিত্য সভাৰ আতিথ্যত গৰুৱাঝৰ জাতীয় বিদ্যালয় প্ৰাঙ্গণত আজি এদিনীয়া কাৰ্যসূচীৰে ওদালগুৰি জিলা সাহিত্য সভাৰ পঞ্চম কাৰ্যনিৰ্বাহক সভাৰ সফলতাৰে সামৰণি পৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি তজৰ আলি আহমেদে, স্মৃতি তৰ্পণ কৰে গৰুৱাঝৰ কালিখোলা সাহিত্য সভাৰ সভাপতি অশোক তিৱাৰীয়ে। ওদালগুৰি জিলা সাহিত্য সভাৰ পঞ্চম কাৰ্যনিৰ্বাহক সভাৰ প্ৰাক মুহূৰ্তত গৰুৱাঝাৰ কালিখোলা সাহিত্য সভাৰ শিল্পীবৃন্দই "চিৰ চেনেহী মোৰ ভাষা জননী" গীতটি পৰিৱেশন কৰে। কাৰ্যনিৰ্বাহক সভাত সভাপতিত্ব কৰে জিলা সাহিত্য সভাৰ সভাপতি তজৰ আলি আহমেদে। ওদালগুৰি জিলা সাহিত্য সভাৰ উপ সভাপতি সন্তোৰাম কছাৰীয়ে উদ্বোধন কৰা। সভাত আদৰণি ভাষণৰে আদৰণি জনায় গৰুৱাঝৰ কালিখোলা সাহিত্য সভাৰ সভাপতি অশোক তিৱাৰীয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু কাৰ্যবিৱৰণি পাঠ কৰে ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়াই। সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে বিটিচিৰ ৩৩ নং সমষ্টিৰ পাৰিষদ পল তপ্প। সভাত কাৰ্যনিৰ্বাহক সদস্য হিচাপে জিলাখনৰ সমূহ শাখা সাহিত্য সভাৰ সভাপতি, সম্পাদক, জিলা প্ৰতিনিধি, সাংগঠনিক সম্পাদক আৰু জিলা সাহিত্য সভাৰ ১০খন উপ সমিতিৰ আহ্বায়কমণ্ডলীৰ উপস্থিত থাকে। ওদালগুৰি জিলা সাহিত্য সভাৰ ২০২৬-২৭ বৰ্ষৰ কাৰ্যকলাপ আৰু অনুষ্ঠিত হ'বলগীয়া আগন্তুক অনুষ্ঠান সমূহৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰা হয়। জিলা সভাৰ আগন্তুক কাৰ্যকলাপসমূহ ক্ৰমে শ্ৰীশ্ৰীগোবিন্দ মিশ সাহিত্য সভাৰ উদ্যোগ ২০ জুন তাৰিখে বিষ্ণু ৰাভা দিৱস, বামুণজুলি শাখা সাহিত্য সভাৰ উদ্যোগত ষষ্ঠ কাৰ্যনিৰ্বাহক সভা, গৰুৱাঝৰ কালিখোলা সাহিত্য সভাৰ উদ্যোগত শ্বহীদ মোজাম্মিল হকদেৱৰ স্মৃতিত শ্বহীদ দিৱস, পুৰন্দিয়া সাহিত্য সভাৰউদ্যোগত ১৯ চেপ্তেম্বৰ তাৰিখে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতি দিৱস আৰু সপ্তম কাৰ্যনিৰ্বাহক সভা, পাঠকপুৰ সাহিত্য সভাৰ উদ্যোগত ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ স্মৃতি দিৱস, ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ উদ্যোগত অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস, মাজবাট সাহিত্য সভাৰ উদ্যোগত অষ্টম কাৰ্য্যনিৰ্বাহক সভা, খৈৰাবাৰী সাহিত্য সভাৰ উদ্যোগত জিলা সাহিত্য সভাৰ প্ৰতিনিধি সভা আৰু কেন্দুকলাই সাহিত্য সভাৰ উদ্যোগত জিলা সাহিত্য সভাৰ পূৰ্ণাংগ অধিৱেশন অনুষ্ঠিত হ'ব। সভাত সন্মানীয় অতিথিহিচাপে ওদালগুৰি জিলাৰ প্ৰতিনিধি কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক নিৰ্মল নাথ, অসম সাহিত্য সভাৰ বিশেষভাৱে আমন্ত্ৰিত সদস্য গৌৰীশংকৰ দাস আৰু প্ৰাক্তন সম্পাদক ড° পবিত্ৰ শৰ্মা গৰুৱাঝৰ নেপালী সাহিত্য সভাৰ সম্পাদকৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে। অনুষ্ঠানৰ আঁতধৰে জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়া আৰু গৰুৱাঝাৰ কালিখোলা সাহিত্য সভাৰ সম্পাদক মহঃ কাচিম আলীয়ে। শেষত সভাপতিৰ বক্তব্য আৰু মন্তব্যৰ পিচতেই অসম সংগীত পৰিৱেশনৰে সভাৰ সামৰণি পৰে।

# HBS 2.0ৰ লগত সংগতি ৰাখি দুই কেজি ওজনৰ কেক কটাৰ লগতে পূজা অৰ্চনা হিমন্ত বিশ্ব শৰ্মাৰ অনুৰাগীৰ

**অসম বাৰ্তা, কোকৰাঝাৰ, ১২ মে'** ঃ ড° হিমন্ত বিশ্ব শৰ্মাই দ্বিতীয়বাৰৰ বাবে অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰাৰ লগে লগে সমগ্ৰ ৰাজ্যজুৰি আনন্দ, উৎসাহ আৰু আশাৰ এক নতুন পৰিৱেশ সৃষ্টি হয়। HBS 2.0 নামেৰে পৰিচিত এই নতুন কাৰ্যকালক কেন্দ্ৰ কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সমৰ্থক, শুভাকাংক্ষী আৰু সাধাৰণ নাগৰিকসকলে বিভিন্নধৰণৰ অনুষ্ঠান আয়োজন কৰি নিজৰ আনন্দ প্ৰকাশ কৰে। এই আনন্দৰ ঢৌ বিটিচিৰ সদৰ চহৰ কোকৰাঝাৰতো সমানেই পৰিলক্ষিত হয়। মুখ্যমন্ত্ৰীৰ দ্বিতীয় কাৰ্যকাল সফল আৰু জনমুখী হওক, চৰকাৰখন সুস্থিৰভাৱে চলক আৰু ৰাজ্যত উন্নয়ন, শান্তি আৰু সম্প্ৰীতি অব্যাহত থাকক, এই কামনাৰে কোকৰাঝাৰস্থিত পাগলাবাবা ড° হিমন্ত বিশ্ব শৰ্মাৰ একাংশ অনুৰাগী আৰু শুভাকাংক্ষীসকলে বিশেষ পূজা-অৰ্চনাৰ আয়োজন কৰে। পবিত্ৰ মন্দিৰত পূজা-অৰ্চনা, আৰু প্ৰাৰ্থনাৰ জৰিয়তে তেওঁলোকে মুখ্যমন্ত্ৰীৰ সুস্বাস্থ্য, দীঘলীয়া ৰাজনৈতিক জীৱন আৰু সফল নেতৃত্ব কামনা কৰে। পূজা-অৰ্চনাৰ অন্তত HBS 2.0ৰ লগত সংগতি ৰাখি দুই কেজি ওজনৰ কে'ক কাটি আনন্দ উদযাপন কৰা কৰা পৰিলক্ষিত হয়। সমৰ্থকসকলৰ মতে, এই কেক কটা কাৰ্যসূচী কেৱল আনন্দ প্ৰকাশৰ মাধ্যমেই নহয়; ই হৈছে অসমৰ উন্নয়নৰ নতুন অধ্যায় আৰম্ভ হোৱাৰ প্ৰতি তেওঁলোকৰ আস্থা, বিশ্বাস আৰু আশা-আকাঙ্ক্ষাৰ এক প্ৰতীক। ইয়াৰ পিছত উপস্থিত বৃদ্ধ-বৃদ্ধা, দৰিদ্ৰ লোক, মন্দিৰলৈ অহা ভক্ত আৰু পথচাৰী ৰাইজৰ মাজত পেকেট লাঞ্চ বিতৰণ কৰাও পৰিলক্ষিত হয়। এই পদক্ষেপৰ জৰিয়তে সমৰ্থকসকলে জনকল্যাণৰ প্ৰতি মুখ্যমন্ত্ৰীৰ দৃষ্টিভংগীক বাস্তৱায়িত কৰাৰ এক ক্ষুদ্ৰ প্ৰয়াস আগবঢ়ায়। বহু লোকেই এই উদ্যোগক প্ৰশংসা কৰাৰ সমান্তৰালকৈ মানৱসেৱাৰ সংযোগে উক্ত কাৰ্যসূচীক অধিক তাৎপৰ্যপূৰ্ণ কৰি তুলিছে। অনুৰাগীসকলে জানিবলৈ দিয়ে যে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমে বিগত কেইবছৰত শিক্ষা, স্বাস্থ্য, পথ-যোগাযোগ, বিনিয়োগ, আইন-শৃংখলা আৰু সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। তেওঁলোকৰ বিশ্বাস, দ্বিতীয় কাৰ্যকালত এই উন্নয়নৰ ধাৰা আৰু অধিক গতি লাভ কৰিব আৰু ৰাজ্য নতুন উচ্চতালৈ অগ্ৰসৰ হ'ব। উল্লেখযোগ্য যে আজি ডঃ হিমন্ত বিশ্ব শৰ্মাই দ্বিতীয়বাৰৰ বাবে অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। এই ঐতিহাসিক মুহূৰ্তক স্মৰণীয় কৰি ৰাখিবলৈ ৰাজ্যৰ বিভিন্ন অঞ্চলত উদ্‌যাপনৰ আয়োজন কৰা হয়। কোকৰাঝাৰত পাগলাবাবা মন্দিৰত অনুষ্ঠিত এই বিশেষ অনুষ্ঠানেও মুখ্যমন্ত্ৰীৰ প্ৰতি সমৰ্থকসকলৰ গভীৰ আস্থা, শ্ৰদ্ধা আৰু শুভেচ্ছাৰ বহিঃপ্ৰকাশ ঘটায়। HBS 2.0 ক আদৰি লোৱা এই উদযাপন নিঃসন্দেহে নতুন আশা, নতুন উদ্যম আৰু উন্নয়নৰ এক প্ৰতীক হিচাপে পৰিগণিত হৈছে।

# সূৰুযমুখী চুঙাপৰা যুৱক সংঘৰ উদ্যোগত ৰঙালী বিহু সন্মিলন "মলয়া" উদ্‌যাপন

**অসম বাৰ্তা বিশেষ, বগীনদী, ১২ মে'** ঃ বিগত বৰ্ষসমূহৰ দৰে লখিমপুৰৰ পানীগাঁৱৰ চুঙাপৰাত সূৰুযমুখী চুঙাপৰা যুৱক সংঘৰ উদ্যোগত যোৱা ১০ মে' তাৰিখে চুঙাপৰা তিনিআলি ৰঙ্গমঞ্চত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন হয় সপ্তম সংখ্যক ৰঙালী বিহু সন্মিলন "মলয়া-২০২৬"। বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা বিহুৰ কাৰ্যসূচীৰ পতাকা উত্তোলন কৰে স্থানীয় জ্যেষ্ঠ সাংস্কৃতিক কৰ্মী দিলীপ সূতে। ইয়াৰ পিছতেই অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ নামেৰে ৫৬২ নং চুঙাপৰা প্ৰাথমিক বিদ্যালয়ত নাহৰ পুলি ৰোপণ কাৰ্যসূচী সম্পন্ন হয়। বিহু উদ্‌যাপন সমিতিৰ সহযোগত বৃক্ষ ৰোপণেৰে এই কাৰ্যসূচী সমাপন কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক কপিল বৰুৱাই। ইয়াৰ পিছতেই জুবিন গাৰ্গ সোঁৱৰণী বিহু মঞ্চ উদ্বোধন কৰে অসম চৰকাৰৰ জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত সচিব তিলক চন্দ্ৰ দাসে। অনুষ্ঠানৰ লগত সংগতি ৰাখি বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জ্ঞাপন কৰে বিহু উদ্‌যাপন সমিতিয়ে। দুপৰীয়া ৰং বিহু দলৰ বিহু প্ৰদৰ্শনৰ পিছতেই আৰম্ভ হয় মৌ-কুঁৱৰী আৰু সৰু বিহুৱতী প্ৰতিযোগিতা। সন্ধিয়া বিহু প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰা প্ৰতিযোগীসকলক বঁটা বিতৰণ কৰা হয়। সন্ধিয়া স্থানীয় বহুকেইটা নৃত্য দল আৰু শিল্পীৰ লগতে আমন্ত্ৰিত শিল্পী দলৰ দ্বাৰা প্ৰদৰ্শন হয় বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান। নিশালৈ সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰে লখিমপুৰৰ জ্যেষ্ঠ সাংবাদিক হেমন্ত বেজে। সাংস্কৃতিক সন্ধিয়াত জনপ্ৰিয় মঞ্চ সফল উদীয়মান কণ্ঠশিল্পী বলোৰাম পাটৰ আৰু মেহনাজ কুইনৰ লগতে কেইবাগৰাকীও শিল্পীয়ে গীত পৰিৱেশন কৰে।

# গৰৈমাৰীৰ হাতীপাৰাত তিনি সন্তানৰ মাতৃৰ আত্মহত্যা

**অসম বাৰ্তা, গৰৈমাৰী, ১২ মে'** ঃ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ হাতীপাৰাত আজি দুপৰীয়া তিনি সন্তানৰ মাতৃ এগৰাকী আত্মহত্যা কৰে। জানিব পৰামতে হাতীপাৰা গাঁও নিবাসী অনাছ আলীৰ পত্নী তথা তিনি সন্তানৰ মাতৃ তাৰাভানু (২৯) আজি দুপৰীয়া স্বামীগৃহত চিপলৈ আত্মহত্যা কৰে। ইপিনে বোৱাৰীগৰাকীৰ আত্মহত্যাৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই। গৰৈমাৰী আৰক্ষীয়ে ইতিমধ্যে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে যো-জা চলাইছে। মহিলাগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন